শিশু-সাহিত্যমালা—১ম পুথি

শৰৎচন্দ্ৰ

নবীন চন্দ্ৰ বৰদলৈ ভৱন আৰু পাঠাগাৰ
নম্বৰ ....
তাৰিখ ....

লিখক—

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা সাহিত্যৰত্ন

বেচ—পাঁচ অনা মাত্ৰ

শিশু-সাহিত্যমালা—১ম পুথি

শৰৎচন্দ্ৰ

নবীন চন্দ্ৰ বৰদলৈ ভৱন আৰু পাঠাগাৰ
নম্বৰ ....
তাৰিখ ....

লিখক—

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা সাহিত্যৰত্ন

বেচ—পাঁচ অনা মাত্ৰ

আৰম্ভণি

গোস্বামীদেৱৰ স্বৰ্গ-গমনত আমি কেইমাহমান নিৰৱ আছিলোঁ ; পাচত অসমৰ ভূতপূৰ্ব্ব ডাইৰেক্টৰ শ্ৰীযুত সতীশচন্দ্ৰ ৰায় এম-এ ডাঙৰীয়াই গোস্বামীদেৱৰ জীৱন-কথা বিচাৰি আমালৈ পত্ৰ লিখাত এই "শৰৎচন্দ্ৰ" সংগ্ৰহ কৰোঁ আৰু গোস্বামীদেৱৰ সাম্বৎসৰিক তিথি-উৎসৱত পাঠ কৰোঁ।

গোস্বামীদেৱে আমাৰ দেশত কথা-সাহিত্য প্ৰচাৰৰ উদ্দেশ্যে যত্ন কৰিছিল। সেই কাৰণে "শিশু-সাহিত্যমালা" নাম দি "শৰৎচন্দ্ৰ"ক ১ম পুথি হিচাবে প্ৰকাশ কৰা হ'ল। ইয়াৰপৰা দেশৰ লৰা-ছোৱালীৰ সামান্য উপকাৰ হলেও আমি কৃতাৰ্থ বোধ কৰিম।

নলবাৰী
১৭।৫।৪৭

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা

প্ৰকাশনত আৰু পৰিবেশনত—

অসম সাহিত্যসভাৰ সপ্তবিংশ অধিবেশনৰ
অভ্যৰ্থনা সমিতি, নগাওঁ।

সম্পাদনাত—

শ্ৰীঅগনী ধৰা।

বেটুপাত ৰূপায়ণত—

নৃপেন শইকীয়া

মুদ্ৰণত—

জনতা ছপাঘৰ

অর্পণ—

চিরস্নেহী

অগ্রজানীর

চরণে।

ক্ৰমণিকা—

পৃষ্ঠা

প্ৰাক্-বৈষ্ণৱ যুগ

মাধৱ কন্দলী ... ১

বৈষ্ণৱ যুগ

শ্ৰীশ্ৰীশঙ্কৰদেৱ ... ২

আধুনিক যুগ

অতুলচন্দ্ৰ হাজৰিকা ... ৪

অৰুণচন্দ্ৰ বৰুৱা ৫

অমূল্য নাথ

অময়চৰণ গোহাঁই ৬

অৱনী বৰা

আভিৰাম ভূঞা ৯

৺আনন্দৰাম ঢেকিয়ালফুকন

৺আত্মাৰাম শৰ্মা ১০

আনন্দৰাম ভট্টাচাৰ্য্য

আব্দুল [illegible] ... ১১

আতাউৰ ৰহমান

আব্দুল মতিন ১২

আনিছ কেনৱাৰ

আবুবকৰ ছিদ্দিক

আফাজুদ্দিন আহমদ

আব্দুল কুদ্দুচ ১৩
৺ইন্দ্ৰ বৰা
ইউচুফ হাজৰিকা
ইকবাল কোৰ ১৪
ইছুপ হুছেইন
ঈশ্বৰ মহন্ত
ঊষা বৰঠাকুৰ ১৫
ওৱাহেদা হুছেইন
৺কমলানন্দ ভট্টাচাৰ্য্য
কনকচন্দ্ৰ শৰ্মা ১৭
কৰুণাভিৰাম বৰুৱা ... ১৮
কেশৱকান্ত বৰুৱা
কমলাকান্ত শইকীয়া
কৃষ্ণানন্দ ভট্টাচাৰ্য্য
কৃষ্ণদাস বৰুৱা
কৃষ্ণদত্ত হাজৰিকা
কৃষ্ণকান্ত হাজৰিকা ১৯
কৃষ্ণানন্দ গোস্বামী
কেশৱানন্দ দেৱগোস্বামী
কৃষ্ণমোহন শৰ্মা ২০
কমলেশ্বৰ গোহাঁই
কনকেশ্বৰ বৰুৱা
৺গুণাভিৰাম বৰুৱা

গোপালচন্দ্ৰ ভূঞা ২২
গিৰিশচন্দ্ৰ বৰুৱা
গকুলচন্দ্ৰ গোস্বামী
গোপীনাথ বৰদলৈ
গোপীনাথ শইকীয়া .. ২৩
গোপালৰাম বৰুৱা
গিৰিকান্ত মহন্ত
গোলাপচন্দ্ৰ বৰুৱা
গোপাল বৰা
ঘনকান্ত গগৈ ২৪
চন্দ্ৰকান্ত বৰকাকতি
চিৰাজুদ্দিন আহমদ ২৫
চন্দ্ৰকান্ত ফুকন ২৬
চলেন্দ্ৰ হাজৰিকা
চামচন্দ্ৰ দুদা
৺জ্ঞানদাভিৰাম বৰুৱা ২৭
জীৰকান্ত বৰুৱা ২৮
জগত শৰ্মা
জাভিৰাম লস্কৰ
ডিম্বেশ্বৰ নাথ
তিলক হাজৰিকা ২৯
তৰুণ গোস্বামী
ত্ৰিলোকেশ্বৰ হাজৰিকা

Please handle the book carefully.

৺থুলেশ্বৰ মহন্ত
৺দেৱনাথ বৰদলৈ ৩০
৺দুৰ্গাচৰণ গোহাঁই
দেৱকান্ত বৰুৱা
কাশীৰাম বৰা ৩১
দণ্ডি শইকীয়া ৩২
দীনদয়াল হাজৰিকা
দুৰ্গাৱতী দাস
৺ধৰ্মেশ্বৰ গোস্বামী
৺নিৰঞ্জন বৰা ৩৩
৺নৰনাথ মহন্ত
নাৰায়ণচন্দ্ৰ মহন্ত
নৰকান্ত [illegible]
ন[illegible] শৰ্মা ৩৪
নীলিমা দত্ত ৩৫
নিৰ্ম্মলা বৰা
নন্দ শইকীয়া ৩৬
নিৰঞ্জন নাথ
নুৰুল আমিন
নৰহৰি শইকীয়া
নীহাৰেন্দু ভট্টাচাৰ্য্য ৩৭
৺পদ্মহাস গোস্বামী
পদ্মকান্ত দেৱমিশ্ৰ

পৰমানন্দ ওজা

পীতৰাম নাথ ৩৮

প্ৰফুল্ল ভূঞা

পাবন্দ্ৰ বৰা ৩৯

পূৰ্ণমল ভূঞা

প্ৰফুল্ল মহন্ত ৪০

প্ৰতুল শৰ্মা

প্ৰীতি বৰুৱা ৪১

পদ্ম ডেকা

৺বলদেৱ মহন্ত

৺বৃন্দাবনচন্দ্ৰ গোস্বামী ৪২

৺বিষ্ণুচৰণ বৰা

৺বিমলাকান্ত বৰা

বিৰিঞ্চিকুমাৰ বৰুৱা ৪৩

ৰাপাৰাম হাজৰিকা ৪৪

বেণুধৰ কলিতা

বিদ্যাকান্ত হাজৰিকা ৪৫

বসন্তকুমাৰ শইকীয়া

ব্ৰজবালা দেৱী ৪৬

বলাইৰাম সেনাপতি

বুদ্ধীন্দ্ৰকুমাৰ বৰুৱা

ব্ৰজেন বৰঠাকুৰ

বকুলচন্দ্ৰ বৰা ৪৭

৺ভোলানাথ দাস
ভূবনচন্দ্র ফুকন ৪৮
ভবেন্দ্রনাথ শইকীয়া .. . ৪৯
ভূমিকাম্প ফুকন . ৫০
ভদবাম বকরা
৺মানিকচন্দ্র বকরা
৺মহদানন্দ ভট্টাচার্য্য
মহীচন্দ্র বরা . .. ৫১
মোছলেহউদ্দিন আহমদ ৫৪
মহেশচন্দ্র দেৱগোস্বামী
মলিনচন্দ্র বৰা . . ৫৫
মহেন্দ্রনাথ শইকীয়া ৫৬
মনেশ্বৰ বৰা
মোহনচন্দ্র মহন্ত ৫৭
মহিম বৰা
মণি বৰা ৫৮
মোখলেছ আহমদ
মাধৱ শর্মা .. . ৫৯
মইনউদ্দিন আহমদ
যোগেশ তামুলী . . ৬০
যোগেশ্বৰ বৰা
যামিনীকান্ত দাস
যোগেশ শর্মা

যাদৱ শৰ্মা	৬১
যতীন বৰা	
৺ৰঘুনাথ গোস্বামী	
৺ৰত্নেশ্বৰ মহন্ত	৬২
৺ৰুদ্ৰৰাম বৰদলৈ	
৺ৰুদ্ৰকান্ত গোস্বামী	
৺ৰামানন্দ বৈশ্য	৬৩
৺ৰত্নধৰ বৰুৱা	
ৰঘুদেৱ গোস্বামী	
ৰত্নকান্ত বৰকাকতী	
ৰাধিকামোহন দেৱগোস্বামী	৬৫
ৰমাকান্ত মুক্তিয়াৰ	৬৭
ৰত্নেশ্বৰ বৰাহালদাৰ	
ৰজত বৰুৱা	
ৰাজেন বৰকাকতি	
ৰেণু বৰুৱা	৬৮
৺লীলাধৰ দেৱশৰ্মা শক্তিকৰ	
৺লক্ষ্মীনাৰায়ণ দাস	
ললিতকুমাৰ বৰুৱা	৬৯
লক্ষেশ্বৰ হাজৰিকা	৭০
লক্ষেশ্বৰ শইকীয়া	৭১
লক্ষ্মীনন্দন বৰা	
ললিতচন্দ্ৰ বৰা	৭২

Please handle the book carefully.

লীলাধৰ হাতীশইকীয়া ৭৩
লোকনাথ খাউণ্ড
ললিতকুমাৰ দাস
শিৱেন্দ্ৰনাৰায়ণ দেৱাধিকাৰগোস্বামী ৭৪
শুকদেৱ গোস্বামী
শ্যামানন্দ বৈশ্য ৭৫
সূৰ্য্যকুমাৰ ভূঞা
সুশীলকুমাৰ বৰুৱা ৭৬
সাৰদাকান্ত বৰদলৈ ৭৭
সুপ্ৰভা গোস্বামী
সৌজন্যময়ী ভট্টাচাৰ্য্য ৭৮
সত্যৰেখা বৰুৱা
সূৰ্য্য বৰা
সুৰথচন্দ্ৰ বৰা
৺হেমচন্দ্ৰ বৰুৱা ৭৯
হৰিপ্ৰসন্ন তাম্বুলীফুকন
হৰনাথ শৰ্মাবৰদলৈ
হলধৰ কাকতীবৰা ৮০
হেমকান্ত ভট্টাচাৰ্য্য ৮১
হাবিবুৰ ৰহমান
হৰেন্দ্ৰগোস্বামী ৮২
হৰেশ্বৰ গোস্বামী
হেমকান্ত ভূঞা ৮৩
হেমচন্দ্ৰ ৰাজকুমাৰ

THE NABIN [illegible] LIBRARY
13 JUL 1959

ভূমিকা

মনীষী কাৰ্লাইলে কৈছিল, "জাতি এটাৰ জীৱনীশক্তিৰ [illegible] এটোৱেই হৈছে জাতিটোৰ সাহিত্য-[illegible]ণাৰ লিপিবদ্ধ ইতিহাস।" কেৱল কাৰ্লাইলেই নহয়, আৰু বহু শত মনীষীয়ে সাহিত্যৰ সংৰক্ষণীগ্ৰন্থৰ প্ৰয়োজন আৰু মহত্ব অকুণ্ঠচিত্তে স্বীকাৰ কৰিছে। প্ৰকৃতাৰ্থত, জাতি এটাক নিৰি-ড়ভাৱে উপলব্ধি কৰিবলৈ হলে জাতীয় ভাষা-সাহিত্যৰ স্মৃতি-নুৰণৰ পম খেদি নগলে গত্যন্তৰ নাই। যুগ-ধৰ্মৰ কাৰণেই হওক, বা মানুহৰ বিস্মৰণশীল, স্বাভাৱিক মনোবৃত্তিৰ [illegible] জাতি সমষ্টিৰ অনেক বহুমূলীয়া সম্পদৰ [illegible] বিস্মৃতিৰ গৰ্ভত বিলুপ্ত হৈ পৰে, [illegible] পাশে-পাশে পৰি থকা অনেক আপুকগীয়া মণি-[illegible] পাতনিৰ ধূলি [illegible] ঢাকি পেলায়। এনে সময়ত [illegible] সংৰক্ষণীগ্ৰন্থ বা স্মৃতি-গ্ৰন্থই [illegible]লুপ্ত গৌৰৱৰ ৰূপ-ৰেখা [illegible] দাঙি ধৰি জাতিটোক সচিক্কণৰূপে [illegible] কৰে। ব্যক্তি মানসসত্তা আৰু সমাজ-সত্তাৰ প্ৰতিবিম্ব প্ৰতিফলিত হৈ দুয়োগে উজ্জ্বলি উঠে। এই প্ৰতিচ্ছবিয়ে জাতিক দিয়ে মনোবল, উৎসাহ, প্ৰেৰণা। সেই প্ৰেৰণাতে উদ্বুদ্ধ হৈ হয় জাতিটোৰ জয়-যাত্ৰাৰ সূচনা। এইখিনিতেই স্মৃতিগ্ৰন্থৰ সাৰ্থকতা, ইয়াতেই ইয়াৰ মহত্ব।

চিৰযৌৱনী ভাষাজননীৰ পীয়ুষধাৰা পান কৰি অসম-

মাতৃৰ কোলাত অসংখ্য কবি, শিল্পী, দাৰ্শনিক, সাহিত্যিকৰ জয়যাত্ৰা আৰম্ভ হৈছে। মাতৃ-মন্দিৰৰ বাণী-পূজাৰীসকলৰ পূজাৰ আয়োজন-সমাৰোহ কেতিয়া কিমান হৈছে, তাৰ লিপিবদ্ধ পৰিচয়-পত্ৰ এখনিতেই জাতীয় জীৱনৰ সঞ্জীৱনী মন্ত্ৰ নিহিত হৈ আছে। দুই এগৰাকী লব্ধপ্ৰতিষ্ঠ সাহিত্য-শিল্পীয়ে এইক্ষেত্ৰত জাতিক সজাগ কৰিবলৈ কৰা প্ৰচেষ্টা নিশ্চয় মহৎ আৰু প্ৰশংসনীয়।

অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰাণ-প্ৰতিষ্ঠাৰ পথত, প্ৰাক্-শঙ্কৰী যুগৰপৰা আজিলৈকে যি এক সুদীৰ্ঘ পৰম্পৰা গঢ়ি উঠিছে, সেই পৰম্পৰাত অসমৰ আন আন ঠাইৰ সাহিত্য সেৱী-সকলৰ লগতে নগাঁৱা সাহিত্যসেৱীসকলেও যথাসাধ্য বৰঙণি যোগাই আহিছে। অসমৰ সংস্কৃতি-যজ্ঞৰ মহাআয়োজনত নগাঁৱা সাহিত্যসেৱীসকলৰ অৱদানৰ মূল্য স্থায়ী আৰু মহত্বপূৰ্ণ বুলিয়েই আমি ভাবোঁ। সৰ্ব্বগুণাকৰ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে এই নগাঁৱতেই আবিৰ্ভূত হৈ, মহীয়সী লেখনীৰ অমৃত-ধাৰাৰে সমগ্ৰ অসমভূমিকেই প্লাবিত কৰি থৈ গৈছে। ৺আনন্দৰাম ঢেকিয়াল ফুকন, ৺গুণাভিৰাম বৰুৱা, ৺ভোলানাথ দাস, ৺ৰত্নেশ্বৰ মহন্ত প্ৰমুখ্যে স্বৰ্গগত সাহিত্যসেৱীসকলৰ সাহিত্য-সাধনাৰ ঐকান্তিকতাই কেনেকৈ ভাষাজননীৰ কণ্ঠত জয়-মাল্য পিন্ধাইছিল, তাৰ গৌৰৱ-গাথা পুৰণি হৈও চিৰনতুন। আজিৰ সাহিত্যসেৱীসকলৰ ভিতৰত দুই চাৰিজনে প্ৰতিভাৰ যি পোহৰ দেখুৱাইছে,

সেই পোহৰে কেৱল অসমকেই নহয়, ভাৰতকো আলো কিত কৰি তুলিছে। ই কেৱল নগাঁৱৰ সাহিত্যসেৱীৰেই নহয়, সমগ্ৰ অসমৰেই গৌৰৱ-কাহিনী।

নিজৰ ফুলনিৰ সুগন্ধি ফুলবোৰ নিজৰ প্ৰিয় হোৱা স্বাভাৱিক,— ইয়াত অস্বাভাৱিকত্ব একো নাই। কিন্তু সেই ফুলৰ সৌৰভে যেতিয়া সীমিত পৰিসৰ চেৰাই এক বৃহত্তৰ সংস্কৃতিক আমোদিত আৰু সৌৰভিত কৰি তোলাৰ সৌভাগ্য লাভ কৰে, তেতিয়া সি আনৰো আদৰণীয় আৰু লোভনীয় নহৈ নাথাকে। নগাঁৱৰ সাহিত্যসেৱীসকলৰ বৰঙণি কেৱল নগাঁৱৰেই নহয়, সমগ্ৰ অসমৰেই। দেশ আৰু দ্বীপ সীমাবদ্ধ। সাহিত্য অসীম। অসীমতাৰ সন্ধানেই সাহিত্যৰ লক্ষ্য। জীৱন-জগতৰ সঙ্কীৰ্ণ গণ্ডী অতিক্ৰম কৰি, এক বৃহৎ আৰু ব্যাপক মানৱীয় চেতনাৰে জাতি আৰু দেশক সম্প্ৰসাৰিত কৰি তুলিব পৰাতেই সাহিত্যৰ সাৰ্থকতা। সমাজ-দৃষ্টিত যিয়েই নহওক, সাহিত্যৰ দৃষ্টিত সকলো সমান; জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰেই একোটা স্বকীয় সত্তা আছে; সাহিত্য-সমুদ্ৰত অৱগাহন কৰি শুচিস্নাত হ'বলৈ সকলো সক্ষম। সাহিত্যৰ এনে এখন ব্যাপক আৰু উদাৰ পটভূমিতেই আমি নগাঁৱৰ সাহিত্যসেৱীসকলৰ অৱদানৰ পৰিচয়-পত্ৰ এখনি অসমৰ সুধীসমাজৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস পালোঁ। এইক্ষেত্ৰত আমি কিমানদূৰ সফলকাম হৈছোঁ, পঢ়ুৱৈসমাজৰ বিচাৰ্য্য।

আমাৰ এই সোঁৱৰণীগ্ৰন্থ 'সতীৰ্থ'ৰ ৰূপ-ৰেখা যঠনাত

আমি কোনো সমালোচনাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰা নাই। সাহিত্য-ফুলনিত সিঁচৰতি হৈ পৰি থকা সুগন্ধি ফুলবোৰ বুটলি আনি 'সতীৰ্থ' মালাৰ গাথেঁাতে যাতে তাৰ এটা সৃজনশীল আৰু আবেদনশীল সাহিত্যিক লাও থাকে সি যাতে ৰূপবৰ্ণহীন নিৰস পাঠ্যপত্ৰলৈ ৰূপান্তৰিত নহয়, তাৰ প্ৰতি আমি সচেতন। পাঠকসমাজৰ পঠন-পাঠনৰ সুবিধালৈ লক্ষ্য ৰাখি আৰু বাঞ্ছনীয় স্মৃতিগ্ৰন্থৰ ৰীতি-পদ্ধতি অবলম্বন কৰিয়েই আমি সাহিত্যসেৱীসকলক অক্ষৰানুক্ৰমে সজাইছো। যিসকল সাহিত্যসেৱীৰ কৰ্মভূমি বা পিতৃভিঠা নগাঁৱেই, যিসকল আনঠাইৰ পৰা উঠি আহি ইয়াতেই নিগাজীকৈ বহিছে, যিসকল নগাঁৱৰ লগত বিবাহ সূত্ৰত আবদ্ধ, নগাঁৱৰ সাহিত্যসেৱীৰূপে সেই সকলকো 'সতীৰ্থ'ই সামৰি লৈছে। নগাঁৱৰ সাহিত্যসেৱীসকলৰ সম্যক পৰিচয় যাতে 'সতীৰ্থ'ই পাঠকসমাজক দিব পাৰে, সেইটোৱেই আমাৰ উদ্দেশ্য। অন্য উদ্দেশ্য ইয়াত একো নাই। অৱশ্যে, 'সতীৰ্থ'ক আমি যিদৰে সজা-পৰাই উলিয়াই পাঠকসমাজক দিবলৈ মানস কৰিছিলো, নানান অসুবিধাবশতঃ সেইটো সম্ভৱ হৈ নুঠিলগৈ কাৰণ কেইবাটাও। প্ৰথমতে আমি অসমৰ আঠটা কইখন বাতৰিকাকতত জাননী দি, চিঠি-পত্ৰৰ আদান-প্ৰদান কৰি, ব্যক্তিগতভাবে অনুৰোধ জনাইও আশানুৰূপভাৱে সঁহাৰি আহৰণ কৰিবলৈ সমৰ্থ নহলো। জনচেৰেক সাহিত্যসেৱীৰ পৰা কোনো

সকলোৰে-পোৱাৰ সৌভাগ্য আমাৰ নহ'ল। দ্বিতীয়তে, আমাৰ হাতত সময়ো নিচেই কম। এনে সাহিত্য-প্ৰচেষ্টা সময়-সাপেক্ষ। তথাপি, বিলম্ব কৰিলে কৰ্ত্তব্যৰ অৱহেলা হ'ব ভাবি, এই কম সময়ৰ ভিতৰতে আমাৰ হাতত যিখিনি সমল পৰিল, তাকে খুঁচি-মাচি, আগ-পিছ কৰি, সজাই-পৰাই 'সতীৰ্থ'ক পঢ়ুৱৈসমাজক দিলোঁ।

'সতীৰ্থ' যে একেবাৰে নিৰ্ভুল আৰু সম্পূৰ্ণ হৈছে, সেইটো আমি কব নোখোজোঁ। ইয়াৰ বুকুত দুই-চাৰি ভুল-ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। সেয়ে হলেও অসমৰ সাহিত্য-বুৰঞ্জীত নগাঁৱৰ সাহিত্যসেৱীসকলৰ বৰঙণিৰ ফটফটীয়া প্ৰতিচ্ছবি এখন 'সতীৰ্থ'ই দাঙি ধৰিবলৈ সমৰ্থ হ'ব বুলিয়েই আমাৰ বিশ্বাস। নগাঁৱৰ স্বৰ্গগত সাহিত্যসেৱীসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন; জীৱিত প্ৰবীণ সাহিত্যশিল্পীসকলৰ সাহিত্যসেৱাৰ ৰূপ-ৰেখা ৰচনা; নৱ-লিখক-লিখিকাসকলক উৎসাহ দান আৰু অসমৰ অন্যান্য জিলাৰ সাহিত্য-বুৰঞ্জী উদ্যোক্তাসকলৰ সহযোগ কামনা— এইকেইটা উদ্দেশ্য লৈয়েই 'সতীৰ্থ'ৰ সৃষ্টি। অসমত এনে ধৰণৰ অভিনৱ সাহিত্য-প্ৰচেষ্টা এয়ে প্ৰথম। আমাৰ এই মহৎ আৰু উদাৰ প্ৰচেষ্টাৰ দোষ-ত্ৰুটিলৈ লক্ষ্য নাথাকি, তাৰ অন্তৰ্নিহিত উদ্দেশ্যৰ মৰ্য্যাদা ৰক্ষা কৰি, আমাৰ নেৰানেপেৰা পৰিশ্ৰম আৰু ঐকান্তিক চেষ্টাপ্ৰসূত 'সতীৰ্থ'ক নিজৰ মানস-সন্তান বুলিয়েই যেন পঢ়ুৱৈসমাজে আদৰি লয়। পঢ়ুৱৈসমাজৰ ওচৰত আমাৰ কামনা ইমানেই।

'সতীর্থ'ক আগত লৈ আমি বিশ্বকবিৰ বাণীষাৰলৈ মনত পেলাওঁ, "জীৱন মহাশিল্পী। সি যুগে যুগে দেশ-দেশান্তৰে মানুহক নানা বৈচিত্ৰ্যৰে মূৰ্তিমান কৰি তুলিছে। লক্ষ লক্ষ মানুহৰ চেহেৰা আজি বিস্মৃতিৰ অন্ধকাৰত অদৃশ্য, তথাপি বহুশত আছে, যি প্ৰত্যক্ষ, যি ইতিহাসত উজ্জ্বল। জীৱনৰ এই সৃষ্টিকাৰ্য্য যদি সাহিত্যত যথোচিত নৈপুণ্যেৰে আশ্ৰয় লাভ কৰিব পাৰে, তেতিয়া হলেই সি অক্ষয় হৈ থাকে"

স্বীকৃতি

নগাওঁ সাহিত্যসভাৰ পৰিকল্পনা আৰু অনুপ্ৰেৰণাতেই "সতীর্থ"ৰ প্ৰকাশ সম্ভৱ হৈছে। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা, পিতৃদেৱ মহীচন্দ্ৰ বৰা, মহেশচন্দ্ৰ দেৱগোস্বামী, লক্ষেশ্বৰ-হাজৰিকা আৰু মহিম বৰাই সহায়-সহানুভূতিৰে কৃতাৰ্থ কৰিছে। ভুবনচন্দ্ৰ ফুকনৰ উদগনি আৰু পৰামৰ্শত আমি বিশেষকৈ ঋণী। কৃতী সাহিত্যিক ডিম্বেশ্বৰ নেওগদেৱৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ পৰা 'সতীর্থ'ৰ ভালেখিনি উপকৰণ আহৰণ কৰা হৈছে। নগাওঁৰ সচিত্ৰ সাহিত্য সংকলন 'অৰুণাচল' আৰু অন্যান্য ন-পুৰণি আলোচনী, বাতৰিকাকত, পুথি-পত্ৰইও সমল যোগাইছে। জনতা ছপাখনৰ মুদ্ৰক আঃ খালিব আৰু যতীন্দ্ৰকুমাৰ বৰুৱাই নিৰ্দিষ্ট সময়ৰ ভিতৰত কিতাপখন উলিয়াই দিছে। কৃতজ্ঞতাৰে স্বীকাৰ কৰা হল।

THE NABIN BARDOLAI HALL & LIBRARY
18 JUL 1959
G… T…

সতীৰ্থ

প্ৰাক্-বৈষ্ণৱ যুগ

মাধৱকন্দলী : "অসমৰ আকাশত শঙ্কৰ-সূৰ্য্যৰ আগমনী জনোৱা যিকেইটি জ্যোতিষ্ক আছিল, মাধৱকন্দলী সেইসকলৰ মাজৰ পূৰতি ভোটাতৰা।" মাধৱকন্দলী প্ৰাক্-বৈষ্ণৱ যুগৰ কবিসকলৰ ভিতৰত শেষৰ আৰু সৰ্ব্বশ্ৰেষ্ঠ কবি। মাধৱকন্দলীৰ 'সাতকাণ্ড ৰামায়ণ' আৰু 'দেৱজিৎ' পুথি সাহিত্য-প্ৰতিভাৰ যাউতিযুগীয়া চিন। কন্দলীৰ 'ৰামায়ণ' অসমীয়া সাহিত্যলৈ এক অপূৰ্ব্ব অৱদানেই নহয়, ই অসমীয়া সাহিত্যৰ দৃঢ় ভেটি সংগঠকো। চিত্ৰপ্ৰধান কবিত্বপূৰ্ণ বৰ্ণনা আৰু লৌকিক স্পৰ্শই কন্দলী-ৰামায়ণক সজীৱ আৰু মনোলোভা কৰি তুলিছে। কন্দলী কেনে শক্তিশালী লিখক আছিল, শঙ্কৰদেৱৰ দৰে অপূৰ্ব্ব প্ৰতিভাশালী পুৰুষৰ শ্ৰদ্ধা-গুলিয়েই তাৰ প্ৰমাণ। প্ৰাক-বৈষ্ণৱ যুগৰ অন্যান্য কবিৰ ৰচনাত বৈষ্ণৱ ধৰ্ম্মৰ নৱ উন্মেষৰ আভাস মাত্ৰ দেখা যায়, কিন্তু কন্দলীৰ 'দেৱজিৎ' পুথিখনে বৈষ্ণৱ ধৰ্ম্মৰ প্ৰায় সকলো বাৰ্ত্তা বহন কৰি আনে। এই কালৰ পৰা অসমীয়া সাহিত্য আৰু ধৰ্ম্ম-আন্দোলনৰ বুকুৰ শঙ্কৰদেৱৰ পূৰ্ব্ববৰ্ত্তী কবি

ৰূপে কন্দলীৰ এখন আছুতীয়া আসন আছে। কন্দলীৰ আদিপুথখনৰ বা কন্দলী মৌজাত জন্ম বুলি পণ্ডিতসকলে অনুমান কৰে।

বৈষ্ণৱ যুগ

শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ অসমীয়া জাতিৰ প্ৰাণ-প্ৰতিষ্ঠাতা, অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতিভূস্বৰূপ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চিনাকি দিয়াৰ প্ৰয়োজন নাই। অসমীয়া জাতীয় জীৱন আৰু সাহিত্য-সত্তাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শঙ্কৰৰ বহুমুখী অৱদানৰ অবিচ্ছিন্ন সোঁত বৈ আছে। অসমৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ এক দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত আবিৰ্ভূত হৈ, সংস্কৃতি-সৰণিৰ দিশহাৰা নাওখনিৰ গুৰি-বঠা ধৰি, জাতীয় চৈতন্যৰ মূলমন্ত্ৰেৰে অসম-মাতৃৰ মুখত কি যে এক দেৱোপম সঞ্জীৱনী সুধা দি থৈ গ'ল, ভাবিলে তবধ মানিব লাগে। স্বৰূপাৰ্থত, অসমৰ বৈষ্ণৱ ধৰ্ম আৰু বৈষ্ণৱ সাহিত্যৰ বুৰঞ্জী শঙ্কৰদেৱৰ বিস্তৃত জীৱনীমাত্ৰ। একাধাৰে কবি, নাট্যকাৰ, সঙ্গীতজ্ঞ, সাহিত্যিক, সমাজসেৱী, ধৰ্মপ্ৰচাৰক— সৰ্ব্বগুণসম্পন্ন এনে একজন পুৰুষৰ আৰু তুলনা নাই। ভাৰতৰ প্ৰধান প্ৰধান ধৰ্ম-কেন্দ্ৰলৈ গৈ, ভিন ভিন ঠাইৰ ধৰ্ম আৰু সমাজ অনুধাৱন কৰি, নানা ঠাইৰ পণ্ডিত আৰু সাধুৰ লগত আলাপ-আলোচনা হৈ, আৰু শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি ভাগৱতী ধৰ্ম

উলিয়াই, কেনেকৈ সেই ধৰ্মৰ যোগেদি অসমীয়াক পূৰ্ণাঙ্গ উন্নতিৰ সকলোখিনি সমল দি গল, ভাবিবলগীয়া কথা। কাব্য, গীত, নাট, উপাখ্যান, তত্বপুথিৰ অৰ্ঘ্যৰে সাহিত্য-দেৱতাৰ প্ৰাণ প্ৰতিষ্ঠা কৰি, কেনেকৈ অসমমাতৃৰ শেঁতা পৰা মুখত প্ৰশান্তি আৰু পৰিতৃপ্তিৰ হাঁহি বিৰিঙাই-ছিল, সিও এক বিপুল বিস্ময়। মহাপুৰুষৰ 'বৰগীত' আৰু 'কীৰ্ত্তন' অসমীয়া সাহিত্যৰ যুগমীয়া কীৰ্ত্তিস্তম্ভ। ৰসৰাজ বেজবৰুৱাদেৱে কৈছে, "অসমীয়া ভাষাক যে শঙ্কৰদেৱে কি ৰত্নেৰে বিভূষিত কৰি থৈ গৈছে, ভাবিলে শৰীৰ ৰোমাঞ্চিত হয়।......যি অসম দেশত 'কীৰ্ত্তন' পুথিৰ দৰে গ্ৰন্থৰ জনম, সেই অসম দেশ সাহিত্যত কেতিয়াও দুখীয়া হব নোৱাৰে।" ভাগৱতৰ কেইবাখণ্ডৰো ভাঙনি, উত্তৰাকাণ্ড ৰামায়ণ, ৰুক্মিণীহৰণ, অজামিলোপাখ্যান, ভক্তি-ৰত্নাকৰ, ভক্তিপ্ৰদীপ আদি পুথি আৰু কালীয়দমন, কেলিগোপাল, ৰামবিজয়, পত্নীপ্ৰসাদ আদি নাট মহাপুৰুষৰ অমৃতময় লেখনীৰ দান। মহাপুৰুষে বান্ধি থৈ যোৱা ভেটিৰ ওপৰতেই অসমীয়া সাহিত্য-সংস্কৃতিয়ে ঠন ধৰি গজালি মেলিছে। প্ৰকৃতপক্ষে কবলৈ গলে, শঙ্কৰক, শঙ্কৰৰ অৱদানবাজিক বাদ দিলে অসমীয়া সাহিত্য-সংস্কৃতিৰ নিজস্ব বুলিবলৈ একোৱেই নাথাকে। অসমীয়া বৈষ্ণৱসাহিত্যত শঙ্কৰদেৱ নিশ্চয় একক আৰু অকলশৰীয়া ব্যক্তিত্ব। আৱিৰ্ভাৱ ১৪৪৯ খ্ৰীষ্টাব্দত, মহাপ্ৰয়াণ ১৫৬৯ খ্ৰীষ্টাব্দত।

আধুনিক যুগ

অতুলচন্দ্ৰ হাজৰিকা : একাধাৰে কবি, নাট্যকাৰ আৰু শিশু-সাহিত্যসেৱী হাজৰিকাদেৱৰ ঐকান্তিক সাহিত্য-সাধনাৰ ন-পৰিচয় নিষ্প্ৰয়োজন। সাহিত্যৰথী বেজবৰুৱাৰ 'বাঁহী'ত ছাত্ৰজীৱনতে 'বসন্তকাল' নামৰ কবিতা প্ৰকাশ কৰি সাহিত্য-জীৱনৰ পাতনি মেলা, 'আৱাহন'ত "চিত্ৰদাস" নাম লৈ লিখা কবিতাসমূহেৰে পাঠকসমাজত আলোড়ন তোলা', 'মধুনিশা' নামৰ কবিতাৰে দুঃসাহসৰ চিনাকি দিয়া হাজৰিকাদেৱৰ অফুৰন্ত লেখনীৰ বিৰাম নাই। 'দীপালী', 'মণিমালা', 'মুকুতামালা', 'পাঞ্চজন্য' আৰু 'তপোবনে' হাজৰিকাদেৱৰ কবি-প্ৰতিভাৰ পৰিচয় দি আছে। 'কনৌজকুঁৱৰী', 'নৰকাসুৰ', 'কুৰুক্ষেত্ৰ', 'বেউলা', 'নন্দদুলাল', 'অশ্ৰু-তীৰ্থ', 'বাণজ-কোঁৱৰ' প্ৰভৃতি নাটকেইখনো অসমীয়া নাট্যসাহিত্যলৈ হাজৰিকাদেৱৰ অনবদ্য অৱদান। বেছি ভাগ নাটেই অসমৰ প্ৰায় সকলোবোৰ নাট্যমঞ্চতে সমাদৃত হৈছে। 'পুৰণি সাহিত্যৰ পাৰিজাত', 'ৰামায়ণৰ বহুৰবা', 'মাণিকিমধুৰী', 'অঙ্কীয়া নাটৰ সাধু', 'নবাব জাতক', 'কণুক-জুমুক', 'হাঁহি-চম্পা' আদি পুথিকেইখনে অসমীয়া শিশু-সাহিত্যৰ অভাৱ বহুখিনি পূৰণ কৰিছে। সাহিত্যসভাৰ ভাষণাৱলীৰ সম্পাদন আন এটা উল্লেখযোগ্য কীৰ্ত্তি। 'উছৰৰ ভোগজৰা' আৰু অসমৰ ৰঙ্গমঞ্চ সম্পৰ্কীয় দুখন পুথিৰ সম্পাদনৰ কাম হাতত

লৈছে ।

১৯৪৪ চনত কলিকতাৰ পৰা এম-এ পাছ কৰি বৰ্ত্তমান কটন কলেজ আৰু ওপৰঞ্চিভাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপনা কৰি আছে। শ্বিলং, যোৰহাট, গুৱাহাটীত বহা অসম সাহিত্যসভাৰ বছেৰেকীয়া অধিবেশনত একেৰাহে তিনি বছৰ প্ৰধান সম্পাদক আৰু পিছত একেলেঠাৰিয়ে দুবছৰ উপ-সভাপতি হয়। তাৰ পিছত এইবাৰ নগাওঁ অধিবেশনলৈ সভাপতি নিৰ্ব্বাচিত হৈছে। উৰিয়া গাৱঁৰ সুপ্ৰসিদ্ধ হাজৰিকা পৰিয়ালত জন্ম। জন্মচন ১৯০৬।

অৰুণচন্দ্ৰ বৰুৱা : ফুলগুৰিৰ এজন উদীয়মান সাহিত্যসেৱী। স্কুলীয়া আলোচনী 'জ্ঞানোদয়'ত 'স্বদেশ মুক্তিকামী' নামৰ প্ৰথম কবিতা প্ৰকাশ হয়। 'দীপক', 'অসম বাণী', 'অঙ্কুৰ', 'উদয়ন', 'বাইজৰ বতৰা' আদি কাকতত কবিতাদি প্ৰকাশ হৈছে। সদৌ অসম হাইস্কুলৰ কবিতা প্ৰতিযোগিতাত দুবাৰকৈ কপ লাভ কৰিছে। 'স্বপ্নসৌধ' নামৰ উপন্যাস অপ্ৰকাশিত অৱস্থাত। জন্ম ১৯৩৭ চনত।

অমূল্য বাৰু : ১৯৫৪ চনৰ 'নগাওঁ কলেজ আলোচনী' সম্পাদনাকৰোঁতা নাথৰ 'অৰুণ', 'ডচনিয়ান', 'নগাওঁ কলেজ আলোচনী', 'বিহলঙনি' আদিত কবিতা, প্ৰবন্ধ আৰু

অনুবাদ-গল্প প্ৰকাশ হৈছে। ‘নেলাগে বচিব তুমি শোকৰ কবিতা’ আদি কবিতা, ‘অস্বীয়া নাট’ আদি প্ৰবন্ধ, ‘প্ৰতিশোধ’ ‘বুঢ়ীআই’, ‘কিমকৰ্তব্যম্’ আদি অনুবাদ-গল্প উল্লেখযোগ্য। হাতে-লিখা অৰস্থাত গান, কবিতা, প্ৰবন্ধাদি আছে। জন্ম ১৯৩৪ চনত।

অমিয়চৰণ গোহাঁই : ‘ৰামধেনু’ আদি আলোচনীত গোহাঁইৰ কবিতা, অনুবাদ-নাটকাদি প্ৰকাশ হৈছে। ‘চ’তে গৈয়ে গৈয়ে’, ‘অটোগ্ৰাফ : অচলা চলিহাৰ’ আদি কবিতা আৰু জা পল সাত্ৰেৰ ‘Muis Clos’ৰ অসমীয়া ভাঙনি ‘বন্ধ দুৱাৰ’ (নাটিকা) উল্লেখযোগ্য। ‘চ’তে গৈয়ে গৈয়ে’ কবিতাটিয়ে ভাৰতীয় কবিতাসঙ্কলনত ঠাই পাইছে আৰু হিন্দীলৈ অনূদিত হৈছে। ‘কুঁহিকোমল’আদি নাটিকা কেইখনমান অনাতাঁৰৰ যোগেদি প্ৰচাৰিত হৈছে।

অৱনী বৰা : নগাওঁ গৱৰ্ণমেণ্ট হাইস্কুলৰ ক্লাচ ফাইভত পঢ়ি থাকোঁতেই ‘দৈনিক অসমীয়া’ৰ ‘অকণিৰ চ’ৰা’ত ‘আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়’ শীৰ্ষক জীৱনীৰে লিখকৰ সাহিত্য জীৱন আৰম্ভ হয় আৰু ১৯৫০ চনত কবিতাপুথি ‘ধূলি’ প্ৰকাশ হৈ ওলায়। ১৯৫৩ চনৰ ‘নগাওঁ কলেজ আলোচনী’ আৰু ‘নবোদয়’ নামৰ সাহিত্য-সংগ্ৰহ এখনিৰ সম্পাদনা কৰে। ‘আৱাহন’, ‘ৰামধেনু’, ‘জয়ন্তী’, ‘সুৰভি’, ‘অমৰ’ ‘সাঁথাৰ

'জ্যোতি', 'বৰদৈচিলা', 'মিনাৰ', 'জাগৃতি', 'ইনচাফ', 'যুগৰ পথত', 'দীপাৱলী', 'বিহুৱান', 'পূজাৰী', 'কাচিজোন', 'বিহলঙনি', 'নবোদয়', 'নগাওঁ কলেজ আলোচনী' 'অখণ্ড ভাৰত', স্বাস্থ্য-প্ৰদীপ'. 'শান্তিদূত', 'ৰাইজ', 'গঠন', 'প্ৰজাশক্তি', 'মোৰ দেশ', 'জন্মভূমি', 'নতুন অসমীয়া', 'অসম বাণী', ত্ৰিধাৰা', 'সমাজ'কে আদি কৰি আজি বাৰ বছৰমানৰ ভিতৰত প্ৰকাশ পোৱা বৰ্ত্তমান মৃত আৰু জীৱিত প্ৰায় সকলোবোৰ আলোচনী আৰু বাতৰিকাকতত লিখকৰ নিজ নামত আৰু ছদ্মনামত সাহিত্য, সঙ্গীত, দৰ্শন, ধৰ্ম, মনোবিজ্ঞান, সমাজ-তত্ত্ব আৰু স্বাস্থ্যতত্ত্ব সম্পৰ্কীয় ছকুৰিৰো ওপৰ আলোচনা-সমালোচনামূলক প্ৰবন্ধ, একুৰি চুটিগল্প, একুৰি কবিতা আৰু পাঁচখনমান ব্যঙ্গৰচনা প্ৰকাশ হৈ গৈছে। 'প্লেটো আৰু পাশ্চাত্য কাব্যসিদ্ধান্ত', 'সংস্কৃত সাহিত্যত গীতি-কাব্যৰ পৰম্পৰা' [ৰামধেনু], 'সূফী সাধনা', 'ভক্ত কৱি ৰৈদাস' [সৌমাৰ-জ্যোতি], 'নব্যমনোবিজ্ঞানৰ পটভূমিত ফ্ৰয়েড' [যুগৰ পথত], 'তামিল সাহিত্যৰ যুগ-প্ৰবৰ্ত্তক কবিজন' [দীপাৱলী], 'যুগৰ বুকুত পুৰুষ আৰু নাৰী', গান্ধীবাদৰ ৰাজনৈতিক অনুপযোগিতা [বিহলঙনি], 'ভাৰতীয় সংস্কৃতি আৰু তাৰ মূলমন্ত্ৰ', 'জুলিয়ন হাক্সলে আৰু তেওঁৰ চিন্তাধাৰা', 'জাপানী কবি নোগুচি', 'সত্যসাধকৰ স্বপ্ন' [ৰাইজ], 'পৰিয়ালৰ-বৈজ্ঞানিক ৰূপৰেখা', 'সংস্কৃতি আৰু ইতিহাস [শান্তিদূত],' 'গীতি-কাব্য, [নতুন অসমীয়া], 'দীপান্বিতা: সাংস্কৃতিক

মহোৎসৱ', 'ধৰ্ম্ম, দৰ্শন আৰু জীৱন' [অসমবাণী] আদি প্ৰবন্ধই প্ৰধান। 'প্ৰেমচন্দ', 'ছায়াবাদ' [ৰামধেনু], হিন্দী সাহিত্যৰ কাব্যগঙ্গাৰ দুধাৰা, 'হিন্দী মহাকাব্যৰ পৰম্পৰা, 'হিন্দী সাহিত্যত কি আছে' [অসমবাণী], হিন্দী সাহিত্যত গীতি-কাব্যৰ এচেৰেঙা পোহৰ' [বিহুলঙনি], 'হিন্দী সাহিত্যৰ কাব্য-ফুলনিত মধুকৰৰ গুঞ্জন' [ৰাতবি কাকতৰ দ্বাৰা 'গবেষণামূলক' প্ৰবন্ধ ৰূপে স্বীকৃত] হিন্দী সাহিত্যৰ ফুলনি ভৰাৰ দুজন নিপুণ মালী [নগাওঁ কলেজ আলোচনী] আদি হিন্দী সাহিত্য সম্পৰ্কীয় ভালেমান প্ৰবন্ধও বিভিন্ন কাকতত ওলাই গৈছে। প্ৰকাশিত গল্পৰ ভিতৰত 'ফ্ৰয়ডভক্ত' [ৰামধেনু], 'পুৰণি প্ৰীতি আৰু নতুন মোহ [জয়ন্তী], 'শেৱালিয়ে দুৰৰিৰ দুখ বুজে [সমাজ], 'মৰমে হাঁহে, মৰমে কান্দে' [নৱোদয়], 'ফুল বেছিয়া মৰহে', 'তুমি যাবা তোমাৰ বাটেদি' [নগাওঁ কলেজ আলোচনী]; 'লতাকৰৰী' [বিশ্ববিদ্যালয় আলোচনী], অন্ত-চেতনাৰ অপৰাধ [শান্তিদূত] 'কোনেও নেদেখা কোনেও নুবুজা ছবিখন' [বাইজ] আদি উল্লেখযোগ্য। হিন্দী আলোচনীতো কবিতা প্ৰবন্ধাদি প্ৰকাশ হৈছে। অনাতাঁৰৰ যোগেদি ভালেমান গীত প্ৰচাৰিত হৈছে। যুগযাত্ৰী [কবিতা], গুঞ্জন [গীত], 'লতাকৰৰী' [গল্প] 'আকাশৰ তৰা পৃথিৱীৰ ফুল [উপন্যাস], সাহিত্য-চিন্তা [সাহিত্য তত্ত্ববিষয়ক] 'মন্থন' [জীৱন-জগতৰ আলোচনা] আদি কেইবাখনো পুথি

হাতে-লিখা অৱস্থাত। জন্ম ১৯৩১ চনত।

অভিৰাম ভুঞা : 'বঙালি গীত', 'পোহৰ আগই' আদি পুথিৰ সংগ্ৰাহক আৰু সম্পাদক ভুঞাদেৱৰ সম্পাদনাত 'অসমা' নামৰ মাহেকীয়া আলোচনী এখনো ছবঁছৰমান ওলাইছিল।

৺আনন্দৰাম ঢেকিয়ালফুকন : মাতৃভাষা অসমীয়া উদ্ধাৰৰ অৰ্থে মিশ্যনেৰীসকলৰ মহৎ আন্দোলনত দেহে-কেহে যোগ দিয়া প্ৰথম অসমীয়া পুৰুষজনেই হৈছে আনন্দৰাম ঢেকিয়ালফুকন। শিৱসাগৰ বেপটিষ্ট মিশ্যন প্ৰেছৰ পৰা ইংৰাজীত ফুকনৰ 'অসমীয়া ভাষা সম্পৰ্কে কেইটিমান মন্তব্য' নামৰ এখন পুথি ওলায়। আকাৰত সৰু হলেও অসমীয়া ভাষাৰ মৌলিকতা প্ৰতিপন্ন কৰাত ই এখন বিশেষ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ। এই গ্ৰন্থত ফুকনৰ দেশপ্ৰেম আৰু জাতীয় প্ৰীতি জিলিকি আছে, আৰু স্বতন্ত্ৰ ভাষাৰূপে অসমীয়াৰ দাবী কি কি প্ৰমাণৰ ওপৰত প্ৰতিপন্ন হব পাৰে, তালৈকে ফুটি ওলাইছে। ফুকনে বৰ্ত্তমান আখৰ জোটনিৰ ৰীতিৰে ইংৰাজী - অসমীয়া আৰু অসমীয়া - ইংৰাজী দুখন অভিধান যুগুত কৰিছিল ; তেখেতৰ অকাল মৃত্যুৰ বাবে সি পোহ-ৰৰ মুখ দেখিবলৈ নেপালে।

আনন্দৰাম ঢেকিয়াল ফুকন বৰ্ত্তমান অসমীয়া গদ্যৰ প্ৰথম প্ৰবৰ্ত্তকেই নহয়, বৰ্ত্তমান অসমীয়া ভাষাৰ আদি অৱস্থাৰ অনেক অপায়-অমঙ্গলৰ বিৰুদ্ধে যুজা প্ৰথম যোদ্ধাও। পঢ়াশলীয়া পাঠ্যপুথি আৰু অসমীয়া ভাষা সম্পৰ্কীয় টোকা খিনিৰ বাহিৰে গ্ৰন্থাকাৰে আঙুলিয়াই দিবলৈ অৱশ্যে ফুকনৰ সাহিত্যসম্বল বিশেষ নাই; কিন্তু খৃষ্টীয় অসমীয়া সাহিত্যৰ বাহিৰমেৰত সিচৰিত হৈ পৰা লিখকসকলৰ ব্যক্তিত্ব, প্ৰতিভা আৰু শক্তিক একত্ৰিত কৰি অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূত্ৰপাতকৰোঁতা ফুকনদেৱৰ সাহিত্যপ্ৰচেষ্টাৰ ঐতিহাসিক মূল্য নিশ্চয় স্থায়ী আৰু মহত্ত্বপূৰ্ণ। ক্ৰমে খাতা পৰগণাৰ জিম্মাদাৰ, বিজনী ৰজাৰ দেৱান; বৰপেটাৰ এচিষ্টেণ্ট কমিচনাৰ পদত নিযুক্ত হোৱা ফুকনদেৱৰ ১৮২৯ চনত গুৱাহাটীত জন্ম, মৃত্যু ১৮৫৯ চনত নগাঁৱত।

৺আত্মাৰাম শৰ্ম্মা: বাইবেলৰ অসমীয়া ভাঙনি কৰোঁতা। শ্ৰীৰামপুৰৰ পৰা আমেৰিকান মিশ্যনেৰীসকলে এইজন অনুবাদকৰ হতুৱাই বাইবেলৰ অসমীয়া অনুবাদ ছপাই প্ৰকাশ কৰিছিল। ঘৰ কলিয়াবৰত।

আনন্দৰাম ভট্টাচাৰ্য্য: 'বিষ্ণুৰ সহস্ৰ নাম' পুথি সম্পাদনা কৰিছে। অসম সাহিত্য সভাৰ পত্ৰিকাত জ্যোতিষ বিষয়ক প্ৰবন্ধ আৰু হাওৰাৰ পৰা প্ৰচাৰিত 'ভক্তি' নাম

বঙলা কাকতত কবিতা প্ৰবন্ধাদি প্ৰকাশ হৈছিল। ১৭৮৮ শকাব্দত জন্ম

আব্দুল গফুৰ: যোৰহাট প্ৰশিক্ষণ বিদ্যালয়ৰ আলোচনী 'প্ৰভাত'ত শিক্ষামূলক আৰু ছাত্ৰোপযোগী ভালেমান প্ৰবন্ধ প্ৰকাশ পাইছিল। স্বৰ্গীয় ডক্টৰ মফিজুল ইছলাম বৰাদেৱৰ এটি চমু জীৱনীও উক্ত আলোচনীত প্ৰকাশ হয়। এখেতৰ লিখাৰ প্ৰধান বিষয়-বস্তু হৈছে শিক্ষা আৰু ছাত্ৰ। বৰ্ত্তমান নগাওঁ ডচন হাইস্কুলৰ প্ৰধান শিক্ষকতাৰ পদত অধিষ্ঠিত। জন্ম পুৰণিগুদামত ১৮৯৯ চনত।

আতাউৰ ৰহমান: সাময়িক কাকতত সময়ে সময়ে কবিতা আৰু প্ৰবন্ধ লিখি সাহিত্যচৰ্চ্চাৰ চিনাকি দিছে। 'বামধেনু' 'আৱাহন' 'ৰবদৈচিলা' 'দীপাৱলী' 'ইনচাক' 'পায়গাম' 'নতুন অসমীয়া' 'বাইজ' আদিত ভালেমান কবিতা, প্ৰবন্ধ প্ৰকাশ হৈছে। 'ভালপোৱাৰ গল্প' [বামধেনু] 'বিহু মাথোঁ জীৱনৰ আশা' [ইনচাক] আদি কবিতা, 'সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ দৰ্শন' [দীপাৱলী] 'সাগৰ পাৰৰ বিখ্যাত কবি চেক্সপিয়েৰ' [বাইজ] আদি প্ৰবন্ধ উল্লেখযোগ্য। হাতে লিখা অৱস্থাত 'মোগল-কন্যা নামৰ এখন নাটিকা, তিনিখন কবিতা পুথি আৰু দুটি গল্প-সংগ্ৰহ আছে। ১৯৫০ চনত আলিগড় বিশ্ববিদ্যালয়ৰ পৰা এম, এ আৰু ল' পাছ কৰি

বৰ্ত্তমান ওকালতি কৰি আছে।

আব্দুল মতিন : পুৰণিগুদামৰ এইজন ডেকা সাহিত্যসেৱীয়ে ১৮৬১ শকৰ ৩০ আঘোণ সংখ্যা 'জয়ন্তী'ত 'শূন্যহিয়া' নামেৰে চুটি গল্প প্ৰকাশ কৰি বাইজৰ আগলৈ ওলায়। ক্ৰমান্বয়ে 'তায়ো এজনী নতুন ছোৱালী' [জগন্নাথ বৰুৱা কলেজ আলোচনী], 'শক্তিকাৰ দাবী' [সেউজীয়া], 'ৰুবাইয়াতৰ' অনুবাদ, 'স্মৃতিৰ পূজা' [সংগ্ৰাম] আদি কেইটাও কবিতা, গল্প, প্ৰবন্ধ প্ৰকাশ হয়। 'জোৱাৰ' আৰু 'ইনচাফ'ত ওলোৱা 'শেলী' আৰু 'ইলিয়ট'ৰ কাব্যালোচনা দুটা উল্লেখযোগ্য প্ৰবন্ধ। 'পায়গাম', 'আবাহন', 'নগাওঁ কলেজ আলোচনী', 'নতুন অসমীয়া'তো ৰচনা প্ৰকাশ হৈছে। জন্ম ১৯২৫ চনত।

আৰজিনা কেনৱাৰ : "প্ৰাথমিক শিশু-মনোবিজ্ঞান' আদি কেইখনো পুথি ৰচনা কৰিছে। বৰ্ত্তমান নগাওঁ মিছন ট্ৰেইনিং স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী।

আবুবকৰ চিদ্দিক : 'নামাজৰ সৌন্দৰ্য্য'ৰ লিখক। ঘৰ তেজপুৰহিত।

আকাজুদ্দিন আহমদ : 'ছায়ী কোন', 'উৰশীয়া

মন' আৰু 'ই কি 'কল্পনা'— তিনিখন প্ৰকাশিত উপন্যাস লিখকৰ সাহিত্যসেৱাৰ চানেকী। ঘৰ ভেলাহিত। জন্ম ১৯৩২ চনত।

আব্দুল কুদ্দুচ : 'হৃদয়-মৰু'ৰ ৰচয়িতা। ঘৰ আলিটাঙনিত।

৺ইন্দ্ৰ বৰা : অকালতে কাল-পছোৱাই কাঢ়ি নৈ যোৱা এইজন তৰুণ সাহিত্যসেৱীৰ সম্ভাৱনাৰ বীজ পৰিস্ফুট হবলৈ সুবিধা নেপালেও, 'আৱাহন'ত প্ৰকাশিত 'অবিচাৰ' আৰু 'অসমাপ্ত' নামৰ গল্প দুটিত আৰু 'বিংশ শতাব্দী' নামৰ নাটিকাখনিত সাহিত্য-প্ৰতিভাৰ পোহৰ ভিলিকি আছে। যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত এবছৰ পঢ়ি যোৰহাট জগন্নাথ বৰুৱা কলেজত নাম লগায়। আই-এৰ বাছনী পৰীক্ষা দিয়াৰ অলপ পিছতে দুদিনীয়া অসুখত মৃত্যুমুখত পৰে। শিশু-উপন্যাস এখনি অসমাপ্ত অৱস্থাতে ৰল। জন্ম ১৯২১ চনত।

ইউচুফ হাজৰিকা : পুৰণিগুদামৰ এজন উঠি অহা গীতিকাৰ আৰু সাহিত্যসেৱী। গীতিকাৰ হাজৰিকাই স্বাধীন ব্যৱসায়ৰ মাজেদি সাংসাৰিক জীৱন লৈ ব্যস্ত থাকিও

অসমীয়া সঙ্গীতশিল্পীসকলৈ 'সুতুলি' আগবঢ়াইছে। 'বুকুৰ বীণা' নামৰ গীতি-কবিতাপুথি প্ৰকাশৰ পথত। 'সুৰৰ সভা' আৰু 'আজিৰ মানৱসংস্কাৰ' যুগুত কৰি থোৱা আছে। কেইবাখনো মাহেকীয়া কাকতত কবিতা প্ৰকাশ হৈছে। বৰ্ত্তমান ভাৰত গৱৰ্ণমেণ্টৰ জাতীয় পৰিকল্পনাৰ সঞ্চয় সংস্থাৰ ক্ষমতা-প্ৰাপ্ত এজেণ্টৰূপে জীৱিকা নিৰ্ব্বাহ কৰিছে। জন্ম ১৯২৩ চনত।

ইকবাল কৌৰ : 'জপ্‌জী সাহিব' আৰু 'সায়ংসন্ধ্যা'ৰ অনুবাদিকা। অসমীয়া ভাষাত শিখ ধৰ্ম সম্বন্ধীয় এনেধৰণৰ আলোচনা আৰু অনুবাদৰ এক সুকীয়া মূল্য আছে। বাতৰি কাকতত লিখিকাৰ দুটা এটা প্ৰবন্ধও ওলাইছে।

ইদুল ছুহেইন : 'আই-ভি-এচ' সামাজিক নাটকৰ লিখক। নগাঁও কহিনুৰ ক্লাবৰ সৌজন্যত নাটকখনি মঞ্চস্থ হয়। 'কোনেনো পৰশ বুলাই' (উপন্যাস) আৰু 'জ্বালামুখী' (চুটি গল্প) প্ৰকাশৰ পথত। জন্ম ১৯৩৮ চনত।

ঈশ্বৰ মহন্ত : 'মৰহি যোৱা কহুৱা ফুল' আৰু 'হাতৰ বন ঘৰৰ ধন'ৰ ৰচয়িতা মহন্তৰ ঘৰ বহাত। 'কহুৱা ফুল' এখন করুণৰস মিশ্ৰিত সামাজিক উপন্যাস। পতিতাৰ মৰ্মব্যথাৰ প্ৰতি লিখকৰ সহানুভূতি লক্ষ্য কৰিবলগীয়া।

'তুষাৰ নদী' নামৰ সামাজিক উপন্যাস প্ৰকাশৰ পথত। জন্ম ১৯৩৩ চনত।

উষা বৰঠাকুৰ: 'বাপুজীৰ আত্মকথা'ৰ ৰচয়িত্ৰী বৰঠাকুৰৰ সাময়িক কাকতত প্ৰবন্ধাদি প্ৰকাশ পাইছে। 'ভনী কমলা', 'আদৰ্শ গৃহিনী' আদি পুথি হাতে-লিখা অৱস্থাত। বৰ্ত্তমান নগাওঁ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী।

ওৱাহেদা হুছেইন: 'নতুন অসমীয়া', 'ইনচাফ', নগাওঁ কলেজ আলোচনী' আদিত গল্প প্ৰবন্ধ লিখি সাহিত্যনিষ্ঠা দেখুৱাইছে। বৰ্ত্তমান নগাওঁ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী।

৺কমলানন্দ ভট্টাচাৰ্য্য: অসমীয়া সংস্কৃতি-ফুলনিৰ নিপুণ মালী কমলানন্দৰ অৱদানৰ অৰ্ঘ্য দেৱপূজাৰ নিৰ্ম্মালিৰ দৰেই পবিত্ৰ আৰু অনুপম। কমলানন্দ আছিল একাধাৰে কবি, গায়ক, নাট্যকাৰ, সঙ্গীতজ্ঞ, আৰু সাহিত্যিক। তেখেতৰ মৃত্যুত অসমীয়া সাহিত্য-সংস্কৃতি আৰু নাটঘৰত এজন প্ৰতিভাসম্পন্ন কলাবিদৰ আসন উদং হৈ ৰল। সেই আসন অপূৰণীয়।

কমলানন্দই মুঠেই ৫৭ বছৰতে আয়ুস পালে, ইয়াৰ ভিতৰতে তেখেতে মনোহৰ গীতৰ পুথি 'বাউলী, নাট' 'নগা-কোঁৱৰ', 'অৱসান' আৰু 'বিয়াল্লিছৰ শ্বহিদ' লিখি, তাকো আকৌ নিজে প্ৰকাশ কৰি মাতৃ-ভাষাৰ কণ্ঠত অপূৰ্ব্ব অলঙ্কাৰ পিন্ধাই থৈ গৈছে। 'মহাত্মাগান্ধীৰ প্ৰবৰ্ত্তিত ৰাজনৈতিক ধুমুহাই জলা-কলা নকৰা হলে, অকালতে কাণ-সমনীয়া ভাতৃৰ মৃত্যুৱে উৎসাহ আকাঙ্খাৰ ৰাউসী ছুটা খহাই নেপেলোৱা হলে, চৰকাৰৰ প্ৰতিশ্ৰুত শাস্তিবাৰি পোৱাৰ পৰা বঞ্চিত নোহোৱা হলে হয়তো কমলানন্দৰ কাপৰ পৰা আমি আৰু অনেক বহুমূলীয়া বস্তু পালোহেঁতেন, তথাপি এই নানান বিপৰ্য্যয়ৰ মাজতো অবিচলিত ভাবে থাকি, ঢৌতে খৰ মাৰি কমলানন্দই যিখিনি সাহিত্য-সম্ভাৰ আমাক দি থৈ গল, তাক দুৰ্জ্জয় মনোবল আৰু অটুট প্ৰেৰণাৰ নিদৰ্শন বুলি নকৈ নোৱাৰি। কমলানন্দ আজি আমাৰ মাজত শৰীৰী ৰূপত নেথাকিলেও, 'বাউলী'ৰ 'বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ পাতত তিৰেবিৰাই পানী' গীতটোৱে তেখেতৰ কীৰ্ত্তি সোঁৱৰাই আছে। চিকাৰী, অভিনেতা, যন্ত্ৰ-শিল্পী খেলুৱৈ, সু-কবি কমলানন্দৰ শেষগীত "অকলশৰে ব'ল বলিয়া অকলশৰে ব'ল...লগ ছেৰা ভোৰ বুকু ভাঙি কান্দি জীৱন গল।" নিভাজ অথচ তীব্ৰ ভাব প্ৰকাশক ভাষা তেখেতৰ শিৰোমনৰ সূক্ষ্ম ভাবৰ একোটা নিমজ টুকুৰা। সেই কাৰণেই তেখেতৰ গীতে পাঠক শ্ৰোতাৰ অন্তৰত সহজে ঠাই লয়গৈ।

১৯১১ চনত মেট্ৰিক, ১৯১৪ত কটনত এফ. এ আৰু অৱস্থাৰ কাৰণে কলিকতাত বি, এ নিদিয়াকৈ উভতি আহি চৰকাৰী স্কুলত আৰম্ভ কৰা শিক্ষকতা ১৯২১ চনৰ আন্দোলনত ত্যাগ কৰে। তাৰ বহু পিছত ঘৰৰ পৰাই বি, এল পৰীক্ষা পাছ কৰি নগাওঁ বাৰত ব্যৱসায় আৰম্ভ কৰে। জন্ম— ১৮৯৪, ২ জুন, মৃত্যু— ১৯৫১, ৪ জানু-ৱাৰী।

কনকচন্দ্ৰ শৰ্মা : জাগুৰিৰ কনকচন্দ্ৰ শৰ্মা কাব্য-তীৰ্থ এজন চিন্তাশীল লেখক। নগাৱৰ যি কেইজন নিষ্ঠা-বান সাহিত্যসেৱীয়ে আধ্যাত্মিক তত্ত্ব সম্পৰ্কীয় সাহিত্য ৰচ-নাত মনোনিৱেশ কৰিছে, শৰ্মাদেৱ সেইসকলৰ এজন। ঈশ-মুণ্ডকোপনিষদৰ অসমীয়া ভাঙনি আৰু 'গান্ধীচৰিত' প্ৰকাশিত পুথি। 'ঈশমুণ্ডকোপনিষদ'ৰ 'ভূমিকা'ত কৰা বিভিন্ন শাস্ত্ৰ সম্পৰ্কীয় দীঘলীয়া আলোচনাখিনি গভীৰ আৰু মননযোগ্য। 'গান্ধীচৰিত'ত মহাত্মাগান্ধীৰ জীৱনীৰ অংশ বিশেষক ৰাজনৈতিক সাহিত্যৰ গঢ় দি সৰ্ব্বসাধা-ৰণৰ হৃদয়গ্ৰাহী কৰিবলৈ চেষ্টা কৰা হৈছে। মাধৱকন্দলী বিৰচিত 'সাতকাণ্ড ৰামায়ণ'ৰ সম্পাদনা আন এটা উল্লেখ-যোগ্য সাহিত্যসেৱা। 'বৃত্তী' নামৰ এখন গ্ৰন্থ প্ৰকাশৰ পথত।

করুণাভিৰাম বৰুৱা : 'লহা-বন্ধু'ৰ সম্পাদনা কৰিছিল। গুণাভিৰাম বৰুৱাদেৱৰ পুত্ৰ।

কেশৱকান্ত বৰুৱা : 'জয়ন্তী' আৰু 'অখণ্ড ভাৰত' কাকতৰ সম্পাদনা কৰিছিল।

কমলাকান্ত শইকীয়া : 'ভাৰত বুৰঞ্জী', 'অসম বুৰঞ্জী', আদিপুথি আগছোৱা, মাজছোৱাৰ লিখক।

কৃষ্ণানন্দ ভট্টাচাৰ্য্য : 'মগধীৰৰ আজান' নামৰ বিখ্যাত নাটকৰ এজন লিখক।

কৃষ্ণদাস বৰুৱা : সাময়িক কাকতত কেইবাটাও মনোবিজ্ঞানমূলক প্ৰবন্ধ লিখিছে। 'শিশুৰ বিকাশত খেল-ধেমালি' [বংঘৰ], 'ব্যক্তিত্ব বিকাশত বংশানুক্ৰম' [উদয়াচল], 'নিৰ্জ্জান মন' [নতুন অসমীয়া] আদি প্ৰবন্ধ উল্লেখযোগ্য। শিশু-মনস্তত্ত্ব সম্পৰ্কীয় পুথি এখন হাতে-লিখা অৱস্থাত আছে।

কৃষ্ণকান্ত হাজৰিকা : 'আৱাহন' আদি আলোচনীৰ পাঠকসকলৰ ওচৰত হাজৰিকা অপৰিচিত নহয়। 'ষ্টেটোস্ফিয়াৰ অভিযান', 'গ্ৰহমণ্ডলী আৰু প্ৰাণীজগত', 'গ্ৰহণ আৰু পৃথিৱীত থকা মানুহৰ ওপৰত তাৰ প্ৰভাৱ' আদি বিজ্ঞান-

মূলক প্ৰবন্ধৰে হাজৰিকাই অসমীয়া সাহিত্য-ভঁৰাললৈ বৰঙণি যোগাইছে।

কমলকান্ত হাজৰিকা : সাময়িক পত্ৰিকাত কবিতাদি লিখি সাহিত্যানুৰাগৰ চিনাকি দিয়া হাজৰিকা 'মুক্তি' নামৰ আলোচনীৰ সম্পাদক। ঘৰ বহাত।

কৃষ্ণানন্দ গোস্বামী : 'অঙ্কুৰ' প্ৰকাশিত পুথি। ঘৰ জাজৰিত।

কেশৱানন্দদেৱ গোস্বামী : তাহানিৰ 'অসমীয়া' কাকতৰ 'অকমানিৰ চ'ৰাত' 'আমি অকণিৰ দল' নামৰ লিখকৰ প্ৰথম কবিতা প্ৰকাশ হয় ১৯৪৬ চনত। ১৯৫২ চনৰ আগভাগত 'কুমাৰনন্দি' নাম লৈ লিখা 'চিত্ৰলেখা' নামৰ কবিতা পুথিখনে সুধীসমাজৰ দৃষ্টি আকৰ্ষণ কৰে। 'ভ্ৰমৰ' 'লখিমী', 'বিহুলঙনি', 'ৰাইজ', 'জন্মভূমি', 'নতুন অসমীয়া', 'শান্তিদূত' আদি কাকতত গল্প, প্ৰবন্ধ, কবিতা প্ৰকাশ হৈছে। অনাতাঁৰৰ যোগেদি ভালেমান গীত প্ৰচাৰিত হৈছে। ১৯৫৫ চনত নগাওঁ কলেজ আলোচনী'ৰ সম্পাদনা কৰে। বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয় অধ্যয়ন কৰি আছে। ১৩৩০ চনত বৰদোৱা, বালি-সত্ৰত জন্ম।

কৃষ্ণমোহন শৰ্ম্মা : ন-পুৰনি আলোচনীৰ পাতত এইজন লিখকৰ কবিতা মাজে সময়ে প্ৰকাশ হৈ থাকে। 'তুমি মোৰ হবা দেই চিৰলগৰীয়া' [সোমাৰজ্যোতি] 'জাতিৰ জনক বাপুজী' [ভ্ৰমৰ] আদি কবিতা উল্লেখযোগ্য। ঘৰ ফুলগুৰিত।

কমলেশ্বৰ গোহাঁই : "পুষ্পাঞ্জলি" নামৰ কবিতা পুথি এখন প্ৰকাশ হৈ ওলাইছে। 'জীৱন নৈৰ মাজুলী' নামৰ উপন্যাস এখন যন্ত্ৰস্থ। 'এৰা বাত্তিৰ সপোন' হাতে-লিখা অৱস্থাত। বৰ্ত্তমান নগাওঁ কলেজৰ ছাত্ৰ। কামপুৰৰ উত্তৰচাংচকীত ১৯৩৮ চনত জন্ম।

কমলেশ্বৰ বৰুৱা : 'সুৰলহৰী'ৰ ৰচয়িতা। ঘৰ জাগীত।

৺গুণাভিৰাম বৰুৱা : ছাত্ৰাৱস্থাৰে পৰাই সাহিত্যানুৰাগী গুণাভিৰাম বৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান নিচেই তাকৰীয়া নহয়। প্ৰথম অসমীয়া বাতৰিকাকত 'অৰুণোদয়'ৰ পৃষ্ঠপোষকসকলৰ গুণাভিৰাম এজন। 'আনন্দ ৰাম ঢেকিয়ালফুকনৰ জীৱন চৰিত' আৰু 'আসাম বুৰঞ্জী'

গুণাভিৰামৰ যাউতিযুগীয়া সাহিত্যকীৰ্ত্তি। 'কৃষ্ণনৰ জীৱন চৰিত' লিখি গুণাভিৰামে অসমীয়া ভাষাত আধুনিক জীৱন চৰিতৰ পথ মুকলি কৰি দিয়ে। 'আসাম বুৰঞ্জী' প্ৰণয়ন কৰি বিজ্ঞানসন্মত প্ৰণালীৰে বুৰঞ্জীৰচনাৰ প্ৰথম আদৰ্শ দেখু-ৱায়। 'ৰামনৱমী' নামৰ ধেমেলীয়া সামাজিক নাটকখন আৰু 'কঠিন শব্দৰ ৰহস্যাব্যাখ্যা' নামৰ প্ৰবন্ধ সংগ্ৰহটোও অসমীয়া সাহিত্যৰ মূল্যবান সম্পত্তি। কলিকতাৰ পৰা 'আসাম বন্ধু' নামৰ মাহেকীয়া আলোচনী সম্পাদনা কৰি নতুন লিখক শ্ৰেণী গঢ়ি তুলিবলৈ বৰুৱাদেৱে কৰা চেষ্টাও মনত ৰাখিবলগীয়া। এই আলোচনীত ওলোৱা 'আসাম-অতীত আৰু বৰ্ত্তমান', 'জোনাকী'ত ওলোৱা 'সৌমাৰ ভ্ৰমণ', অসমত মানৰ শেহছোৱা', 'অলিখিত বুৰঞ্জী' আদি ঐতিহাসিক গবেষণামূলক প্ৰবন্ধই গুণাভিৰামৰ অধ্যয়ননিষ্ঠা আৰু পাণ্ডিত্যৰ পৰিচয় দি আছে। 'গুৰুদত্ত' ছদ্মনাম লৈ 'আদ্যাশক্তি স্তোত্ৰ', ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বৈকুণ্ঠ প্ৰয়াণত 'ভাৰত বিলাপ' আদি পদ্যও গুণাভিৰামেই লিখিছিল। পদ্মহাস গোস্বামীৰ 'পদ্যমালা'ত বৰুৱাদেৱৰ বহুখিনি কবিতাই ঠাই পাইছে। সহজ, সৰল, শক্তিশালী গদ্যৰ বাৰ্ত্তাবাহক গুণাভিৰামক আনন্দৰাম ঢেকিয়ালফুকনৰ পাছতে অসমীয়া ভাষাৰ এজন থাই উৎসাহদাতাৰূপে হেমচন্দ্ৰ বৰুৱাই তেওঁতৰ আত্মজীৱনীত স্বীকাৰ কৰি থৈ গৈছে। জন্ম ১৮৩৭, মৃত্যুচন ১৮৯৪।

গোপালচন্দ্ৰ ভূঞা : ইংৰাজী কবিতাৰ অসমীয়া ভাঙনিকৰোঁতা ভূঞাদেৱৰ ভালেমান মৌলিক কবিতাও সাময়িক কাকতত প্ৰকাশ পাইছিল।

গিৰিশচন্দ্ৰ বৰুৱা : সাংসাৰিক নানা আলৈ-আহুকালৰ মাজত ঢৌতে খৰ মাৰি সাময়িক কাকতত নানা বিষয়ৰ প্ৰবন্ধাদি লিখি অসমীয়া সাহিত্য-মন্দিৰলৈ উপচাৰ আগ-বঢ়াই থকা বৰুৱাদেৱ এজন নীৰৱ সাহিত্যিক। 'ৰামধেনু' 'জয়ন্তী', 'সুৰভি' আদি আলোচনীত বৰুৱাদেৱৰ ভালেমান প্ৰবন্ধ ওলাইছে।

গকুলচন্দ্ৰ গোস্বামী : অতিশয় দায়িত্বপূৰ্ণ কামত অধিষ্ঠিত হৈও, চেগা-চোৰোকাকৈ 'ৰামধেনু', 'সুৰভি', 'জয়ন্তী' আদি আলোচনীত প্ৰবন্ধাদি লিখি গোস্বামীদেৱে সাহিত্যসেৱা কৰিছে। 'বজ্ৰপাত'. 'কাগজ কৰা প্ৰণালী' [জয়ন্তী] 'দক্ষিণ ভাৰত ভ্ৰমণ' [সুৰভি], 'পণ্ডিতৰ অজ্ঞতা' [ৰামধেনু] আদি বহুতো প্ৰবন্ধ, গল্প আলোচনীৰ পাতত সিচৰতি হৈ আছে। 'শৰৎচন্দ্ৰ গোস্বামীৰ চমু জীৱনী' প্ৰকাশিত পুথি। ঘৰ কামপুৰত।

গোপীনাথ বৰদলৈ : জীৱনৰ সৰহছোৱা কাল শিক্ষকতা কৰি কটোৱা বৰদলৈদেৱৰ কাপৰ পৰা কেইখনো

সাকৰা পুথি ওলাইছে। সেইবোৰৰ ভিতৰত 'শ্ৰীমদ্ভাগৱত গীতা', চুতীয়া বুৰঞ্জী', শিখ ধৰ্ম আৰু গুৰুসকলৰ চমু জীৱনী', 'হাফিৰ জাউৰী', 'বিষালী মন্ত্ৰ' আদি পুথিয়েই প্ৰধান। 'শিখ ধৰ্ম আৰু গুৰুসকলৰ চমু জীৱনী' পুথিখনে আমাৰ সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিলে বুলিব লাগিব। নানকৰ পৰা গোবিন্দসিংহলৈকে আটাইকেইজন শিখ ধৰ্ম-গুৰুৰ জীৱনী এই পুথিত সহজ সৰল ভাষাত আলোচনা কৰা হৈছে ১৮৮২ চনত বঙা অঞ্চলৰ চৰাইবাহীত জন্ম।

গোপীনাথ শইকীয়া : 'প্ৰায়শ্চিত্ত', 'নৱযুগৰ আহ্বান' আদিৰ ৰচয়িতা। ঘৰ পুৰণিগুদামত।

গোপালৰাম বৰুৱা : 'তিলোত্তমাসম্ভৱ' কাব্য প্ৰকাশিত পুথি। ঘৰ শালনাত।

গিৰিকান্ত মহন্ত : 'শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মযাত্ৰা নাট' প্ৰকাশিত পুথি। ঘৰ কলিয়াবৰত।

গোপালচন্দ্ৰ বৰুৱা : 'স্বাস্থ্যৰক্ষা'ৰ লিখক। তেখেতৰ কেইবাখনো ধৰ্ম্মমূলক-পুথি লিখিত অৱস্থাতে আছে। ঘৰ কলিয়াবৰৰ বকৰাচুকত।

গোপাল বৰা : বৰাদেৱৰ হাতে- লিখা কেইবাখনো নাটক

ৰঙ্গ-মঞ্চত অভিনীত হৈছে। কলেজীয়া ছাত্ৰাৱস্থাত বৰাদেৱে 'মাহীআই' নামৰ এখন দুই অঙ্কীয়া প্ৰহসন আৰু পিছত 'ৰামচন্দ্ৰ', 'অজ্ঞাতবাস' আৰু 'সমাজ' নামৰ এখন সামাজিক নাট ৰচনা কৰিছে। ছাত্ৰাৱস্থাত মেধাৱী ছাত্ৰৰূপে পৰিচয় দিয়া নাট্যামোদী বৰাদেৱ বৰ্তমান ওকালতী-বৃত্তিজীৱি।

ঘনকান্ত গগৈ : 'গান্ধীকৃষ্ণ' আৰু 'সোণৰ নাঙল'ৰ ৰচয়িতা গগৈদেৱ এজন নীৰৱ চিন্তাশীল লেখক। সুজলা সুফলা শস্যশ্যামলা পৃথিৱীখনক আপোন কৰি লোৱা গগৈ-দেৱে 'গান্ধীকৃষ্ণ'ত অভিনৱ দৃষ্টিকোণৰপৰা শ্ৰীকৃষ্ণৰ কাৰ্য্যা-ৱলী পৰ্য্যালোচনা কৰি গান্ধীৰ লগত তুলনামূলক বিচাৰ দেখুৱাইছে। চিন্তাৰ গভীৰতাৰে উজ্জ্বল 'গান্ধীকৃষ্ণ' অসমীয়া সাহিত্যত এটি মূল্যবান সংযোজনা। 'ভূমিকম্প' উপন্যাস প্ৰকাশৰ পথত। অসম-মাতৃৰ কৃষক-সন্তান এই সাহিত্য-সেৱীজনৰ ঘৰ চামগুৰিত। জন্ম ১৯১২ চনত।

চন্দ্ৰকান্ত বৰকাকতী : 'অৰুণ', 'অকণ', 'গাঁৱলীয়া' 'আৱাহন' আদি আলোচনীত বৰকাকতীদেৱৰ সাধুকথা, চুটি গল্পাদি পাঠকে নিশ্চয় পাইছে। 'আৱাহন'ত প্ৰকাশিত 'গোলেনা', 'প্ৰায়শ্চিত্ত', 'চকুলো', 'আশীৰ্ব্বাদ', 'পতিতাৰ

মৰ্ম্মকথা, 'মৃত্যুপিপাসা', 'অন্ধপ্ৰেম', 'গৃহলক্ষ্মী' আদি গল্পই ৰককাকতীদেৱক কথা-সাহিত্যিকৰূপে চিনাকি দিছে। 'অঞ্জলি' নামৰ এখন প্ৰবন্ধসংগ্ৰহ আৰু 'প্ৰজাশক্তি', নামৰ সাপ্তাহিক কাকতৰ সম্পাদনা কৰিছিল। 'জানৰ সঁফুৰা' প্ৰকাশিত পুথি। 'শ্ৰীৰামচন্দ্ৰ' নামৰ এখন নাটক আৰু 'অসহযোগৰ স্মৃতি' নামৰ এখন পুথি অপ্ৰকাশিত অৱস্থাত। জন্ম আঠগাওঁ, চিগুত ১৯০৪ চনত।

চিৰাজুদ্দিন আহমদ : 'আৱাহন', 'জয়ন্তী', 'চেতনা', 'সাধনা', 'প্ৰচাৰক', 'অৰুণ' আদি আলোচনীৰ পাঠক-পাঠিকাসকলে আহমদ ডাঙৰীয়াৰ গল্পৰ কথা নিশ্চয় পাহৰা নাই। আহমদ ডাঙৰীয়াই ডিব্ৰুগড় মেডিকেল স্কুলৰ ছাত্ৰ হৈ থাকোঁতেই ১৯২০ চনৰপৰা চুটিগল্প লিখিবলৈ আৰম্ভ কৰে আৰু বিভিন্ন আলোচনীত তেখেতৰ ভালেমান চুটিগল্প প্ৰকাশ পায় 'অনাথ', 'ভালপোৱাৰ আহুতি', 'বন্যা', 'প্ৰায়শ্চিত্ত', 'মজিয়া', বুলবুল, আদি গল্প উল্লেখযোগ্য। গল্পসঙ্কলন 'তুফান' অপ্ৰকাশিত অৱস্থাত। বৰ্ত্তমানে ইণ্ডিয়ান নেশনেল ট্ৰেড ইউনিয়ন কংগ্ৰেছ আৰু চৰকাৰী বনুৱাবিভাগৰ উপদেষ্টা কমিটিৰ কেইবাটাও দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত। চাহবনুৱা সমস্যাসমূহত বিশেষ ভাবে জড়িত হৈও তেখেতে মাজে সময়ে বনুৱা সমস্যাৱলীৰ বিষয়ে বহুত আলোচনীত প্ৰবন্ধ লিখি আছে। ১৯০৮ চনত, পুব-

শিগুদামত জন্ম ।

চন্দ্ৰকান্ত ফুকন : তাহানিৰ ‘ মিলন’ আদি কাকতত কবিতা লিখি সাহিত্যানুৰাগৰ চিনাকি দিয়া ফুকনদেৱ এজন ওখ থাপৰ নাট্যশিল্পী । নগাওঁ নাট্যমঞ্চৰ গঠন আৰু উথ্থানত উল্লেখযোগ্য বৰঙনি যোগোৱা কলাবিদসকলৰ এজন ফুকনদেৱ ।

চালেহ হাজৰিকা : শাৰীৰিক অসুস্থতা আৰু অন্যান্য বিপৰ্য্যয়ত এইজন সাহিত্যসেৱীৰ কাপ আজি নিমাত হলেও এসময়ত ‘বাঁহী’ আদি আলোচনীত ‘নেপোলিয়ন আৰু ইছলাম’, ‘গান্ধী’: আনোৱাৰ পাছাৰ শেষ চিঠি’, ‘তুৰ্কী জাতি’ আদি ৰাজনৈতিক আৰু বুৰঞ্জীমূলক প্ৰবন্ধৰে সাহিত্য চৰ্চ্চা কৰিছিল । তুৰ্কী বাৰাঙ্গনা খালেদা খানামৰ লিখিত “The Daughter of Smarna”ৰ অসমীয়া অনুবাদ “স্মাৰ্ণা জীয়াৰী”, ‘কবি ইকবাল’, ‘কবি ৰবীন্দ্ৰনাথ’, ‘চৰদাৰে জাঁহান’ নামৰ কেইবাখনো পুথি হাতে-লিখা অৱস্থাত । ১৯০৪ চনত পুৰণিগুদামত জন্ম ।

ছামচুল হুদা : ‘হেৰোৱা দিন,’ ‘স্মৃতিৰ কণিকা’ ‘মৰমী প্ৰিয়া’, ‘ৰাজবিদ্ৰোহী’, ‘কস্তুৰী এজনী নেপালী ছোৱালী’ৰ ৰচয়িতা এজন উদীয়মান সাহিত্যসেৱী । গদ্যত কৈ

কবিতাত এওঁৰ প্ৰতিভা অধিক। এওঁৰ কবিতাত এটা দাৰ্শনিক সুৰ আৰু আধ্যাত্মিক অনুৰণন শুনিবলৈ পোৱা যায়। এসময়ৰ 'নতুন অসমীয়া' আৰু 'জনমভূমি'ৰ সংবাদদাতা। ছদ্মনামতো ৰচনা প্ৰকাশ পাইছে।

৺জ্ঞানদাভিৰাম বৰুৱা : বুৰঞ্জীবিদ, কথা-সাহিত্যিক গুণাভিৰাম বৰুৱাৰ সুযোগ্য পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাই পিতৃদেৱৰ প্ৰকৃত উত্তৰাধিকাৰীৰূপে চিনাকি দিব পাৰিছে। 'বিলাতৰ চিঠি', 'লেনিনৰ সাউদ', 'দদাইৰ পঞ্জা', 'পঞ্চৰত্ন' আৰু 'Folktales of Assam'. এই পাঁচখন গ্ৰন্থ জ্ঞানদাভিৰামৰ লিখনীৰ দান। বেজবৰুৱাৰ 'বাহঁী' ধাৰাবাহিক ভাবে প্ৰকাশ কৰা প্ৰবন্ধৰ সমষ্টিয়েই 'বিলাতৰ চিঠি। Folktales of Assam-ত অসমীয়া সাধুকথা কিছুমান ইংৰাজীলৈ অনুবাদ কৰি অসমীয়া ৰীতি-নীতিৰ বিষয়ে বিদেশীক জানিবলৈ সুবিধা দিছে। জ্ঞানদাভিৰামৰ গদ্য-ৰীতি পোনপটীয়া আৰু নিখুঁত অসমীয়া। বিষয়-বস্তুৰ সঙ্কলন আৰু লিখাৰ নিখুঁত ৰীতিৰ বাবে 'বিলাতৰ চিঠি'ৰ প্ৰবন্ধবোৰ পুৰণি হৈও সজীৱ আৰু নতুন। বহুবছৰ বিলাতত থাকি আৰু ভাবপৰা উভতি আহি বৈবাহিক সূত্ৰত বিশিষ্ট বঙালী পৰিয়ালৰ লগত ঘনিষ্ঠভাবে সংশ্লিষ্ট হৈও জ্ঞানদাভিৰামে যি নিভাঁজ অসমীয়া গদ্য-ৰীতিৰ চানেকি দেখুৱাই থৈ গল, সি নিশ্চয় প্ৰশংসনীয়। জ্ঞানদাভিৰাম অসমীয়া সাহিত্য

সেৱীসকলৰ আদৰ্শ আৰু অনুপ্ৰেৰণাৰ স্থল ।

জীৱকান্ত বৰুৱা : 'আৱাহন', 'পছোৱা', 'জয়ন্তী' আদি আলোচনীত বৰুৱাৰ কবিতা গল্পাদি মাজে সময়ে প্ৰকাশ পাইছিল। 'লুইতৰ পাৰত' [পছোৱা], 'এটি সপোন' [জয়ন্তী], 'আজিও ভাবোঁ' [আৱাহন] আদি উল্লেখযোগ্য। 'আধুনিক অসমীয়া কবিতা' নামৰ কবিতা-সঞ্চয়নত বৰুৱাৰ 'ঈদৰ জোন' কবিতাই ঠাই পাইছে ।

জগৎ শৰ্মা : 'নতুন অসমীয়া', 'বিহলঙনি' আদি কাকতত মাজে সময়ে দুটি এটি গল্প, প্ৰবন্ধ লিখি সাহিত্য-সেৱাৰ চিনাকি দিছে। বৰ্ত্তমান নগাওঁ কলেজৰ অধ্যাপক। ঘৰ পুৰণিগুদামত।

জাতিৰাম ক্ষেত্ৰ : ছদ্মনামত 'ওভোতা যুগ' প্ৰকাশ হৈ ওলাইছে । 'অৰুণ', 'বিহলঙনি' আদিত কবিতা প্ৰকাশ হৈছে। ঘৰ কামপুৰ, নিজনাবিকলিত।

জিতেন্দ্ৰ নাথ : 'শনিচৰিত' প্ৰকাশিত পুথি। ঘৰ বৰহাট ।

তিলক হাজৰিকা : যি কেইজন অসমীয়া সাহিত্য-সেৱীয়ে ব্যক্তিমুখী প্ৰবন্ধ বা ৰম্যৰচনাৰ যোগেদি পাঠকসমাজৰ শ্ৰদ্ধা আৰু আকৰ্ষণ লাভ কৰিবলৈ সমৰ্থ হৈছে, হাজৰিকাৰ স্থান সেইসকলৰ আগশাৰীত। বিভিন্ন আলোচনী আৰু বাতৰিকাকতত প্ৰকাশিত হাজৰিকাৰ মনোৰঞ্জনধৰ্মী সুখপাঠ্য ৰচনাসমূহত 'মানুহজন' ফুটি ওলোৱাৰ লগে লগে মননশীল আৰু বুদ্ধিদীপ্ত মন এটাৰ পোহৰ এচমকাও উদ্ভাসিত হৈ উঠা আমি দেখিবলৈ পাওঁ। মনোজগতৰ ৰস-সাগৰত হাজৰিকাই কুহিলাৰ দৰে ওপঙি ফুৰা নাই, গভীৰতৰ সমস্যাৰ মাজলৈহে সোমাই গৈছে। তেখেতৰ ৰসসাহিত্য-ফুলনিত বুদ্ধিসঞ্জাত আৰু চিন্তাদীপ্ত মন এটাৰ জিলিকনি পৰি সি ধাৰুবৈয়ে জিলিকি উঠিছে। তেখেতৰ ৰম্যৰচনাৰ সঞ্চয়ন "আড্ডা" অসমীয়া সাহিত্যলৈ এটি আটকধুনীয়া অৱদান। হাজৰিকা এজন সাংবাদিকো। ঘৰ কলিয়াবৰত।

তৰুণ গোস্বামী : "খোৱা-খোৱী" প্ৰকাশিত পুথি। ঘৰ খুটিকটীয়াত।

ত্ৰিলোকেশ্বৰ হাজৰিকা : স্মৃতিৰ তাজ'ৰ লিখক।

৺ধুৱেশ্বৰ মহন্ত : "বাঁহী" আদি আলোচনীত কবিতা আৰু ব্যাকৰণ সম্বন্ধীয় কেইবাটাও সাৰুৱা প্ৰবন্ধ লিখা মহন্ত

দেৱ আছিল এজন শিক্ষাব্ৰতী সাহিত্যসেৱী। 'বাঁহী'ত ওলোৱা "সকলো তুমি" কবিতাটিয়ে মহন্তদেৱৰ কবিত্বশক্তিৰ পৰিচয় দি আছে। ঘৰ জাজৰিত।

৺দেৱনাথ বৰদলৈ: বৰদলৈদেৱক অসমৰ আধুনিক নাট্যকাৰসকলৰ পথ-প্ৰদৰ্শক বুলি কব পাৰি। বৰদলৈদেৱ "বৈদেহী বিচ্ছেদ" নামৰ পাঁচঅঙ্কীয়া নাটকৰ গ্ৰন্থকাৰ। "বৈদেহী বিচ্ছেদ" এসময়ত গোটেই অসমতে সুখ্যাতিৰে অভিনীত হৈছিল আৰু পৌৰাণিক নাটক হিচাবে অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত ইয়াৰ এক স্বকীয়া মূল্য আছে। 'হেমপ্ৰভা', 'শ্ৰীৰামচন্দ্ৰৰ বিজয়ৰ মহোৎসৱ', 'বাৰণবধ' আদি নাটক, 'শান্তি-কুঞ্জ', 'বিৰহিণী-কুঞ্জ' আদি কবিতা-পুথি হাতে-লিখা অৱস্থাত থৈ গৈছে। জন্ম ১৮৭৩, মৃত্যু ১৯১৬ চন।

৺দুৰ্গাচৰণ গোহাঁই: 'আহোমৰ হিতকথা' নামৰ আলোচনী এখন সম্পাদনা কৰিছিল।

দেৱকান্ত বৰুৱা: আধুনিক অসমীয়া কাব্য-সাহিত্যৰ পৰম্পৰাত যিকেইগৰাকী কবিয়ে উল্লেখযোগ্য অৱদান আগ-

বঢ়াই, সাহিত্যক্ষেত্ৰত স্থায়ী আসন লাভ কৰিবলৈ সমৰ্থ হৈছে, বকৰাদেৱ সেইসকলৰ এজন। তাকৰ কবিতা লিখিও বা কেৱল এখন কবিতা-পুথি প্ৰকাশ কৰিও যে এজন আগশাৰীৰ কবি হব পাৰি, বকৰাদেৱ তাৰ উজ্জ্বল দৃষ্টান্ত। 'সাগৰ দেখিছা' নিঃসন্দেহে অসমীয়া কাব্য-সাহিত্যৰ এপাহি সুগন্ধি পাৰিজাত। 'সাগৰ দেখিছা'ৰ 'সাগৰ দেখিছা', 'দেৱদাসী', 'অসাৰ্থক' আদি কবিতাত কবিৰ কবিত্বশক্তি আৰু সহজাত প্ৰতিভাৰ পোহৰ উদ্ভাসিত হৈ উঠিছে। সচৰাচৰ চকুৰ আগত দেখি থকা কিছুমান ছবি আৰু সদায় ব্যৱহাৰ কৰি থকা কিছুমান শব্দৰে সৃষ্টি কৰা এখন ভাব-ৰাজ্যত ভাৱ প্ৰকাশৰ বাধাহীন গতি বকৰাদেৱৰ কবিতাৰ মন কৰিবলগীয়া কথা। জীৱনৰ আনন্দ আৰু গৌৰৱ, নিয়তিৰ পৰিহাস আৰু প্ৰেমৰ আধিপত্য—এখেতৰ কবিতাৰ প্ৰধান সামগ্ৰী। বিভিন্ন সঙ্কলনত বকৰাদেৱৰ কবিতাই ঠাই পাইছে। মহেন্দ্ৰ বৰাৰ সম্পাদিত 'নতুন কবিতা'ত সন্নিবিষ্ট 'আমি দুৱাৰ মুকলি কৰোঁ' এটি শ্ৰেষ্ঠ কবিতা। বৰ্তমান ৰাজনীতিৰ চক্ৰবেহুত সোমাই পৰা বকৰাদেৱৰ দুটি এটি কবিতা আলোচনীত এতিয়াও ওলাই থাকে। বকৰাৰ সম্পাদনা-সেৱাও মন কৰিবলগীয়া।

কাশীৰাম বৰা : 'শোধনাগাৰ নে শোষণাগাৰ', 'অগ্নি-পৰীক্ষাত অসম কোন পথত', 'সৰ্ব্বোদয়' আদি পুথিৰ ৰচয়িতা।

দ্বিজ শইকীয়া : 'সৌমাৰজ্যোতি', 'ৰামধেনু', 'নবোদয়', 'স্বাস্থ্য-প্ৰদীপ', 'নগাওঁ কলেজ আলোচনী' আদিত শইকীয়াৰ ভালেমান গল্প, প্ৰবন্ধ প্ৰকাশ হৈ গৈছে। 'কিসমৎ কা খেল', 'সমাজৰ বুকুত' [সৌমাৰজ্যোতি], 'জেঠৰ বাৰখৰ' [নবোদয়] আদি গল্প, প্ৰাচীন দাৰ্শনিক চক্ৰেটাছ' [নগাওঁ কলেজ আলোচনী], 'বঙ্কিমচন্দ্ৰ আৰু ৰজনীকান্ত বৰদলৈ' [ৰামধেনু], আদি প্ৰবন্ধ উল্লেখযোগ্য। 'নবোদয়'ৰ সহকাৰী সম্পাদক আছিল।

দানিয়াল হাজৰিকা : ছাত্ৰাৱস্থাৰে পৰাই সাহিত্যানুৰাগী হাজৰিকাৰ 'পায়গাম', 'প্ৰচাৰক' আদি আলোচনীত কবিতা প্ৰবন্ধাদি প্ৰকাশ পাইছিল। বৰ্ত্তমান স্বাধীন ব্যৱসায় লৈ আছে। ঘৰ পুৰণিগুদামত। জন্ম ১৯০১ চনত।

দুৰ্গাৱতী দাস : 'আৱাহন', 'বাঁহী' আদি আলোচনীত মাজে সময়ে দুটি এটি আলোচনামূলক প্ৰবন্ধ লিখিছিল। 'দুৰবা কবিতাৰ সাধাৰণ লক্ষণ', 'শঙ্কৰ সাহিত্যৰ চৰ্চ্চা সমালোচনা' আদি প্ৰবন্ধ উল্লেখযোগ্য।

দুৰ্গেশ্বৰ গোস্বামী : "ভাৰত বুৰঞ্জী" প্ৰকাশিত পুথি। ঘৰ তামুলবাৰী।

৺নিৰঞ্জন বৰা : সমাজসেৱী আৰু সাহিত্যানুৰাগী বৰাদেৱে মৰণৰ আগতে "হৰিসেৱা" নামৰ এখন পুথি প্ৰকাশ কৰে। "ৰাণপৰাজয়" নাটক বহু নাট্য-মন্দিৰত অভিনীত হৈছে। শিলঘাটৰ চামধৰা গাওঁত জন্ম।

৺নৰনাথ মহন্ত : "জ্ঞানাঙ্কুৰ" নামৰ পুথিৰ ৰচয়িতা।

নাৰায়ণচন্দ্ৰ মহন্ত : বৈষ্ণৱ-সাহিত্যৰ প্ৰতি বিশেষ-ভাবে অনুৰাগী মহন্তদেৱে 'জয়ন্তী', 'ধৰ্মপ্ৰদীপ', 'নামধৰ্ম', 'উদয়' আদি আলোচনীত ধৰ্মবিষয়ক আৰু শঙ্কৰী-সংস্কৃতি সম্বন্ধীয় প্ৰবন্ধাদিৰ যোগান ধৰি আছে। নগাওঁ গবৰ্ণমেণ্ট হাইস্কুলৰ আলোচনী 'উদয়' সম্পাদনা কৰি আছে। 'ৰাসতত্ত্ব' আৰু 'অসম সত্ৰসঙ্ঘৰ জন্ম-কাহিনী' প্ৰকাশিত পুথি। অপ্ৰকাশিত অৱস্থাত 'গুৰু-শিষ্য সংবাদ', 'যুগধৰ্ম', 'মহাপুৰু-ষীয়া ধৰ্মৰ ক্ৰমিক ধাৰা', 'নিজ সত্ৰৰ বুৰঞ্জী' আদি কেইবা-খনো পুথি বৰ্ত্তমান। বৰ্ত্তমান নগাওঁ গবৰ্ণমেণ্ট হাইস্কুলত শিক্ষকতা কৰি আছে। ঘৰ কলিয়াবৰত। জন্ম ১৯০৫ চনত।

নৱকান্ত বৰুৱা : ১৯৫৪ চনৰ শ্ৰেষ্ঠ কবি হিচাবে যোৰহাট সাহিত্যসেৱী চ'ৰাই আদৰণী জনোৱা নৱকান্ত কেৱল কবিয়েই নহয়; কথা-শিল্পী আৰু শিশু-সাহিত্যসেৱীও। "আৰাহন"ৰপৰা "চিত্ৰবনলৈকে প্ৰায় সকলোবোৰ আলোচনী

আৰু কবিতাসঞ্চয়নত নৱকান্তৰ কবিতাই সসম্মানে ঠাই পাই আছিছে। 'হে অৰণ্য হে মহানগৰ', 'দুটি এটি এঘাৰটি তৰা'. 'যতি আৰু কেইটিমান স্কেচ্' কবিতা পুথি কেইখনি আধুনিক অসমীয়া কাব্য সাহিত্যলৈ অনবদ্য উপহাৰ। 'কপিলী পৰীয়া সাধু' অসমীয়া উপন্যাসৰ বাটত এটা নতুন খোজ। 'শিয়ালী পালেগৈ ৰত্নপুৰ' ভাব, ভাষা আৰু সাজ-পাৰেৰে অভিনৱ শিশু-সাহিত্য। 'নতুন অসমীয়া'ত এসময়ত প্ৰকাশিত ৰচনাসমূহ বকৰাৰ ৰসগ্ৰাহী মনটোৰ পৰিচায়ক। নৱকান্তৰ গদ্য, কবিতা উভয়বিধ ৰচনাতেই মননশীলতা আৰু অধ্যয়ননিষ্ঠাৰ সাক্ষৰ লাগি আছে। নৱকান্তই যি লিখে, এনেয়ে নিলিখে, ভাবি-গুণিয়েই লিখে, এইটো এটা লেখকৰ বিশেষ বৈশিষ্ট্য। 'আধাৰ মাধুৰী'ৰ লিখক নৱকান্তৰ সাহিত্য-সাধনা নিশ্চয় আধাডুখৰীয়া হৈ ৰোৱা নাই। শান্তিনিকেতনৰ পৰা বি-এ, আলিগড়ৰ পৰা ইংৰাজীত এম.এ পাছ কৰি বৰ্ত্তমান কটন কলেজত অধ্যাপনা কৰি আছে। জন্ম ১৯২৩ চনত।

নবেন্দ্ৰ শৰ্মা : 'সুৰভি', 'ৰামধেনু', 'পছোৱা' আদি আলোচনীৰ পাতত শৰ্মাৰ গল্প, প্ৰবন্ধাদি পঢ়ুৱৈ সমাজৰ চকুত নিশ্চয় পৰিছে। 'লাইফ আৰু কাইল' [সুৰভি], 'টকা আৰু মৰম' 'আমাকো নিবনে চাগৈ' [ৰামধেনু] আদি গল্পত শৰ্মাৰ গাল্পিক প্ৰতিভাৰ পোহৰ জিলিকি উঠিছে। ইংৰাজীতো ভেখেতে গল্প লিখিছে। অনুবাদ সাহিত্যতো

শৰ্মাৰ হাত আছে। ‘মাটিৰ বুকুত’ অনূদিত উপন্যাস প্ৰকাশ হৈ ওলাইছে। বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ এচিষ্টেণ্ট ৰেজিষ্ট্ৰাৰ। ঘৰ পুৰণিগুদামত।

নীলিমা দত্ত : অসমীয়া সাহিত্যত নাৰী-মনোবিজ্ঞান আৰু শিশু মনোবিজ্ঞান বিষয়ক আলোচনাৰ সমৃদ্ধি বঢ়াবলৈ চেষ্টা কৰা লিখিকাকেইগৰাকীৰ এগৰাকী নীলিমা দত্ত। ‘নতুন অসমীয়া’, ‘অসমবাণী’, ‘ৰবদৈচিলা’, ‘ৰামধেনু’, ‘জয়ন্তী’ আদি কাকতত দত্তৰ ভালেমান প্ৰবন্ধ আৰু কবিতা প্ৰকাশ হৈ গৈছে। প্ৰকাশিত পুথিৰ ভিতৰত ‘শিশু-বিকাশ’, ‘শিশু আৰু পৰিবেশ’. মাতৃসকলৰ পঢ়িবলগীয়া। ১৯৪৭ চনত দৰ্শনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম-এ পাছ কৰি বৰ্ত্তমান সন্দিকৈ কলেজৰ দৰ্শনৰ অধ্যাপিকা। জন্ম শিলঘাটত।

নিৰ্ম্মলা বৰা : ‘দক্ষিণায়ন’, শিশু-মনৰ বিচিত্ৰতা’, ‘শান্তিদূত’, ‘বুনিয়াদী ৰাষ্ট্ৰীয় শিক্ষা’, ‘বাপুৰ আশীৰ্ব্বাদ’ মৌলিক আৰু অনূদিত পাঁচখন পুথিৰ ৰচয়িত্ৰী বৰাই জীৱনৰ সৰহছোৱাকাল শিক্ষয়িত্ৰীৰূপে কটাই আহিছে। বৰ্ত্তমান বহা বুনিয়াদী শিক্ষা প্ৰশিক্ষণ কেন্দ্ৰৰ শিক্ষয়িত্ৰী। ঘৰ বগাত। জন্ম ১৯২০ চনত।

ৰত্ন শইকীয়া : 'ভাৱৰৰ আঁৰে আঁৰে,' 'নীৰ-প্ৰভা', 'শিলাময় জীৱনত সমতল নাই', 'অচিন পথৰ চিনাকি যাত্ৰী' দুখন কবিতাপুথি, দুখন উপন্যাস আৰু লগতে দুটা এটা প্ৰবন্ধ প্ৰকাশ কৰি শইকীয়াই সাহিত্যানুৰাগ দেখুৱাইছে। 'নিলাজী চোৱালীজনী', 'দৈৱশক্তি', 'সন্ধান', মিলিযাওঁ আমি দুয়ো দূৰ নীলিমাত', 'যোৰহাটৰ কবিতা' হাতে-লিখা অৱস্থাত। বৰ্ত্তমান হোজাই আব্দুল হাচিব হাইস্কুলত শিক্ষকতা কৰি আছে। ঘৰ কামপুৰত। জন্ম ১৯৩২ চনত।

নিৰঞ্জন নাথ : 'পুষ্পবন' নামৰ কবিতাপুথিৰে বাইজৰ আগলৈ ওলোৱা নাথৰ 'পদুমনি', 'লাজুকী লতা' 'আন্ধাৰ দেশৰ হেৰোৱা সৰগ' আদি কেইবাখনো পুথি হাতে-লিখা অৱস্থাত আছে। বৰ্ত্তমান শিক্ষকতা কৰি কটাইছে। ঘৰ বহাত। জন্মচন ১৯৩৩।

মুকুল আমিন : ছাত্ৰাৱস্থাৰে পৰা খেল-ধেমালিত বিশেষ পাৰদৰ্শিতা দেখুৱা মুকুল আমিন ডাঙৰীয়াৰ বিভিন্ন কাকতত খেলা-ধূলা সম্পৰ্কীয় কেইবাটাও সাৰুৱা প্ৰবন্ধ প্ৰকাশ পাইছে। ১৯৪৫ চনত কলিকতা এ-এছ-এল ক্লাবৰ প্ৰেচিডেন্ট আছিল।

ৰবহৰি শইকীয়া : 'অৰুণ' 'পাৰিজাত' আদি

কাকতত এসময়ত ধেমেলীয়া পদ্য লিখি পঢ়ুৱৈ সমাজক আমোদ যোগোৱা শইকীয়াৰ 'টাৰজান টকী', 'কেৰপাই বাপুৰ দেশ ভ্ৰমণ'ৰ কথা বহুতৰে মনত আছে। বিয়ালিছৰ কাহিনী লৈ লিখা নাটক এখন প্ৰকাশৰ পথত।

নীহাৰেন্দু ভট্টাচাৰ্য্য : 'সুৰৰ মাধুৰী'ৰ ৰচয়িতা। আলোচনী, বাতৰিকাকতত দুই চাৰিটা প্ৰবন্ধও প্ৰকাশ পাইছে।

৺পদ্মহাস গোস্বামী : 'শিক্ষাসাৰ' আৰু 'পদ্যমালা' পুথিৰে ইংৰাজৰ প্ৰথম আমোলৰ লিখক গোস্বামীদেৱে সাহিত্যচৰ্চ্চাৰ চিন থৈ গৈছে। ঘৰ জখলাবন্ধাত।

পদ্মকান্ত দেৱমিশ্ৰ : "ভিক্ষুগীতা" প্ৰকাশিত পুথি। ঘৰ বালিগাৱঁত।

পৰমানন্দ ওজা : 'আসামহিতৈষী', 'মিলন', 'গাৱঁৰ কথা', 'বাইজ', 'যুগৰ পথত', 'জয়ন্তী' আদি কাকতত আয়ুৰ্ব্বেদ, স্বাস্থ্যতত্ত্ব আৰু অন্যান্য বিষয়ৰ ভালেমান প্ৰবন্ধ লিখি সাহিত্যনিষ্ঠা দেখুৱাইছে। 'মনুষ্যৰ আয়ু', 'চণ্ডীদাস সম্বন্ধে একেষাৰ', 'ডবকাৰ পুৰণি মঠ-মন্দিৰ', 'কৰ্মবীৰ-

নত গীতা', 'সুন্দৰীদিয়াথান', চান্দ মাইৰ গীত', 'আৰুকচণ্ড', 'বৰ্ত্তমান হিন্দু সমাজৰ কৰ্ত্তব্য' আদি প্ৰবন্ধ উল্লেখযোগ্য। জন্ম ১৮৯১ চনত।

গীতৰাম নাথ : অসম-বঙ্গ যোগী-সম্মিলনীৰ মুখপত্ৰ 'যোগী-সখা'ৰ অসমীয়াভাগৰ সম্পাদকীয় দায়িত্বৰ লগত চাৰিবছৰবো ওপৰকাল জড়িত থকা নাথদেৱৰ ভালেমান ইংৰাজী কবিতা নগাওঁ ডচন হাইস্কুলৰ আলোচনী 'ডচনিয়ান'ত প্ৰকাশ হৈ গৈছে। ভালেমান অপ্ৰকাশিত ইংৰাজী কবিতা আৰু বৰগীতৰ ইংৰাজী অনুবাদ যুগুত কৰি থোৱা আছে। শ্ৰীমদ্ভাগৱত গীতাৰ টীকা-ভাষ্যসহ সম্পাদনা প্ৰচেষ্টাত লাগি আছে। বৰ্ত্তমান ডচন হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক। ঘৰ জামুগুৰিত। জন্ম ১৯০৮ চনত।

প্ৰফুল্ল ভূঞা : আধুনিক অসমীয়া কবিতাৰ গতিশীলতাক মনোময় আৰু প্ৰাণময় কৰি তুলিবলৈ সচেষ্ট হোৱা উঠি অহা কবিসকলৰ ভূঞাও এজন। 'ৰামধেনু'ৰ পাততেই ভূঞাৰ কবিতাসমূহ জিলিকি আছে। মহেন্দ্ৰ বৰাৰ দ্বাৰা সম্পাদিত 'নতুন কবিতা'ত ভূঞাৰ কেইবাটিও কবিতাই ঠাই পাইছে। ভূঞাৰ সৰহভাগ কবিতাতেই মাটিৰ মোহ এটা লাগি আছে। 'একো নোপোৱাৰ কবিতা', 'বিহু,' 'নিৰ্জ্জনতা', 'তুলনা' আদি শ্ৰেষ্ঠ কবিতা। ঘৰ দীঘলীআটীত।

জন্ম ১৯৩২ চনত।

পবিন্দ্র বৰা : গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৫১ চনৰ প্ৰৱেশিকা পৰীক্ষাত দ্বিতীয় স্থান লাভকৰা এজন উজ্জ্বল ছাত্ৰ ; কটন কলেজত পঢ়ি থকা অৱস্থাত হোষ্টেলৰ পৰা অপ্ৰত্যাশিত ভাবে আৰু আচম্বিতে অন্তৰ্দ্ধান হয়। 'ৰামধেনু', 'ভ্ৰমৰ', 'নবোদয়', 'কটনিয়ান', 'ৰাইজ', 'অখণ্ড ভাৰত' আদি কাকতত ওলোৱা গল্প, প্ৰবন্ধ, কবিতাদিয়ে এওঁৰ সাহিত্যসেৱাৰ পৰিচয় দি আছে। 'হংসবলাকা', 'যাদুঘৰ' আৰু 'এপিটাফ' এওঁৰ তিনটা উল্লেখযোগ্য আধুনিক কবিতা। প্ৰথমটো 'কটনিয়ান'ত আৰু শেষৰ দুটা মহেন্দ্ৰ বৰাই সম্পাদন কৰা 'নতুন কবিতাত' সন্নিবিষ্ট হৈছে। 'নবোদয়ত' প্ৰকাশিত এওঁৰ 'বিশ্বকবিৰ সপোনৰ বিশ্বখন' নামৰ ৰবীন্দ্ৰনাথ সম্পৰ্কীয় আলোচনামূলক প্ৰবন্ধটি মননযোগ্য। ইংৰাজীতো প্ৰবন্ধ প্ৰকাশ হৈছে। হাতে-লিখা অৱস্থাতে ভালেমান গল্প, কবিতা, প্ৰবন্ধ এৰি থৈ গৈছে। এওঁ নগাঁৱৰ প্ৰতিষ্ঠাবান উকীল সু-সাহিত্যিক মহীচন্দ্ৰ বৰাদেৱৰ তৃতীয় পুত্ৰ।' জন্ম চন—১৯৩৪।

পূৰ্ণমল ভূঞা : 'সুৰভি'ত "অতীতক ভাল লাগে কিয়" নামৰ কবিতা, "স্মৃতিৰ কঁপনি" নামৰ গল্প আৰু ১৯৪২

চনৰ 'কটনিয়ান'ত "মৰহা পাপৰি" নামৰ কবিতা লিখি সাহিত্যনিষ্ঠাৰ চিনাকি দিয়া ভূএগ্রাৰ 'যোৱাৰ বাটত' আৰু 'তেজৰ বাধা' নামৰ ছখন সামাজিক উপন্যাস আৰু এখন কবিতা পুথি হাতে-লিখা অৱস্থাত আছে। ১৯২৪ চনত শিঙিমাৰীত জন্ম।

প্ৰফুল্ল মহন্ত : ১৯৫২ চনৰ নগাওঁ কলেজ আলোচনী সম্পাদনাকৰোঁতা মহন্তৰ বিভিন্ন আলোচনীত কেইবাটিও অসমীয়া আৰু ইংৰাজী প্ৰবন্ধ আৰু কবিতা প্ৰকাশ হৈ গৈছে। 'বিষাদৰ সুৰ' [উদয়] 'ফুলনিৰ আজি মই সোমালোঁ ভিতৰ' [নগাওঁ কলেজ আলোচনী] আদি কবিতা, 'গণতান্ত্ৰিক ভাৰতত শিক্ষাৰ স্থান', 'অসম বুৰঞ্জীৰ পঠন-পাঠনৰ ব্যৱস্থা' [বিহ-লঙনি] 'Prospects of India' [নগাওঁ কলেজ আলোচনী] আদি প্ৰবন্ধ, চেক্সপিয়েৰৰ চনেটৰ ভাঙনি [ৰামধেনু] আদি উল্লেখযোগ্য।

প্ৰভুল শৰ্ম্মা : 'ৰামধেনু' আদি আলোচনীত গল্প আৰু অনুবাদ-প্ৰবন্ধেৰে ভুমুকি মৰা শৰ্ম্মাৰ চিন্তাশীল মনটোক তেওঁৰ ৰচনাবোৰত সহজেই বিচাৰি পোৱা যায়। 'গৌৰী বৌ', 'দ্বিজ', 'প্ৰমিথিউচ', 'আকাশৰ সীমা', 'বন্দনা ৰকৰা' আদি উল্লেখযোগ্য গল্প। 'দ্বিজ'ই ৰামধেনুৰ গল্প-প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিছে।

প্ৰীতি বৰুৱা : ‘আৱাহন’, ‘বামধেনু’, ‘প্ৰবাহ’, ‘চিত্ৰবন’ আদি আলোচনীত গল্প, কবিতা, প্ৰবন্ধাদি লিখি সাহিত্য-সেৱা কৰি অহা বৰুৱাৰ ‘ফন্ত’, ‘চাৰ্কাচৰ ভালুক’, ‘আহত গধূলি’ আদি গল্প আৰু ‘গুজৰাটী কবিতাৰ সৌন্দৰ্য্য-বিলাস’ আদি প্ৰবন্ধত অধ্যয়ন-নিষ্ঠা আৰু ৰচনা-শক্তিৰ পৰিচয় ফুটি ওলাইছে। গল্প-সঙ্কলন ‘নিৰৰ্থকে’ বাইজৰ আগত আত্মপ্ৰকাশ কৰিছে। বৰ্ত্তমান গুৱাহাটী বিশ্ব-বিত্যালয়ত অধ্যাপনা কৰি আছে।

পদ্ম ভেকা : জাতীয় যুদ্ধৰ গীত কিছুমানৰ লগতে ভূদান গীত ৰচনা কৰিছে। ঘৰ বাৰপূজীয়াত।

৺বলদেৱ মহন্ত : ‘উজুপাঠ’ প্ৰণেতা মহন্তদেৱ ঘাইকৈ উপদেশাত্মক বা নীতিমূলক পদ্যৰ বাৰ্ত্তাবাহক। ‘বজালেই কাঁহপাত্ৰ ভগা ভাল চিনি। সাক্ষী কলে চিনি লোক কতদূৰ জ্ঞানী ॥” “সাপৰ সমান খং কাৰো নাই নাই। হিমালয় সম গিৰি পৃথিবীত নাই” ॥ উজুপাঠৰ এনে এফাঁকি পদ্য নপঢ়া লোক শিক্ষিতসমাজত কমেই ওলাব। মহন্তদেৱৰ ভাব সবল হলেও ভাষা আৰু ছন্দত প্ৰাচীন সাহিত্যৰ গাম্ভীৰ্য্য আছে। ‘পৰিমিতি’, ‘কাৰ্য্য পৰিচয়’ আদি কেইখামনো পঢ়া-শলীয়া পাঠ্য-পুথিৰো ৰচক। জীৱনৰ অনেক বছৰ শিক্ষকতা

কবি কটোৱা মহন্তদেৱৰ জন্ম ১৮৫০ চনত, মৃত্যু ১৮৯৭ চনত ।

৺বৃন্দাবনচন্দ্ৰ গোস্বামী : এসময়ত নগাওঁ নাট্য-মঞ্চৰ লগত বিশেষভাৱেই জড়িত থকা গোস্বামীদেৱৰ সাহিত্যসেৱাৰ পৰিচয়, প্ৰকাশিত 'থানুবাপু' আৰু 'প্ৰায়শ্চিত্ত' নাট দুখনত জিলিকি আছে । 'বিসৰ্জ্জন' আৰু 'অষ্টোত্তৰ শতগীতা' প্ৰকাশ হৈ ওলোৱা নাই । সাময়িক আলোচনীতো গোস্বামীদেৱৰ দুটা এটা প্ৰবন্ধ প্ৰকাশ পাইছিল । ঘাই ঘৰ জখলাবন্ধাসত্ৰত । জন্ম চন ১৮৮৫, মৃত্যু চন ১৯৪৯ ।

৺বিষ্ণুচৰণ বৰা : 'আৱাহন' আদি আলোচনীত ওলোৱা 'সময় অতীত', 'কীৰ্ত্তিমন্দিৰ', 'মিনাবজাৰ' আদি গল্প আৰু 'গ্ৰীক জাতি', 'বেবিলনৰ বেলুচ মন্দিৰ' আৰু 'শূন্যোদ্যান' আদি প্ৰবন্ধৰ পৰা বৰাদেৱৰ সাহিত্যচৰ্চ্চাৰ সম্ভেদ পোৱা যায় । বিশেষকৈ, ঐতিহাসিক বিষয়-বস্তু লৈ ৰচনা কৰা গল্পকেইটা উপাদেয় আৰু উপভোগ্য । বৰাদেৱে কেইবাটাও হাতে-লিখা প্ৰবন্ধ এৰি থৈ গৈছে ।

৺বিমলাকান্ত বৰা : 'অমৃতবাজাৰপত্ৰিকা', 'Bombay Chronicle', 'সাদিনীয়া অসমীয়া' আদি কাকতত প্ৰধান আৰু সহকাৰী সম্পাদকৰূপে থাকি সাহিত্যসেৱা

কৰা বৰাদেৱৰ সম্পাদনাত 'সমবায়' নামৰ কাকত এখনে ওলাইছিল। তাহানিৰ 'চেতনা' আদিত প্ৰবন্ধ লিখি সাহিত্য-প্ৰীতি দেখুৱা বৰাদেৱে এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা এল-এল-বি ডিগ্ৰী লৈ ১৯২৫ চনত নগাৱঁত ওকালতি ব্যৱসায় আৰম্ভ কৰে। জন্মচন ১৮৯৯, মৃত্যুচন ১৯৫৮

বিৰিঞ্চিকুমাৰ বৰুৱা : ঐকান্তিক পৰিশ্ৰম-নিষ্ঠা, অধ্যৱসায় আৰু বিচাৰ-গবেষণাদিৰে অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ দেহে-কেহে লাগি থকা সকলৰ এজন ডাঃ বৰুৱা। তাহানিৰ 'আৱাহন'ৰ পাতত গল্প লিখি পাঠক সমাজত আলোড়নৰ সৃষ্টি কৰা 'পট পৰিবৰ্ত্তন', 'আহোনী-বাই'ৰ ৰচয়িত্ৰী বীণা বৰুৱাৰ সাহিত্য-সন্তানো সৃষ্টিমূলক ক্ষেত্ৰৰ পৰা আঁতৰি গৈ বিচাৰ-গবেষণাৰ খোটালীত সোমাই পৰিবলৈ বাধ্য হৈছে। 'Assamese Literature', 'Cultural History of Assam', 'Modern Assamese Literature', 'অসমীয়া ভাষা', 'অসমীয়া ভাষা আৰু সংস্কৃতি', অসমীয়া কথা-সাহিত্য', 'বৌদ্ধধৰ্ম আৰু সাহিত্য' গ্ৰন্থকেইখনৰ পাতত বৰুৱাদেৱৰ অধ্যয়ন-নিষ্ঠা আৰু বিচাৰ-গবেষণাৰ চিন জিলিকি আছে। 'চুইজাৰলেণ্ড ভ্ৰমণ' আৰু 'দেশ-বিদেশৰ সাধু' পুথি দুখনো উপভোগ্য। 'জীৱনৰ বাটত' অসমীয়া উপন্যাস-সাহিত্য-জগতত এটি উল্লেখযোগ্য সংযোজনা। অসমীয়া গ্ৰাম্য-জীৱনৰ পটভূমিত ৰচিত হোৱা সাৰ্থক উপ-

ন্যাসকেইখনৰ আগশাৰীত 'জীৱনৰ বাটত'। অসম আৰু অসমৰ বাহিৰৰ অসমীয়া আৰু ইংৰাজী কাকতত বৰুৱাদেৱৰ চিন্তা-সমৃদ্ধ আৰু তথ্যবহুল প্ৰবন্ধৰাজি প্ৰকাশ পাই আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা-গুৰু ডাঃ বৰুৱাৰ প্ৰবন্ধ আৰু গ্ৰন্থৰাজিয়ে অসমীয়া সাহিত্যক নিশ্চয় পৰিপুষ্ট কৰি তুলিছে। অধ্যয়ন আৰু গবেষণাত লাগি থকা বৰুৱাদেৱ পালিভাষাৰ এজন মৰ্ম্মজ্ঞ লোক।

ৰাপাৰাম হাজৰিকা : জীৱনৰ বহুবছৰ শিক্ষকতা কৰি কটোৱা সমাজসেৱী হাজৰিকাদেৱ যে এজন আশাশু-ধীয়া সাহিত্যসেৱীও, সেইকথা তেখেতৰ ৰচিত 'তীৰ্থমঞ্জৰী', 'যুগনায়ক', 'স্মৃতি-মন্দিৰ' আৰু প্ৰকাশিত 'সত্যসন্ধান' (গান্ধী লিখিত হিন্দীৰ পৰা নীলকান্ত বৰুৱাদেৱে কৰা অনুবাদ) আদি পুথিয়ে প্ৰমাণ কৰে। 'শঙ্কৰ-প্ৰতিভা', 'ধৰ্ম আৰু সাহিত্য', 'পৰকালৰ কথা', 'জীৱন চানেকী' আদি কেইবা-খনো পুথি অপ্ৰকাশিত অৱস্থাত আছে। ঘৰ কলিয়াবৰৰ শান্তিপুৰত। ১৮৯৫ চনত জন্ম।

বেনুধৰ কলিতা : সাহিত্যসেৱাৰ ক্ষেত্ৰত 'বিয়াল্লি-ছৰ স্মৃতি' বাইজৰ আগলৈ উলিয়াই সমাদৰ লাভ কৰা কলিতাই 'নতুন অসমীয়া', 'শান্তিদূত', 'নগাওঁ কলেজ আলোচনী' আদি কাকতলো প্ৰবন্ধাদি লিখিছে। দুখন জীৱনী

আৰু এখন বুৰঞ্জীমূলক পুথি অপ্ৰকাশিত অৱস্থাত আছে ঘৰ কামৰূপৰ দেউৰীগাৱঁত। ১৯২৭ চনত জন্ম।

বিদ্যাকান্ত হাজৰিকা : 'নতুন অসমীয়া', 'অসম বাণী', 'পছোৱা' আদি কাকতত কবিতা আৰু আলোচনা প্ৰকাশ কৰি সাহিত্যসেৱাৰ সহাঁৰি দিয়া হাজৰিকাৰ ঘৰ কলিয়াবৰৰ শান্তিপুৰত। 'পছোৱাত' প্ৰকাশিত 'প্ৰাণমন্ত্ৰ ক'ত', 'কিষাণ' আদি কবিতা আন্তৰিকতাৰে উজ্জ্বল। জন্ম ১৯২৬ চনত।

বসন্তকুমাৰ শইকীয়া : ঢিং হাইস্কুলৰ আলোচনী 'জিলিঙনি', নগাওঁ গৱৰ্ণমেণ্ট হাইস্কুলৰ আলোচনী 'উদয়' 'গঠন' আদি কাকতত গল্প প্ৰবন্ধ আগবঢ়াই সাহিত্য স্পৃহাৰ চিনাকি দিয়া শইকীয়াই কটনিয়ানৰ সম্পাদনা কৰিছিল, 'ৰামধেনুত' প্ৰকাশ হোৱা 'খাছীয়ানী' উল্লেখযোগ্য গল্প। 'নতুন অসমীয়াত' প্ৰকাশিত 'চুমা' এখন উপভোগ্য ৰচনা। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত 'দৃষ্টিপথ', 'ৰক্তমালা' 'প্ৰত্যাবৰ্ত্তন', 'কাঠফুলা' আৰু ছিলং, গুৱাহাটী, নগাওঁ আদি ঠাইত মঞ্চস্থ হোৱা 'চিতাৰজুই', 'মকৰাজাল' আদি নাটক কেইখনে নাট ৰচনাত শইকীয়াৰ ঐকান্তিকতাৰ পৰিচয় দিয়ে। ঘৰ ঢিঙত।

ব্ৰজবালা দেৱী : 'ৰৰদৈচিলা', 'বিহুলঙনি' আদিত লিখিকাৰ নাৰী সমাজোপযোগী প্ৰবন্ধাদি প্ৰকাশ হৈছে। নগাওঁ কলেজত অভিনীত হোৱা হাতে-লিখা একাঙ্কিকা 'সপোনৰ' বিষয়বস্তুৰ নতুনত্ব মন কৰিবলগীয়া।

বলোইৰাম সেনাপতি : 'মুকুল' গীতি-কবিতা পুথিৰ ৰচক সেনাপতিয়ে 'ৰামধেনু' আদি আলোচনীত কেই-বাটাও মূল্যবান প্ৰবন্ধ লিখিছে। ঘৰ বাৰপূজীয়াত।

বৃন্দীন্দ্ৰকুমাৰ বৰুৱা : সাহিত্য-ফুলনিলৈ আগ-বঢ়োৱা 'বিপ্লবীৰ ঝঙ্কাৰ', 'ডাৱৰেও কান্দে ?' কবিতাপুথিৰ ৰচক বৰুৱাদেৱৰ কবিতা, গল্প, প্ৰবন্ধাদি স্কুলীয়া কালৰে-পৰাই 'জাগৰণ', 'বা-মৰলী', 'আৰতি' আদি কাকতত প্ৰকাশ পায়। তেখেতৰ লিখনিত বিপ্লবৰ দৃষ্টিভঙ্গী, জীয়া মানুহৰ দৰদ, প্ৰণয়ৰ উমনি সনা আছে। 'মাটিৰ বুকুৰ মানুহ' উপন্যাস ছপাশালত। 'ভাইবো সপোন হেৰাই', 'মাটিৰ মৰম', 'ৰাজবাটৰ সপোন', 'নতুনৰ সহাঁৰি পাই' 'আমাৰ জীৱন' আদি বহুতো কবিতাপুথি আৰু উপন্যাস হাতে লিখা অৱস্থাত। ঘৰ কলিয়াবৰৰ বৰুৱাচুকত। জন্ম ১৯২৯ চনত।

ব্ৰজেন বৰঠাকুৰ : 'নগাওঁ কলেজ আলোচনী',

'বিহলঙনি' আদি কাকতত নিজ নামত আৰু ছদ্মনামত বৰঠাকুৰৰ কেইবাখনো লঘুৰচনা প্ৰকাশ হৈছে। 'তুহ জুই উমি উমি জ্বলে', 'গফি', 'বাটৰ মানুহ' (বিহলঙনি) 'ধোঁৱা হৈ উৰি যাম' (নগাওঁ কলেজ আলোচনী) আদি ৰচনা উল্লেখযোগ্য। বৰ্ত্তমান সংখ্যা নগাওঁ কলেজ আলোচনী সম্পাদনা কৰিছে।

বকুলচন্দ্ৰ বৰা : 'সখীলৈ চিঠি' কবিতাপুথিৰ লিখক। ঘৰ জাজৰিত।

৺ভোলানাথ দাস : অসমীয়া ভাষাত অমিত্ৰাক্ষৰ ছন্দত প্ৰথমে কাব্য লিখিবলৈ লোৱা সকলৰ অন্যতম। প্ৰকৃততে অসমীয়া খণ্ডকবিতাৰ ভোলানাথ এজন আদি আৰু প্ৰধান প্ৰবৰ্ত্তক। 'কবিতামালা', 'চিন্তা-তৰঙ্গিনী', 'সীতা-হৰণ কাব্য' আদি কেইবাখনিও কাব্য আৰু খণ্ডকাব্য ভোলা-নাথে ৰচনা কৰিছিল। 'চিন্তা-তৰঙ্গিনী' অনেক দিন ওথ সাহিত্য-পাঠ্যৰূপে চলে। অসমৰ পৰা বঙালী ভাষা উঠি যোৱাৰ লগে লগে অসমীয়া পঢ়াশালিবোৰত এখেতৰেই প্ৰথম কবিতাৰপুথি প্ৰচলিত হয়। 'কিয়নো নাজাগে আমাৰ মন', 'মেঘ' আদি কবিতাত কবিৰ কবিত্বশক্তিৰ সুবিকাশ ঘটিছে। গদ্য ৰচনাতো ভোলানাথৰ হাত আছিল। ভালে-

খিনি সাধু ভাতে লিখা অৱস্থাত এৰি থৈ গৈছে। প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মেট্ৰপলিটান কলেজত ভৰ্ত্তি হৈ শাৰীৰিক অসুস্থতাৰ কাৰনে কলেজ এৰিবলগীয়া হয়। ক্ৰমে শিক্ষক, ডিষ্ট্ৰিক্ট চাৰ্ভেয়ৰ, চবডেপুটী কলেক্টাৰ আদি পদবী লাভ কৰি ১৯২৯ চনত স্বৰ্গী হয়। জন্ম ১৮৫৮ চনত।

ভুবনচন্দ্ৰ ফুকন : 'শতদল', 'সত্য কিম্বা মায়া' আৰু 'বুবুজিলে আজি তোমাক কৰি' কবিতাপুথিৰে গৃহস্থী-জীৱনৰ নানান আলৈ-আহুকালৰ মাজতো ফুকনে অসমীয়া সাহিত্য-মন্দিৰলৈ যথাসাধ্য অৰিহনা আগবঢ়াইছে। নৰ্ম্মাল স্কুলৰ মাহেকীয়া আলোচনী 'প্ৰভাতত', 'নদী' নামৰ প্ৰথম কবিতাই ভূমুকী মাৰে। 'অৰুণ, 'অৰুণ', 'ঘৰজেউতি', 'মিলন', 'ন-জোন', 'সাদিনীয়া অসমীয়া', 'গাৱঁলীয়া', 'বিহঙ্গ-ওনি', 'অৰুণাচল', 'সমাজ', 'জয়ন্তী', 'আৱাহন' আদি কাকতত প্ৰকাশিত গল্প, কবিতা, প্ৰবন্ধসমূহে ফুকনৰ সাহিত্য সেৱাৰ কথা কৈ আছে। 'সত্য কিম্বা মায়া'ৰ উপক্ৰমনিকাত আলোচনা কৰা কথাখিনি চিন্তা সমৃদ্ধ আৰু উপাদেয়। 'শতদল'ৰ পাহিত পবিত্ৰ আৰু পৰিপূৰ্ণ সৌন্দৰ্য্যৰ বোল লাগিছে। অসমীয়া আধ্যাত্মিক আৰু ৰহস্যবাদী কাব্য সাহিত্যত 'শতদল' এটি মূল্যবান সংযোজনা। ফুকনদেৱৰ কবিতা ভাৰতীয় দৰ্শন আৰু চিন্তাধাৰাৰে উজ্জ্বল। অতীত-

ভাৰতৰ প্ৰাণ-মন্ত্ৰৰ প্ৰশান্তি আৰু স্নিগ্ধতা ফুকনৰ কবিতাত অনুভৱ কৰিব পাৰি। 'দীপশিখা', 'কুসুমমঞ্জৰী', 'চন্দ্ৰমা', 'বলাপিকা', 'অৰুন্ধতী', 'দেৱযানী' আৰু বিবিধ প্ৰবন্ধাৱলীৰ সঞ্চয়ন এটা অপ্ৰকাশিত অৱস্থাত। বৰ্ত্তমান চৰকাৰী চাকৰিয়াল। ঘাই ঘৰ কামপুৰ, চাংচকিত। জন্মচন ১৯১৩।

ভবেন্দ্ৰনাথ শইকীয়া : 'আৱাহন', 'ৰামধেনু' আদি আলোচনীৰ যোগেদি যিকেইজন উঠি অহা সাহিত্যসেৱীয়ে চুটি গল্পৰ নিয়মিত যোগান ধৰি প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে, শইকীয়া সেইসকলৰ অন্যতম। কটন কলেজৰ ১ম বাৰ্ষিকত পঢ়ি থাকোঁতেই 'আৱাহন'ত "শান্তিৰ বুকুৰ ধুমুহা" নামৰ গল্প লিখি কথা-সাহিত্যত অৱতীৰ্ণ হোৱা শইকীয়াৰ ৰণ-ভঙ্গ, যাত্ৰাবধ, কক্ষভ্ৰান্তি, উপপত্নী, অন্তঃস্ৰোত, গঙ্গাস্নান, ঢোৰাসাপ [ৰামধেনু], শক্তিশেল, ৰত্নদাহ, বসুমতী, পাপকন্যা [আৱাহন], বনবাস, সম্প্ৰদান [চিত্ৰবন], ৰৰখাস্ত, শিক্ষা-গুৰু [প্ৰসমবাণী] আদি গল্পত গাল্পিক প্ৰতিভাৰ পোহৰ ফুটি ওলাইছে। সহজ সৰল ভাষাত স্বাভাৱিক মানুহ একোজনৰ সত্তা একোটালৈ চৰিত্ৰবোৰক, আগবঢ়াই নি বৰ্ণনা কৰিব পৰাটো শইকীয়াৰ গল্পৰ এটা প্ৰধান বৈশিষ্ট্য। শইকীয়াৰ ৰচিত কেইবাখনো নাটক মঞ্চস্থ হৈছে। 'আতঙ্কৰ শেষত' নামৰ ডিটেক্টিভ উপন্যাস এখন প্ৰকাশ হৈ ওলাইছে। বৰ্ত্তমান বিলাতৰ Imperial Collegeত পদাৰ্থবিজ্ঞানৰ

গবেষণাত ৰত আছে।

ভূমিকান্ত ফুকন ঃ ১৯৫৬ চনৰ নগাওঁ কলেজৰ আলোচনী সম্পাদনা কৰোঁতা ফুকনৰ 'উদয়', 'নগাওঁ কলেজ আলোচনী' আদিত ভালেমান কবিতা প্ৰকাশ হৈ গৈছে।

ভদৰাম বৰুৱা ঃ 'পদুমপুখুৰী' কবিতা পুথিৰ ৰচয়িতা। ঘৰ যমুনামুখত।

৺মাণিকচন্দ্ৰ বৰুৱা ঃ স্বদেশহিতৈষী, সমাজসেৱী বৰুৱাদেৱক অসমত 'সাদিনীয়া বাতৰিকাকত' চলোৱাৰ বাট দেখাওঁতা বুলিব পাৰি। বৰুৱাদেৱে ১৮৮৩ খ্ৰীষ্টাব্দৰ পৰা পাঁচ বছৰমান ওজা সাহিত্যিক ৺হেমচন্দ্ৰ বৰুৱাক সম্পাদক পাতি 'আসাম নিউজ' নামৰ এখন অসমীয়া-ইংৰাজী সাদিনীয়া বাতৰিকাকত গুৱাহাটীৰ পৰা প্ৰচাৰ কৰে। ১৮৯৫ খ্ৰীষ্টাব্দৰ পৰা গুৱাহাটীত কালীৰাম বৰুৱাই প্ৰচাৰ কৰা 'আসাম' নামৰ অসমীয়া-ইংৰাজী সাদিনীয়া বাতৰিকাকতৰ বৰুৱাদেৱে কেইবছৰমান সম্পাদনাও কৰিছিল। জন্মচন ১৮৫১, মৃত্যুচন ১৯১৫।

৺মহানন্দ ভট্টাচাৰ্য্য ঃ 'পাৰিজাত হৰণ' নাট

লিখিছিল ।

মহীচন্দ্ৰ বৰা : একাধাৰে কবি, সাহিত্যিক, সমাজ-সেৱী আৰু ৰাজনীতিবিদ বৰাদেৱৰ অসমীয়া সাহিত্যৰ বুক-প্ৰীত এখনি স্থায়ী আসন আছে । তাঁহাৰ স্থাৱেগৰাই বিবিধ সম্ভাৰেৰে কৃতিত্বেৰে সাহিত্যৰ যোগান ধৰি আহা বৰাদেৱৰ বিদ্যাৰ্থীজীৱনতেই সাময়িক আলোচনীৰ পাতত সাহিত্য-প্ৰতিভাৰ অঙ্কুৰ উদগম হয় আৰু 'আৱাহন'ৰ বুকুত সি পূৰ্ণবৃক্ষত পৰিণতি লাভ কৰে । ১৯১৪ চনত বৰাদেৱৰ তত্ত্বমূলক কবিতাপুথি 'শান্তিশতক' প্ৰকাশ হৈ ওলায় । ১৯১২ চনত 'কুসোম' নামত 'মানিক' নামৰ ৺মানিকচন্দ্ৰ বৰুৱাদেৱৰ যিখন বিস্তৃত জীৱন গ্ৰন্থ ওলায়, তাৰ তিনিজন লিখকৰ এজন বৰাদেৱ । 'আৱাহন', 'বামধেনু', 'বৰদৈ-চিলা,' 'ভ্ৰমৰ', 'অঞ্জলি', 'বাঁহী', 'নৱোদয়', 'বিহুলঙনি', 'গাৱঁলীয়া', 'অসমবান্ধৱ', 'ঊষা', 'আলোচনী', 'নতুন অসমীয়া', 'জনমভূমি', 'অসমবাণী' আদি কাকতত বৰাদেৱৰ গল্প, কবিতাবোৰ সিচৰতি হৈ আছে । 'আৱাহন'ত প্ৰকাশিত 'প্ৰতিশোধ', 'অভিসাৰ' আদি কবিতাত বৰাদেৱৰ কবি-অন্তৰখন আৰু দাৰ্শনিক মনটো ওলাই পৰিছে । 'মুক্তি', 'ভগৱানৰ মৃত্যু' [আৱাহন] 'প্ৰলাপ' [বৰদৈচিলা] আদি তত্ত্বগধুৰ মনোমোহা ৰচনা । এই কথা-চিত্ৰবোৰ অসমীয়া সাহিত্যলৈ বৰাদেৱৰ এক উল্লেখযোগ্য অৱদান ।

আধুনিক অসমীয়া গল্প-সাহিত্যৰ জয়-যাত্ৰাৰ পথত যিকেইজন কৃতীসাধকে অম্লান পাথেয় যোগাইছিল আৰু যোগাই আছে, বৰাদেৱ সেই সকলৰ অন্যতম। বৰাদেৱ নিঃসন্দেহে বৰ্ত্তমান অসমীয়া সাহিত্যৰ হাস্যৰসৰ অপ্ৰতিদ্বন্দ্বী লিখক। ৰসৰাজ বেজবৰুৱাদেৱৰ পিছতে নিভাঁজ আৰু অকৃত্ৰিম হাস্যৰসৰ সাৰ্থক কথা-শিল্পীৰূপে যদি কাৰো- ৰাক আমন্ত্ৰণ জনাবলগীয়া হয়, তেন্তে সেই স্বীকৃতি দিব লাগিব বৰাদেৱক। আন্তৰ্জ্জাতিক খ্যাতিপ্ৰাপ্ত পণ্ডিত শ্ৰীযুত কৃষ্ণ-কান্ত সন্দিকৈদেৱে কয়, "আপুনি মাজেসময়ে দুটা এটা গল্প লিখি আমাক আনন্দ দিব। ৰাজনীতিত লগাৰ কাৰণে আপোনাৰ সময়ৰ নাটনি হৈছে। কিন্তু ধাৰাবাহিকৰূপে লিখিলে আপুনিহে বেজবৰুৱাৰ আসন পূৰাব পাৰিব।" নিখুত ৰচনা-ৰীতি আৰু স্বকীয় প্ৰকাশ-ভঙ্গী বৰাদেৱৰ লিখনীৰ অন্যতম বৈশিষ্ট্য। 'অসাৰে খলু সংসাৰে', 'যোগ-বিয়োগ', 'লাভ-লোকচান', 'যাৰ যেতিয়া তাৰ তেতিয়া', 'কাউন্সিল বয়কট', 'ছৰ্দ্দাৰ বিল', 'চাকনৈয়া', 'সম্ভৱামি যুগে যুগে', 'উকীলৰ আপদ', 'কেৰানীৰ কপাল', 'যুদ্ধবিৰক্তি' 'আবিষ্কাৰ', 'শৰ-শয্যা', 'জয়-হিন্দ' [আৱাহন] 'জয়-পৰাজয়' 'বিশ্বাসং নৈব কৰ্ত্তব্যং', 'বিহুৰ বাগতি' [বৰদৈচিলা] 'ভেকো-ভাবনা' [অঞ্জলি] 'উকীলৰ জন্ম-ৰহস্য', [বিহুলঙনি] 'কেহোঁ-কাই', [জনমভূমি] 'সঁচা আৰু সপোন' [অসম বাণী] আদি গল্প-সমূহে পাঠক সমাজত অনাবিল হাস্যৰসৰ

সফুঁৰা মেলি দিয়াৰ লগতে সমাজচেতনাৰো সঁহাৰি দিছে। উকীল, কেৰাণী, দাৰোগা, দৈৱজ্ঞ, পুৰোহিত, সমাজৰ বিভিন্ন বৃত্তিজীৱি মানুহৰ ব্যক্তি-মানসসত্তা ৰবাদেৱৰ সার্থক লিখনীত জীৱন্ত আৰু জলন্ত হৈ উঠিছে। বিভিন্ন আলোচনীত খণ্ডাকাৰে ওলোৱা উপন্যাস 'নিৰীক্ষণ'ৰ প্ৰথমখণ্ড সমাপ্তপ্ৰায়। অনেকে এই উপন্যাসক 'অসমীয়া সমাজৰ জীৱন-ভাষ্য' নামেৰে অভিহিত কৰিছে। গল্পই হওক বা উপন্যাসেই হওক, ৰবাদেৱে যেতিয়া লিখিবলৈ কাপ হাতত লয়, 'কিবা এটা লিখিব লাগিব' এই ভাবত ৰবাদেৱ সচেনত নহয়, অথচ অফুৰন্ত লি॰॰নীৰপৰা ৰস-ধাৰা যেন বিৰামহীন ভাবে বৈ আছে। এই কাৰণেই ৰবাদেৱৰ গল্প-বোৰ ইমান চিত্তাকৰ্ষক, উপভোগ্য আৰু উজ্জ্বল। ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৺লক্ষ্মীধৰ শৰ্ম্মা, ৺শৰৎচন্দ্ৰ গোস্বামী, ৰমা দাস, হৰিৰাম ডেকা, কৃষ্ণ ভূঞা, ত্ৰৈলোক্য গোস্বামী, চৈয়দ আব্দুল মালিক আদি যিকেইজন শক্তিশালী কথা-শিল্পীৰ প্ৰচেষ্টাত অসমীয়া গল্প-সাহিত্যৰ এক সুদৃঢ় পৰম্পৰা গঢ়ি উঠিছে, সেই পৰম্পৰাৰ ৰবাদেৱ যে এজন উজ্জ্বল ৰত্ন, সন্দেহ নাই। শিক্ষাজীৱনৰ প্ৰত্যেক সোপানতেই মেধাৱী ছাত্ৰৰূপে পৰিচয় দি অহা ৰবাদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহত কৃতিত্বেৰে আৰু পাৰদৰ্শিতাৰে উত্তীৰ্ণ হৈ বৰ্ত্তমান চহৰৰ এজন প্ৰতিষ্ঠাবান প্ৰবীন উকীলৰূপে জীৱিকা নিৰ্ব্বাহ কৰিছে। নগাৱঁৰ সকলো জনহিতকৰ অনুষ্ঠানৰ

লগত বিশেষভাৱে জড়িত আৰু মাতৃ-ভূমিৰ মুক্তি-কামনাত নানান নির্য্যাতন ষহণকৰে'তা, ৰবাদেৱৰ জন্ম ১৮৯৫ চনত।

মৌলবী মহিউদ্দিন আহমদ : 'ঊষা'ত 'ভোৰোৰা' নামৰ প্ৰথম কবিতাৰে সাহিত্য-চর্চ্চাৰ দুৱাৰ মুকলি কৰা আহমদ ডাঙৰীয়াৰ বহুতো কবিতা, গল্প, প্রবন্ধ 'আলোচনী', 'ঊষা', 'আসাম বান্ধৱ', 'বাঁহী' 'গাঁৱৰ কথা', 'অৰুণ' আদি আলোচনীৰ পাতত সিচৰতি হৈ আছে। 'বাঁহী'ত ওলোৱা 'জিজিয়া', 'জোবেদা খাতুন', 'ওমৰ বেন অল খেতাব' আদি প্রবন্ধ কেইটাৰ বিষয়-বস্তুৰ অভিনৱত্ব মন কৰিবলগীয়া। ১৯৫১ চনত প্রকাশ পাই ১৯৫৪ চনত পুনৰ ভুমুকি মৰা 'মজাৰ গল্প'ৰ সোৱাদ পাঠকে নিশ্চয় পাহৰা নাই। আহমদ ডাঙ-ৰীয়া এজন লব্ধপ্রতিষ্ঠ হোমিওপ্যাথিক চিকিৎসক। ঘাই ঘৰ পুৰণিগুদামত। ১৮৯৩ চনত জন্ম।

মহেশচন্দ্র দেব গোস্বামী : 'আবাহন', 'সুৰভি', 'জয়ন্তী' আদি আলোচনীৰ পাঠক-পাঠিকাসকলৰ ওচৰত 'স্মৃতি' 'অমৰা' আৰু 'ছয়া-ময়া'ৰ কবি গোস্বামীদেৱ সুপৰিচিত। 'আৱাহন'ত প্রকাশিত 'ভক্তি', 'ধর্ম', 'সুৰভি'ত প্রকাশিত 'সুন্দৰৰ আদর্শ', আদি প্রবন্ধত গোস্বামীদেৱৰ মননশীল মন এটাৰ বোল লাগি আছে। গোস্বামীদেৱৰ 'স্মৃতি'ৰ কবিতা-বোৰ প্রধানকৈ ভাৰতীয় দর্শন আৰু চিন্তাধাৰাৰে সমৃদ্ধ।

যতিনাৰায়ণ শৰ্মাদেৱে সম্পাদনা কৰা „‘আধুনিক অসমীয়া কৱিতা’ত ‘ক’ত ভগৱান’ নামৰ কবিতা এটিয়ে ঠাই পাইছে। ‘কুমাৰ মধুসূদন’ নাম লৈ ৰচনা কৰা ‘কিমাশ্চৰ্য্যম্’ নামৰ পুথিখনিৰ আঁৰত এখেতৰ হাস্যৰসিক ব্যক্তিত্বৰ উমান পোৱা যায়। গুৱাহাটীত গঠিত হোৱা ‘প্ৰগতি সমিতি’ আৰু এ-এছ-এল ক্লাবৰ সাহিত্য সম্পৰ্কীয় কাৰ্য্যাৱলীৰ লগত বিশেষভাৱে জড়িত আছিল। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি এখেতৰ একুৰিবো ওপৰ ধেমেলীয়া নাট আদি প্ৰচাৰিত হৈছে। “আমাৰ অসম” আৰু “বিহুতলি” কাকতৰ সম্পাদনা কৰিছিল। কটন কলেজৰপৰা দৰ্শনত অনাৰ্চ লৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উক্ত বিষয়ত এম-এ পাছ কৰি বৰ্ত্তমান নগাওঁ কলেজৰ উপাধ্যক্ষ পদত অধিষ্ঠিত। জন্ম বৰদোৱা বালিসত্ৰত ১৯১৯ চনত।

মলিনচন্দ্ৰ বৰা : ‘বেণু’, ‘সুৰৰ কবিতা’, ‘বলাকাৰ ৰেখা খেদি’ প্ৰভৃতি কেইখাখনো পুথিৰ ৰচয়িতা এজন নৱৰ্ী কবি। ‘আসাম হিতৈষী’, ‘ঘৰ জেউতি’, ‘আৱাহন’ আদি আলোচনীত বৰাদেৱৰ ভালেমান কবিতা প্ৰকাশ পাইছে। ‘আৱাহন’ত প্ৰকাশিত ‘মানভঞ্জন’, ‘শেষনিশ্বাস’, ‘স্নেহৰ টান’, ‘নপাৰ জানিবি হৃদয় শাঁত’ প্ৰভৃতি কবিতাত বৰাৰ কবিত্ব শক্তিৰ পোহৰ জিলিকি উঠিছে। বৰাৰ ৰচিত শ্ৰুতিমধুৰ গীতবোৰে অসমৰ সঙ্গীত-ফুলনিত মধুৰ সৌৰভ বিলাইছে।

এখেতৰ গীত অনাতাঁৰত প্ৰায়ে শুনিবলৈ পোৱা যায়। বৰ্ত্ত-মান 'মিচ্ হাজৰিকা' উপন্যাসখনি যন্ত্ৰস্থ। জন্ম চন ১৯০৬।

মহেন্দ্ৰনাথ শইকীয়া ঃ 'চেতনা" আৰু 'Uplift of the Scheduled Castes & the Backward Classes' নামৰ পুথি দুখনেৰে সাহিত্যসেৱাৰ পৰিচয় দাঙি ধৰা শইকীয়াদেৱৰ 'চেতনা' এখন আধ্যাত্মিক ভাৱধাৰাৰ কবিতা পুথি। প্ৰায়বোৰ কবিতাৰ মাজেদি কবিয়ে সমাজৰ বৈষম্যবোৰলৈ আঙুলিয়াই আধ্যাত্মিক দৃষ্টিকোণৰ পৰা জীৱন-জগতৰ বিচাৰ কৰিবলৈ প্ৰয়াস পাইছে। "God and His Creations", 'ধৰ্ম আৰু শান্তি', 'শঙ্কৰী ধৰ্ম আৰু ইছলাম" আদি কেইবাখনো পুথি হাতে-লিখা অৱস্থাতে আছে। ছাত্ৰজীৱনত মেধাবী ছাত্ৰৰূপে পৰিচয় দিয়া আৰু ডিব্ৰুগড় বেৰিহোৱাইট মেডিকেল স্কুলৰ পৰা উত্তীৰ্ণ হোৱা শইকীয়াদেৱে নানান সামাজিক অনুষ্ঠানৰ লগত জড়িত থাকি সমাজসেৱাও কৰিছে। জন্ম ১৯০২ চনত।

মহেশ্বৰ বৰা ঃ 'নামধৰ্ম', 'প্ৰভাত', 'কল্যাণী', 'ইন-চাফ', 'মুক্তি' আদি আলোচনীত কবিতা প্ৰবন্ধাদি লেখা বৰাৰ কবিতাপুথি 'পুৱালে সময় কিমান' ? বাইজৰ আগলৈ ওলাইছে। 'মলয়া', 'স্বপ্ন আৰু বাস্তৱ', 'মৰান জীয়াৰী', 'অজ্ঞাত-বাস' আদি কেবাখনো কবিতা নাটক হাতে-লিখা অৱস্থাত

ঘৰ কামপুৰত । জন্ম ১৯২০ চনত ।

মোহনচন্দ্ৰ মহন্ত : 'ভগৱান বুদ্ধ আৰু তেওঁৰ ধৰ্ম-শিক্ষা' নামৰ পুথিৰ ৰচয়িতা ।

মহিম বৰা : 'আৱাহন', 'ৰামধেনু', 'জয়ন্তী', পূৰেকণ, ৰঙদৈচিলা, ভ্ৰমৰ, অৰুণাচল, বিহুৱান, চিত্ৰবন, নতুন অসমীয়া, আদি বিভিন্ন আলোচনী, বাতৰিকাকতত পাতত বৰাৰ ভালেমান গল্প, কবিতা, প্ৰবন্ধাদি প্ৰকাশ হৈ গৈছে । জয়ন্তীযুগৰ কবি-আন্দোলন হঠাৎ নীৰৱ হৈ পৰাৰ পিছত 'ৰামধেনু'ৰ প্ৰথম তিনি-চাৰিবছৰৰ ভিতৰত ন-পুৰণি ভাব-ধাৰাৰ নতুন সম্পৰ্ক স্থাপনৰ দৃষ্টি-ভঙ্গীৰে কবিতা ৰচনা কৰা কবিসকলৰ এজন । ১৯৫৫ চনৰ ভাৰতীয় 'কবিতা-সঙ্কলন', ডাঃ মহেশ্বৰ নেওগৰ সম্পাদিত 'সঞ্চয়ন' আৰু মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন-কবিতা'ত বৰাৰ কবিতা সন্নিবিষ্ট হৈছে । ৰামধেনুৰ গল্প-প্ৰতিযোগিতাত পুৰস্কৃত 'আখেজ' আৰু 'কাঠনি-বাৰী ঘাট' বৰাৰ দুটা বাছকবনীয়া গল্প । 'ৰচনাৰ বিষয়ে এখন ৰচনা', 'বুৰঞ্জী নহয়, 'বুৰঞ্জী-মূলক হেমচন্দ্ৰ বৰুৱাৰ ৰচনা-ৰীতি' [নগাওঁ কলেজ আলোচনী] 'অঙ্কীয়া নাটৰ সূত্ৰধাৰ, [জয়ন্তী] আদি তথ্যমূলক ৰচনা নিজ নামত আৰু ছদ্মনামত লাহতী ৰচনাও প্ৰকাশ হৈছে । বাৰখনমান নাটক আৰু ৰচনা অনাতাঁৰৰ যোগেদি

প্ৰচাৰিত হৈছে। কিছুদিন শিশু-আলোচনী 'বংশৰ'ৰ সহকাৰী সম্পাদক আৰু 'অৰুণাচল'ৰ প্ৰধান সম্পাদক আছিল। 'নীলাচলৰ বেৰা' (কবিতাসংকলন) 'কাঠনিবাৰী ঘাট' (গল্প-সংকলন) 'মাষ্টৰজীৰ লাভ লোকচান' (ব্যঙ্গ গল্প-সংকলন) 'মোমাইৰ পদূলীত বান্ধিলোঁ ঘোঁৰা', [বচন-সংগ্ৰহ] 'জেতুকীমলা আৰু চিগুৰেলা' (শিশু-সাহিত্য) অপ্ৰকাশিত অৱস্থাত। বৰ্ত্তমান নগাওঁ কলেজৰ অধ্যাপক। ঘৰ কলিয়াবৰ, হাটবৰত। জন্ম ১৯২৬ চনত।

মণি বৰা **:** সঙ্গীত-শিল্প আৰু নাট্য-পৰিচালনাত বিশেষ কৃতিত্ব লাভকৰা বৰাৰ প্ৰকাশিত প্ৰবন্ধাদি লেখত ধৰাকৰ হলেও যিকেইটি ওলাইছে, তাতেই ৰচনাশক্তিৰ পৰিচয় ফুটি ওলাইছে। 'কৃষি শক্তিকাৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰ' 'সভ্যতাৰ মহলটো', 'In search of peace,' আদি প্ৰবন্ধ উল্লেখ যোগ্য। বৰাৰ 'আউসাৰ বাস্তু', 'কুঞ্জকুটীৰ', 'বাবুল' আদি নাটককেইখন নগাওঁ আৰু গুৱাহাটীৰ বহুঠাইত মঞ্চস্থ হৈছে। 'মুক্তি', 'বৈজ্ঞানিক', (একাঙ্কিকা), 'ওমশান্তি' 'কুইট ইণ্ডিয়া', 'ভাৰতমাতা' প্ৰভৃতি নৃত্যনাটিকা কেইখনমান হাতেলিখা অৱস্থাত। 'কুঞ্জকুটী'ৰ যন্ত্ৰস্থ। জন্ম ১৯২৭ চনত।

মোখলেছ আহমদ **:** চলচ্চিত্ৰ শিল্পৰ প্ৰতি বিশেষ

ভাবেই অনুৰাগী এজন সাহিত্যানুৰাগী লিখক। 'সুৰভি', 'নগাওঁ কলেজ আলোচনী', 'শান্তিদূত', 'ৰাইজ' আৰু 'নৱোদয়ত' কেইবাটাও প্ৰবন্ধ প্ৰকাশ হৈছে। 'ছাত্ৰ আৰু ৰাজনীতি', 'বিজ্ঞান আৰু সাহিত্য' [হিন্দীৰ অনুবাদ] আমাৰ কথাছবি 'চিনেমাৰ আদি কথা', ভাৰতীয় কথাছবি, ভাৰতীয় নৃত্যৰ ক্ৰমবিবৰ্ত্তন [হিন্দীৰ অনুবাদ] আদি প্ৰবন্ধই প্ৰধান। হিন্দীৰ নাটক 'মাকা আশীৰ্ব্বাদ' আৰু হিন্দী গীত কবিতা পুথি 'মলহাৰ' হাতে-লিখা অৱস্থাত। জন্ম ১৯২৭ চনত।

মাধৱ শৰ্ম্মা ঃ নগাওঁ কলেজৰ এজন সাহিত্যানুৰাগী ছাত্ৰ। 'নতুন অসমীয়াত' 'তৃষ্ণা' আৰু 'জীৱনৰ আওবাটেদি' নামৰ দুটি গল্প আৰু নগাওঁ গৱৰ্ণমেণ্ট হাইস্কুলৰ আলোচনী 'উদয়ত', 'কীৰ্ত্তন', 'তীৰ্থস্থান' আদি প্ৰবন্ধ প্ৰকাশ পাইছে। 'যুগৰ নাৰী' 'আধুনিক জগতলৈ বুঢ়া আতাৰ প্ৰবেশ [ব্যঙ্গ-নাটিকা] 'পূজাৰ বলি', 'সমাজ' [একাঙ্কিকা] আদি হাতে-লিখা নাটককেইখন নগাৱঁৰ বিভিন্ন মঞ্চত অভিনীত হৈছে। হাতে-লিখা অৱস্থাত কেইবাখনো নাটক আৰু গল্পপুথি আছে। ঘৰ কচলুখোৱাত। জন্মচন ১৯৩৫।

মইনউদ্দিন আহমদ ঃ 'ভাল পোৱা জানো পাপ' উপন্যাসৰ ৰচয়িতা।

যোগেশ তামুলী : 'নিচুকনি'ৰ ৰচয়িতা তামুলী দেৱৰ বিভিন্ন আলোচনীৰ পাতত প্ৰকাশিত কবিতাসমূহও সাহিত্যসেৱাৰ পৰিচয় জিলিকি আছে। অসমীয়া 'ধাই নাম' 'গৰখীয়ানাম', 'টোকাৰী নাম', সংগ্ৰহ কৰি 'নিচুকনি' ৰচনা কৰা হৈছে। ঘৰ বগৰিগুৰিত। জন্ম চন ১৮৯০।

যোগেশ্বৰ বৰা : 'শিলঘাটৰ বুৰঞ্জী', 'নামৰ বাস্তৱতা, 'আত্ম-জাগৰণ' আদি পুথিৰ ৰচয়িতা বৰাদেৱ এজন অনুসন্ধিৎসু সাহিত্যসেৱী। 'আত্ম-জাগৰণ' আৰু 'নামৰ বাস্তৱতা' পুথি দুখনিত আত্মিক বা আধ্যাত্মিক বিকাশৰ যোগেদি, মানবোচিত কৰ্ম্মৰ যোগেদিহে যে মহিমামণ্ডিত হৈ উঠিব পাৰি, তাকে দেখুৱাবলৈ চেষ্টা কৰা হৈছে। 'বিবাহ বিধি', 'সাহিত্য-পৰিচয়', 'তৰণী সেন বধ', 'ৰামবনবাস, 'ধ্ৰুৱ' আদি নাটক, প্ৰবন্ধ পুথি হাতে লিখা অৱস্থাত। নাটক কেইখন কেইবাঠাইতো মঞ্চস্থ হৈছে। ঘৰ শিলঘাটত।

যামিনীকান্ত দাস 'অকণৰ সাধুকথা' আৰু 'নলদময়ন্তী' পুথিৰে সাহিত্যচৰ্চ্চাৰ প্ৰতি অনুৰাগ দেখুৱা দাসদেৱৰ জন্ম ১৯০৮ চনত বহাত। বৰ্ত্তমান নগাওঁ চৰকাৰী হাইস্কুলত শিক্ষকতা পদত অধিষ্ঠিত।

যোগেশ শৰ্মা : মঞ্চশিল্প আৰু নাট্য-কলাৰ প্ৰতি

বিশেষভাবেই অনুৰাগী শৰ্মাদেৱৰ দুই এটা প্ৰবন্ধ সাময়িক কাকতত প্ৰকাশ পাইছে। ৰামধেনুত প্ৰকাশ পোৱা নগাৱঁৰ ৰঙ্গমঞ্চ সম্পৰ্কীয় প্ৰবন্ধকেইটা উপভোগ্য আৰু তথ্যবহুল।

যাদৱ শৰ্মা : 'আৱাহন'ত শৰ্মাৰ ভালেমান কবিতা প্ৰকাশ হৈ গৈছে। 'প্ৰেতাত্মাৰ বিহুৱান', 'অতীত মাধুৰী' আদি কবিতাত শৰ্মাৰ কবিত্বশক্তিৰ পৰিচয় পোৱা যায়। হাতে-লিখা অৱস্থাত ভালেমান কবিতা আছে। ঘৰ কচলু-খোৱাত। জন্ম ১৯২১ চনত।

যতীন বৰা : আজি অলপদিনৰ আগৰপৰা লিখিবলৈ লোৱা বৰাৰ কেইবাটিও চুটি গল্প 'অসমবাণী' আৰু 'নতুন অসমীয়া'ত প্ৰকাশ হৈছে। 'ছাগলীমামা সাঁকো, ডাক, চম্পাকলি, প্ৰান্তৰে প্ৰান্তৰে, আদি গল্প উল্লেখযোগ্য।

৺ৰঘুনাথ গোস্বামী : জীৱনৰ সৰহভাগ কাল শিক্ষকতা কৰি কটোৱা আজীৱন সাহিত্যসেৱী গোস্বামীদেৱৰ গদ্য-পদ্য দুয়োবিধতে সমানে হাত আছিল। 'বাঁহী', 'চেতনা' 'ধৰ্ম-প্ৰদীপ', 'আসামহিতৈষী' আদিত তেখেতৰ প্ৰবন্ধ আৰু কবিতা সিচৰতি হৈ আছে। 'কবিতা-কুঞ্জ' নামে কবিতাৰ পুথি এখন হাতে-লিখা অৱস্থাতে এৰি থৈ যায়। জড়ভৰতৰ

কাহিনী সম্পৰ্কীয় পুথি এখন লিখি থাকোঁতেই হঠাৎ উৎক ৰোগে পায় আৰু সেইৰোগতে ১৯৩২ চনৰ ৮ জুনত স্বৰ্গী হয়। জন্ম ১৭৮৮ চনত কলিয়াবৰ মাধভাৰি সত্ৰত।

৺ৰত্নেশ্বৰ মহন্ত : একনিষ্ঠ সাহিত্যসেৱী মহন্তদেৱৰ নিজ নাম আৰু ছদ্মনামত ভালেখিনি প্ৰবন্ধ আৰু কবিতা 'আসামবন্ধু' আৰু 'জোনাকী'ত প্ৰকাশ হৈছিল। 'জয়মতী কুঁৱৰী আৰু সাত্তিগদাপাণি' প্ৰবন্ধটি পঢ়িবলগীয়া। 'কবিতা-হাৰ' প্ৰকাশিত পুথি। 'দ্ৰৌপদীৰ বেণীবন্ধন' আদি কেইবা-খনো নাট হাতে-লিখা অৱস্থাত এৰি থৈ গৈছে। 'গাৰঁলীয়া বোৱাৰী' নামৰ কবিতাটিয়ে মহন্তদেৱৰ কবিত্ব শক্তিৰ পৰিচয় দি আছে। জন্মচন ১৮৬৪, মৃত্যুচন ১৮৯৩।

৺ৰুদ্ৰৰাম বৰদলৈ : প্ৰথম অসমীয়া সামাজিক নাটক 'বঙাল-বঙালনী'ৰ ৰচয়িতা বৰদলৈদেৱে জ্যোতিষ আৰু গ্ৰহ-ৰত্ন সম্পৰ্কীয় 'ৰত্ন-মণি' নামৰ এখন পুথিও লিখি প্ৰকাশ কৰি উলিয়াইছিল। 'অসমৰ দেৱানী কাৰ্য্য-ব্যৱস্থা' আৰু 'কুটুম' (সামাজিক নাটক) হাতে-লিখা অৱস্থাত এৰি থৈ গৈছে। ১২৪৩ চনত জন্ম, মৃত্যু ১৩০৬ চনত।

৺চন্দ্ৰকান্ত গোস্বামী : 'বাঁহী' আদি আলোচনীৰ এজন নিষ্ঠাবান লিখক। 'গঙ্গাৰ প্ৰতি ভগীৰথ', 'পথিক', 'মহাপুৰুষ' আদি ভালেমান কবিতা এখেতে লিখিছে। 'চন্দ্ৰ-

কান্ত অভিধান'ৰ প্ৰথম সঙ্কলনৰ সময়ত কাৰ্য্যকৰোঁতাসকলৰ এজন। ঘৰ পুৰণিগুদামত।

৺**_ৰামানন্দ বৈশ্য_**: 'পত্নী-বিয়োগত' পুথিৰ ৰচয়িতা। সহধৰ্ম্মিনীৰ অকাল মৃত্যুত কবিৰ বেদনাসিক্ত অন্তৰৰ এধাৰি চকুলো।

৺**_ৰত্নধৰ বৰুৱা_**: "ভ্ৰমৰঙ্গ"ৰ এজন ৰচয়িতা।

_ৰঘুদেৱ গোস্বামী_: 'হিতোপদেশ-কাব্য'ৰ লিখক। 'হিতোপদেশ-কাব্য' সংস্কৃতৰ ভাঙনি আৰু পুৰণি বৈষ্ণৱ কবিতাৰ সাঁচত ঢলা।

ৰত্নকান্ত বৰকাকতী: অসমৰ অন্যতম প্ৰতিভা-সম্পন্ন কবি বৰকাকতীদেৱ এজন মননশীল দাৰ্শনিক নাট্যকাৰ আৰু ওখ থাপৰ প্ৰবন্ধ-সাহিত্যিকো। 'বামধেনু'ত প্ৰকাশ হোৱা 'হৰিণচুমা' নামৰ নাটকখন আৰু 'আৱাহন', 'বাঁহী', 'চেতনা', 'ৰঙদৈচিলা' প্ৰভৃতি আলোচনীত ওলোৱা 'সাহিত্য কি', 'সাহিত্য দৰকাৰ নে অলঙ্কাৰ', 'সাহিত্যৰ স্বৰূপ', 'অসমীয়া-সাহিত্যত বেজবৰুৱা', 'বেজবৰুৱাৰ ভাষিমী', 'জ্ঞানমালিনীৰ সমালোচনা', 'কবি, কাব্য আৰু কাব্যৰস', 'হিন্দুধৰ্মৰ মূলতত্ব', 'উপনিষদৰ সৌন্দৰ্য্য', 'ত্ৰিফলা' প্ৰভৃতি

প্ৰবন্ধই নিঃসন্দেহে বৰকাকতীদেৱৰ মননশীলতা আৰু অধ্যয়ন-গভীৰতাৰ পৰিচয় দিছে। স্কুলীয়া ছাত্ৰ হৈ থাকোঁতেই 'উষাৰ বুকুত', 'নতুন বছৰ' নামৰ কবিতাৰে সাহিত্য-সাধনা আৰম্ভ কৰা বৰকাকতীদেৱৰ 'শেৱালি' অসমীয়া কাব্য-মন্দিৰলৈ মোহন উপহাৰ। তেখেতৰ আন এখন কবিতা পুথি 'তৰ্পণ'ৰ 'গান্ধী-তৰ্পণ' নামৰ কবিতাটো দিল্লী মহানগৰীত অনুষ্ঠিত গণতন্ত্ৰ দিবস সমাৰোহত অখিল ভাৰতীয় সৰ্বভাষা কবি-সভাত আবৃত্ত হৈছে। ভাৰতীয় বিভিন্ন ভাষালৈ অনূদিত হৈ সঙ্কলনৰ শোভা বঢ়াইছে আৰু দেশমুখৰ 'ৰবীন্দ্ৰবন্দনা' শীৰ্ষক সংস্কৃত কবিতাৰ লগতে ঠাই পাই "Out standing Poem"ৰূপে প্ৰশংসিত হৈছে। পৃথিবী-খ্যাত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে বৰকাকতীদেৱৰ কবিতা-সাধনাৰ বিষয়ে কয়, "The contributions of Sree Ratna Kanta Barkakati to Assamese poetry are of lasting worth and too well known to need any introduction. His "Sewali" is an unique collection of thoughtful lyrics." ৰসৰাজ ৺বেজবৰুৱাদেৱে লিখিছে "তোমাৰ কবিতাত এটা নতুন সুৰ, নতুন ধাৰ আছে, আজিকালিৰ আন অসমীয়া কবিৰ কবিতাত নাই।" অসমৰ বৰ্ত্তমান লিপি পৰিবৰ্ত্তনৰ আন্দোলনৰ বিপক্ষে ইংৰাজীত লিখা লিপি-প্ৰশ্ন সম্পৰ্কীয় 'Our Script Question' নামৰ পুথিখন বৰকাকতীদেৱৰ যুক্তি-বিচাৰ ক্ষমতা আৰু ভাৰতীয়

শিল্পিতত্ত্ব জ্ঞানৰ পৰিচায়ক। বৰকাকতীদেৱক অসমত 'ৰবীন্দ্র সাহিত্যৰ বিশেষজ্ঞ' বুলিব পাৰি। ১৯৬১ চনত কলিকতাত হৰ লগীয়া ৰবীন্দ্র শতবাৰ্ষিকী উপলক্ষে, সাহিত্য একাডেমীয়ে ষোধ'টা ভাষাত ৰবীন্দ্রকাব্য অনুবাদৰ কাম হাতত লয়; বৰ-কাকতীদেৱে ৰবীন্দ্রনাথৰ ৫২টা কবিতা অসমীয়ালৈ অনুবাদ কৰি বিশেষ পাৰিতোষিক লাভ কৰে। বৈষ্ণৱ-সাহিত্য সম্পৰ্কেও বৰকাকতীৰ জ্ঞান গভীৰ। বৰকাকতীদেৱৰ আলোচনা-সমালোচনাৰ এটা অন্যতম বৈশিষ্ট্য এয়ে যে, সেইবোৰ সদায় তল-স্পৰ্শী, চালে-বাৰে কোবোৰা বিচাৰ-ব্যাখ্যাৰে ভাৰাক্রান্ত নহয়। 'মদাৰ' (দাৰ্শনিক কবিতা পুথি), 'সুৰা' (ওমৰতত্ত্বৰ আহিত লিখা গীতি-কবিতা), 'বেলিৰ পোহৰ' [ৰবীন্দ্রকাব্য-আলোচনা], 'বৰকৰা বৃপাসৰ নতুনৰ চ'ৰা' [ৰাজনৈতিক আলোচনামূলক প্রবন্ধৰাজি], আদি কেইবা-খনো পুথি যুগুত কৰি থোৱা আছে। ছপাশাল কিনি কাৰ্নেলিষ্ট হবৰ কাৰণে বৰকাকতীদেৱে পিতাদেৱকৰ লগত কৰা আয়োজন সম্পূৰ্ণ হৈ উঠিলেও, নানান প্রতিকূল অৱস্থাৰ মাজতো বৰকাকতীদেৱৰ সাহিত্য-সাধনা, মননশীলতা আৰু অধ্যয়ন-নিষ্ঠাৰ আলোকত নিশ্চয় সফল হৈ উঠিছে, সন্দেহ নাই। ১৮৯৭ চনত চিঙত জন্ম।

ৰাধিকামোহন দেৱগোস্বামী **ঃ** ছাত্রাৱস্থাৰেপৰাই সাহিত্যানুৰাগী গোস্বামীদেৱে 'অসম সাহিত্য সভা পত্রিকা'ত

'আক্ষেপ' নামৰ কবিতাৰে সাহিত্য-জীৱন আৰম্ভ কৰে। ইয়াৰ পিছত 'আৱাহন'ৰ যোগেদি চুটি গল্প-লিখাৰূপে গোস্বামীদেৱ বাইজৰ আগলৈ ওলায়। 'এলোৱা', 'পাগলৰ সোঁৱৰণী', 'দেৱতাৰ সমাধি', 'নিয়তি', 'বিচিত্ৰ জগত, 'পতিতা', 'শেষচিঠি', 'মালতী' আদি অনুবাদ, গল্প আৰু মৌলিক গল্পকেইটা 'আৱাহন'ত প্ৰকাশ পায়, 'জয়ন্তী'ত মোহন সিং' আৰু 'হামিদ', 'ৰামধেনু'ত 'ষ্টেট টেন্সপট', 'কন্যাদায়', 'সিইতক মই কেনেকৈ বিসৰ্জন দিম', 'মোতকৈ জানো তৃথীয়া মাই', 'বিহলঙনি'ত 'বিজয়া দশমী' 'এইদোৰেই ইহঁতৰ জীৱন', 'ৰাষ্ট্ৰবীয়েষ্ট' দেওনা আল' আদি গল্পই মুক্তি লাভ কৰে। এই আটাইখিনি গল্পই গোস্বামীদেৱৰ গাল্পিক প্ৰতিভাৰ পৰিচায়ক। গল্প-সাহিত্যিক গোস্বামীদেৱক অসমীয়া সাহিত্যৰ এখন আগশাৰীৰ উপন্যাস 'চাকনৈয়া'ই ঔপন্যাসিক ৰূপেও সুপ্ৰতিষ্ঠিত কৰিলে। 'বা-মাৰলী' দ্বিতীয় প্ৰকাশিত উপন্যাস। অপৰাধী' আৰু 'দুষ্টাভাৰ্য্যা' নামৰ হত্যাকাণ্ডমূলক কাহিনী পুথি দুখনো এখেতৰ কাপৰেই দান। ১৯৩৭ চনত অসম সাহিত্য সভাই ঘোষণা কৰা 'সাহিত্যত সম্প্ৰদায়িকতা' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰে। আগশাৰীৰ অসমীয়া কথা সাহিত্যিকসকলৰ মাজত স্থান পোৱা গোস্বামীদেৱে ১৯২৯ চনত দৰ্শনত অনাৰ্হ লৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা 'প্ৰতাপচন্দ্ৰ মজুমদাৰ' স্বৰ্ণপদক লাভ কৰি বি-এ ডিগ্ৰীলৈ পিছত বি-এল

পৰীক্ষাত উত্তীৰ্ণ হৈ নগাৱঁত ওকালতী আৰম্ভ কৰে। ওকালতীয়েই তেখেতৰ বৰ্ত্তমান জীৱিকা। জন্মচন ১৯০৬।

ৰমাকান্ত মুক্তিয়াৰ : 'ৰটদ্ৰৱা', 'আই কনকলতা', 'মহাকালৰ বিধিৰ সমালোচনা আৰু জন্মবৃত্তান্ত' আদি কেইখনো পুথিৰ ৰচয়িতা মুক্তিয়াৰ এজন নিষ্ঠাবান সাহিত্য-সেৱী। ঘৰ পুৰনিগুদামত।

ৰত্নেশ্বৰ বৰাহালদাৰ : শ্ৰীমদ্ভাগৱতৰ অসমীয়া ভাঙনি কৰিছে। ঘৰ ডিফলুত।

ৰজত বৰুৱা : 'বন প্ৰভা' আৰু 'যুগ-বাণী' কবিতা পুথিৰ ৰচয়িতা উদীয়মান কবি বৰুৱাৰ সাহিত্যানুৰাগৰ চিন কেৱল লিখনীতেই নহয়, সাহিত্য সম্পৰ্কীয় অন্যান্য কাৰ্য্যাৱলীৰ যোগেদিও ফুটি ওলাইছে। 'ইনচাফ', 'কল্যাণী', 'কাচিজোন', 'নতুন অসমীয়া', 'শান্তিদূত', 'অসম বাণী', 'দীপক, আদি কাকতত বৰুৱাৰ ভালেমান কবিতা প্ৰকাশ পাইছে। 'জয়ধ্বনি', 'অকণিৰ গীত', 'জাগৰণ', 'চিৰন্তনী', আদি কবিতা-পুথি আৰু "আদৰ্শৰ সংঘাত" নামৰ উপন্যাস অপ্ৰকাশিত অৱস্থাত। ঘৰ ফুলগুৰিত। জন্ম ১৯২৫ চনত।

ৰাজেন বৰকাকতী : 'ভুলকাৰ' 'ইকি আৰু কিয়' 'পৰিবৰ্ত্তন', 'জীৱনৰ গতিপথ' আদি উপন্যাস আৰু গল্প-

পুথিৰ ৰচয়িতা এজন উদীয়মান সাহিত্যসেৱী। 'পৰিবৰ্ত্তন'ত পৰ্ব্বত ভৈয়ামৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ লিখকে যি প্ৰয়াস পাইছে, সি প্ৰশংসনীয়। 'আজিৰ মানুহ' নামৰ নাটিকা এখন ছপাশালত। ঘৰ সেনচোৱাত। জন্ম ১৯৩৭ চনত।

কণু বৰুৱা : 'ৰামধেনু', 'নগাওঁ কলেজ আলোচনী', 'নৱোদয়', 'নতুন অসমীয়া', 'জন্মভূমি', 'বিহুলঙনি' আদি কাকতৰ পাত্ৰ-পত্ৰিকা সমূহে এই গৰাকী লিখিকাৰ গল্প প্ৰবন্ধাদি প্ৰকাশিত পাইছে। 'শকুন্তলাৰ চিঠি (নতুন অসমীয়া) 'উত্তৰ, পৰিচয় [ৰামধেনু] 'নতুন কোৱালিটি' [বিহুলঙনি] আদি গল্পত লিখিকাৰ ৰচনাশক্তিৰ পৰিচয় পোৱা যায়।

৺লীলাধৰ দেৱশৰ্ম্মা শ্ৰুতিকৰ : শ্ৰীমদ্ভাগবত গীতা অসমীয়া পদ্য ছন্দত ৰচনা কৰিছে। জন্ম— পুৰণি-গুদামত।

৺লক্ষ্মীনাৰায়ণ দাস : 'চম্পা' 'বৈৰাগীৰ আত্ম কথা' 'যৌৱনৰ ৰাগী' 'ধনৰ উপন্যাস, 'পাৰ্সিয়ুচ' 'মেক-বেথ' ডুখন কাহিনী আৰু 'অৰুণৰ ত্ৰৈলঙ্গস্বামী' এখন জীৱনী-পুথিৰ ৰচয়িতা দাস দেৱৰ সাহিত্য সেৱা আজিও এৰিব নোৱাৰা ৰাগী। ছাত্ৰাৱস্থাতেই হাতে-লিখা আলোচনীত প্ৰবন্ধাদি লিখি সাহিত্যানুৰাগ দেখুৱা দাস দেৱৰ

'পাচিবুছ' আৰু 'ত্ৰৈলঙ্গস্বামী' ভাবে ভাষাই দুখনি মনোৰম পুথি। বিষয় বস্তু যিয়েই নহওক, ভাষাৰ প্ৰাঞ্জলতা আৰু সঙ্কীৰ্ণতাই দাসৰ আত্মাইকেইখন পুথিকেই সুখপাঠ্য কৰি তুলিছে। 'কাঁণী কাকত দস্যু চৰ্দাৰ' নামৰ ডিটেক্টিভ কাহিনী পুথি এখন অপ্ৰকাশিত অৱস্থাতে ৰল। ১৯৪১ চনত ডিব্ৰুগড়ৰ ৰঙনা প্ৰাইমাৰী স্কুলত শিক্ষক ৰূপে প্ৰৱেশ কৰে আৰু উক্ত স্কুলত শিক্ষকতা কৰি থাকোঁতেই সন্ন্যাস ৰোগত ১৯৫০ চনত মৃত্যুমুখত পতিত হয়। জন্ম - ১৯১৯ চনত।

অনিলকুমাৰ বৰুৱা ঃ একাধাৰে চিকিৎসক, সমাজসেৱী আৰু সাহিত্যিক ডাঃ বৰুৱাদেৱে ডেৰকুৰিৰো ওপৰ গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰি সাহিত্য সেৱাৰ ঐকান্তিকতাৰ পৰিচয় দিছে। বিশেষকৈ অসমীয়া স্বাস্থ্য বিজ্ঞান, যৌন-বিজ্ঞান আৰু চিকিৎসা-সাহিত্যত ডাঃ বৰুৱাৰ অৱদানৰ মূল্য স্থায়ী আৰু মহত্বপূৰ্ণ। 'মাতৃ-মঙ্গল', 'শিশু-মঙ্গল', 'ধাত্ৰী-শিক্ষা', 'জন্ম-নিয়ন্ত্ৰণ', 'স্বাস্থ্য বিজ্ঞান', 'গৃহ পৰিচৰ্যা', আদি স্বাস্থ্য বিষয়ক পুথি কেইখনৰ উপৰি এই দিশেও 'ইলা দত্তলৈ মুকলি চিঠি' নামৰ ছদ্মনামেৰে প্ৰকাশ পোৱা অকৰণীয়া যৌনগ্ৰন্থৰ মূল্য স্থায়ী হৈ ৰব, সন্দেহ নাই। 'ইলা বৰুৱা' নাম লৈ লিখা 'ককাইদেউলৈ মুকলি চিঠি' 'Wither Assam' আদি গ্ৰন্থত বৰুৱাদেৱৰ সমাজ সচে-

ডন মনোভাৱ ওলাই পৰিছে। 'নবাব জওহৰলাল', 'মহা-
ৰাৰ মহাভাৰত' [শিশুপাঠ্য] 'স্বামী বিবেকানন্দ' মহাপু-
ৰুষ মাধৱদেৱ, মহামুনি বুদ্ধ [জীৱনী], 'ইউৰোপৰ বাটত
[ভ্ৰমণ কাহিনী] আদি পুথিও বৰুৱাদেৱে ৰচনা কৰিছে।
'ইণ্ডিয়ান মেডিকেল এছচিয়েচন'ৰ অসম শাখাৰ দ্বাৰা প্ৰকা-
শিত 'অসম-স্বাস্থ্য' নামৰ মাহেকীয়া আলোচনী এখন
সম্পাদনা কৰি আছে। ১৯২৫ চনত বেৰিহোৱাইট মেডি-
কেল স্কুলত শিক্ষা সাং কৰি চৰকাৰী চাকৰিত সোমাল
আৰু এবছৰ চাকৰিত থকাৰ পিছত নগাঁৱত স্বাধীন ভাৱে
জীৱিকা চলাবলৈ ধৰে। ৰেডক্ৰচ চচাইটি শ্ৰীমন্ত শঙ্কৰ
মিশ্যন আদি অনেক জনহিতকৰ অনুষ্ঠানৰ লগত জড়িত
ডাঃ বৰুৱাৰ জন্ম— ১৯০১ চনত।

লক্ষেশ্বৰ হাজৰিকা : 'পিনকিঅ', বিনয়',
আৰু 'যুবজীৱ পৰিপ্ৰেক্ষিত মুক্তিদাতা'ৰে হাজৰিকাই সাহিত্য-
সেৱাৰ নিদৰ্শন দাঙি ধৰিছে। পৃথিবীৰ প্ৰায় সকলো ভাষা-
লৈ অনূদিত হোৱা চাৰ্লচ লৰেঞ্জিনিৰ অনুপম শিশু-
সাহিত্য 'পিনকিঅ'ৰ অসমীয়া ভাঙনি কৰি হাজৰিকাদেৱে
নিশ্চয় প্ৰশংসনীয় কাম কৰিছে। 'যুবজীৱ পৰিপ্ৰেক্ষিত
মুক্তিদাতা'ত যীশুখ্ৰীষ্টৰ জীৱনী বহলভাৱে আলোচনা কৰা
হৈছে। 'কীৰ্ত্তনৰ সাধু' যন্ত্ৰস্থ হৈ আছে। Assam Tribune;
Social walfare ; New voice, 'নতুন অসমীয়া, ৰংঘৰ,

'বিহুলগুনি' আদি কাকতত হাজৰিকাৰ কেইবাটিও ইংৰাজী আৰু অসমীয়া কবিতা প্ৰবন্ধ ওলাই গৈছে। 'Descriptive aspects of Sree Sankardeva, 'The River system of Assam, কল্কি বা সভ্যতাৰ ভবিষ্যৎ [অনুবাদ] আদি প্ৰবন্ধ উল্লেখ যোগ্য। অনাতাঁৰৰ যোগেদিও হাজৰিকাৰ ৰচনা প্ৰচাৰিত হৈছে। ঘাইঘৰ সোণাৰিগাওঁ, কলিয়াবৰত। জীৱিকা ওকালতী। জন্ম— ১৯১৭ চনত।

লক্ষেশ্বৰ শইকীয়া : 'আইকনকলতা' আৰু 'হৰিনাম'ৰ ৰচয়িতা। 'নামধৰ্ম' কাকতৰ লগত জড়িত। ঘৰ কামপুৰত।

লক্ষ্মীনন্দন বৰা : কেইবছৰমানৰ পৰা চুটিগল্প লিখিবলৈ লোৱা বৰাই 'ৰামধেনু'ৰ বুকুত 'ভাওনা'ৰ যোগেদি ভুমুকি মাৰি 'ৰামধেনু', 'অসমবাণী', 'নতুন অসমীয়া', 'জোনাক', 'অৰুণাচল' আদি কাকতলৈ ভাসেমান গল্প আগবঢ়াই গল্প-সাহিত্যৰ ক্ষেত্ৰত নিজস্ব আসন এখনি লাভ কৰিবলৈ সমৰ্থ হৈছে। 'এৰাবাৰীৰ লেছেৰি', 'মনতে মৰহি যায় (ৰামধেনুত প্ৰকাশিত) 'মাতৃ', 'সেউজকন্যা', 'পখী উৰি যায়' (অসমবাণীত প্ৰকাশিত) 'বন্যা' (নতুন অসমীয়াত প্ৰকাশিত) 'শুকপৰ্ব্ব'[অৰুনাচলত প্ৰকাশিত] 'দ্বিতীয়া' [জোনাকত প্ৰকাশিত] প্ৰভৃতি গল্পই বৰাৰ গাল্পিক প্ৰতিভাৰ নিদৰ্শন

দাঙি ধৰিছে। গ্ৰাম্যজীৱনৰ পটভূমিত গাৱঁলীয়া মানুহৰ চহা জীৱনৰ খুটি-নাটি খোৱেই বৰাৰ গল্পৰ প্ৰধান বিষয়-বস্তু। 'মনতে মৰহি যায়' আৰু 'মাতৃ' গল্প দুটাই ক্ৰমে 'ৰামধেনু' 'অসমবাণীৰ' গল্প প্ৰতিযোগিতাত পুৰস্কাৰ অৰ্জ্জন কৰে। 'নতুন অসমীয়াত' আৰু 'জনমভূমিত' প্ৰকাশিত 'ৰসগ্ৰহী' 'কাপ্তিখুড়া' 'বাও মাহাত্ম্য' আদি ৰম্যৰচনা কেইখনে বৰাৰ ৰচনা শক্তিৰো পৰিচয় দিছে। চহাজীৱনৰ প্ৰতি গভীৰ অনুকম্পা থকা বৰাৰ "দৃষ্টিৰূপা" নামৰ গল্পসংকলন এখনি ৰাইজৰ আগলৈ ওলাইছে। "সোণাইৰে সুৰদি" [উপন্যাস] আৰু 'ওৰণি তলৰ মৰম' [গল্পসংগ্ৰহ] অপ্ৰকাশিত অৱস্থাত। ১৯৫৪ চনত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা এম-এছ-চি পাছ কৰি বৰ্ত্তমান অসম কৃষি কলেজৰ অধ্যাপক। জন্ম ১৯৩১ চনত। ঘৰ গাভীগোং কুজীদাহত।

ললিতচন্দ্ৰ বৰা ঃ ১৯৫২ চনৰ আগষ্ট মাহৰ এটি দেওবাৰে বৰাই 'খৰম' পিন্ধি যেতিয়া 'নতুন অসমীয়া'ৰ মাজলৈ গল' তেতিয়া বহুতেই ঘূৰি ঘূৰি চাইছিল। এতিয়ালৈকে প্ৰকাশিত ভাললগা লাহতী ৰচনাকেইখনৰ ভিতৰত 'খৰম'কো পাঠকসমাজে সাম'ৰিছে। ইয়াৰ পিছতো বৰাই আজি প্ৰায় সাতবছৰ কালৰ ভিতৰত অসমৰ বিভিন্ন বাতৰিকাকত আৰু আলোচনীত প্ৰায় আঢ়ৈকুৰিৰো ওপৰ ৰচনা লিখি প্ৰকাশ কৰিছে। তাবাৰ সাবলীল ভঙ্গী আৰু

নিৰ্দ্দোষ হাস্যৰসৰ সমাৱেশে তেওঁৰ ৰচনাসমূহ সুখপাঠ্য কৰি তুলিছে। গল্প ৰচনাতো ৰত্নাৰ হাত আছে। 'দামোদৰ', 'সবিতাৰ সংসাৰ', 'শুকি-হাড়' আদি উল্লেখযোগ্য গল্প। 'ধুমৰ ধোঁৱা' ৰবাৰ এখন অপ্ৰকাশিত উপন্যাস। বৰ্ত্তমান অসম কৃষি কলেজত অধ্যাপনা কৰি আছে। ঘৰ জাগীত। ১৯৩০ চনত জন্ম।

লীলাধৰ হাতীশইকীয়া : "চেনিদৈ গাভৰু" নামৰ লোক-গীত কবিতা-পুথিৰ লিখক হাতীশইকীয়াই 'ভ্ৰমৰ', 'বৰদৈচিলা', 'অগ্ৰগামী ভাৰত' 'ৰদাল', 'নতুন অসমীয়া', 'অসমবাণী' আদি কাকতত মাজে সময়ে কবিতা, প্ৰবন্ধাদি লিখে। সাহিত্যানুৰাগী শইকীয়াই "মোৰ দেশ" নামৰ এখনি পোন্ধৰদিনীয়া কাকতো কেইবছৰমানলৈ সম্পাদনা কৰিছিল। 'জোনাকী' [কবিতা], 'ইন্দ্ৰমালতী' [নাটক], 'সংঘাত', 'সপোন কুঁৱৰী' [উপন্যাস] আদি কেইবাখনো পুথি অপ্ৰকাশিত অৱস্থাত। ঘৰ শিঙৰিয়া গাওঁত। জন্ম ১৯১৬ চনত।

লোকনাথ খাউণ্ড : "যৌৱনৰ অপৰাধ"ৰ ৰচয়িতা। ঘৰ জুৰিয়াত।

ললিতকুমাৰ দাস : "আমি গঢ়োঁ নতুন পৃথিৱী"ৰ লিখক। ঘৰ দক্ষিণপাটত।

শিৱেন্দ্ৰনাৰায়ণ দেৱাধিকাৰগোস্বামী : যুগ-ধৰ্ম্ম' পুথিৰ ৰচয়িতা গোস্বামদেৱৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতিত এখনি প্ৰভুত্বমূলক আসন আছে। "বিহঙ্গধ্বনি"ত ধাৰাবাহিকৰূপে ওলোৱা মূল সংস্কৃতৰ পৰা অনুবাদ কৰা "আচাৰ্য্য সংহতি"খনি প্ৰকাশ হয়। "১৯ বংশাৱলী" নামৰ এখনি বংশাৱলী যুগুত কৰা অৱস্থাত আছে। ৺হৰিনাৰায়ণ দত্তবৰুৱাই সম্পাদনা কৰা প্ৰায়বোৰ পুথিকে গোস্বামীদেৱে মূলৰ লগত মিলাই চকু ফুৰাই দি আৰু অন্যান্য উপদেশ পৰামৰ্শাদি আগবঢ়াই যি সহায় কৰিছে, তাক কৃতজ্ঞ বৰুৱাই প্ৰায় প্ৰত্যেকখনি পুথিৰেই পাতনিত উল্লেখ কৰিছে। নবোৱা বালিসত্ৰৰ অধিকাৰ এইজনা গোস্বামীৰ শঙ্কৰসংস্কৃতিৰ হকে কৰা কামখিনিও লক্ষ্য কৰিবলগীয়া।

শুকদেৱ গোস্বামী : স্কুলীয়া অৱস্থাতেই খ্যাতনামা খৰবাদেৱৰ সৈতে 'কোঁহ' নামৰ কবিতা পুথি আৰু 'চন্দ্ৰনাথ' নামৰ কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্মাদেৱৰ জীৱনী এখন ৰচনা আৰু প্ৰকাশ কৰি সাহিত্যানুৰাগ দেখুৱা গোস্বামীদেৱ 'Psychology of Gandhi', 'Development of India', 'What about Burma' আদি কেইবাখনো ইংৰাজী পুথিৰ ৰচয়িতা। লব্ধপ্ৰতিষ্ঠ সাহিত্যিক ডিম্বেশ্বৰ নেওগ আৰু দৈৱচন্দ্ৰ তালুকদাৰদেৱৰ লগলাগি "জন্মভূমি" নামৰ এখন আলোচনীও আগ-জীৱনত গোস্বামীদেৱে সম্পাদনা কৰিছিল। পিছত

"গঠন" নামৰ এখন সাপ্তাহিক সম্পাদনা কৰে। জন্ম ১৯০৩ চনত।

শ্যামানন্দ বৈশ্য : 'আৱাহন', 'ৰবদৈচিলা', 'মিনাৰ' আ'দ আলোচনীত বৈশ্যৰ কবিতা, গল্প, প্ৰবন্ধ মাজে সময়ে প্ৰকাশ পাই থাকে।

সূৰ্য্যকুমাৰ ভূঞা : একাধাৰে কবি সাহিত্যিক, গবেষক, বুৰঞ্জীবিদ্ ডাঃ ভূঞাদেৱ অসমীয়া সংস্কৃতি-যুদ্ধৰ এজন নিপুণ যোদ্ধা আৰু ধৰণীস্বৰূপ। অসমীয়া সাহিত্যাকাশত ভূঞাদেৱৰ ভোটাতৰাৰ দৰেই উজ্জ্বল। যিকেইজন সাহিত্যসেৱীৰ বিষয়ে লিখিবলৈ গলে অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীকে লিখিব লাগিব, ডাঃ ভূঞাদেৱ সেইসকলৰ এজন। অসমীয়া জাতীয় চৈতন্য আৰু মনীষাৰ অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হোৱা দুজন যোদ্ধাৰ এজন ডাঃ কাকতি, আনজন ডাঃ ভূঞা। অসমীয়া বুৰঞ্জী সাহিত্যৰ সঙ্কলন, সম্পাদন আৰু ভাষান্তৰৰ দ্বাৰা ভূঞাদেৱে জাতীয় জীৱনৰ থাই ধৰণী ৰক্ষা কৰিলে। অসমীয়া সাহিত্য-ক্ষেত্ৰত 'ভানুনন্দন' নামে জনাজাত ভূঞাদেৱৰ অফুৰন্ত লিখনীৰ বিৰাম নাই। স্কুলীয়া জীৱনৰ পৰা আজিলৈকে কাপক জিৰণি নিদিয়া ভূঞাদেৱে 'নিৰ্মালি'ৰ দৰে কবিতা-পুথি, 'পকমা'ৰ দৰে গল্প-সংগ্ৰহ, 'আনন্দৰাম

বৰুৱা', 'জোনাকী'ৰ দৰে জীৱন-কাহিনী, 'বৰফুকনৰ গীত'ৰ দৰে গীত-পুথি, 'Assamese Literature—Ancient and Modern'ৰ দৰে সাহিত্য-আলোচনা গ্ৰন্থ ৰচনা কৰি আৰু বুৰঞ্জী বিষয়ক বিভিন্ন গ্ৰন্থ পোহৰলৈ উলিয়াই ভৱিষ্যতৰ অনুসন্ধিৎসুসকলৰ কাৰণে নিঃসন্দেহে বাট মুকলি কৰি দিছে। ভাৰতৰ আৰু ভাৰতৰ বাহিৰৰ বিভিন্ন কাকতত প্ৰকাশিত ভূঞাদেৱৰ প্ৰবন্ধৰাজিৰ যিদৰে লেখ দিয়া টান, তেখেতৰ প্ৰকাশিত গ্ৰন্থৰাজিৰো সেইদৰে খোৰতে তালিকা যুগুত কৰা দুঃসাধ্য নহলেও কষ্টসাধ্য। ১৯১৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম-এ আৰু ১৯২৪ চনত বি-এল ডিগ্ৰী লৈ বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰ আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ডাইৰেক্টৰৰ পদত অধিষ্ঠিত। ভূঞাদেৱৰ সুৰঠি আৰু গৱেষণাপূৰ্ণ ৰচনাৱলীয়ে 'সাহিত্য সাধনাৰ ধন' কথাষাৰ প্ৰমাণ কৰিছে, আৰু বিজ্ঞসমাজৰ মানস-চিন্তাত গভীৰভাৱেই আলোকপাত কৰিবলৈ সমৰ্থ হৈছে। ফৌজদাৰীপট্টি (নগাওঁ)ত ১৮৯৪ চনত ভূঞাদেৱৰ জন্ম।

সুশীলকুমাৰ বৰুৱা : 'বিশ্বভূগোল' আৰু 'লৰাৰ ভূগোল' নামৰ পুথি দুখনৰ ৰচয়িতা বৰুৱাদেৱে এসময়ত 'আৱাহন' আদি আলোচনাত নৃতত্ত্বমূলক আৰু বিজ্ঞানমূলক প্ৰবন্ধৰ যোগান ধৰিছিল। 'মানুহৰ জন্ম', 'পৃথিবীৰ জন্ম',

'প্ৰাক-ঐতিহাসিক অসম' আদি প্ৰবন্ধ উল্লেখযোগ্য।

সাৰদাকান্ত বৰদলৈ: নাট্য-মঞ্চ আৰু নাট্য-সাহিত্যৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বৰদলৈদেৱৰ ৰঙ্গমঞ্চ সম্বন্ধীয় অৱদান লেখত লবলগীয়া। নগাওঁ ৰঙ্গমঞ্চ-বুৰঞ্জীৰ ক্ৰমবিকাশ আৰু উন্নতত বৰঙণি আগবঢ়োৱা আগশাৰীৰ প্ৰতিভাসম্পন্ন নাট্যকাৰসকলৰ এজন বৰদলৈদেৱ। বৰদলৈদেৱে 'মানবীৰ আহ্বান', 'পহিলা তাৰিখ' আৰু 'সেই বাটেদি' তিনিখন নাটক নাট্যামোদীসকললৈ আগবঢ়াইছে। নগাওঁ, গুৱাহাটী, শিৱসাগৰ আদি অসমৰ অনেক ঠাইত নাটকেইখন অভিনীত হৈছে। সৰ্ব্ববিধ নাট্যাভিনয়ত পাৰদৰ্শী বৰদলৈদেৱৰ ঘৰ হয়বৰগাওঁত।

সুপ্ৰভা গোস্বামী: অসমীয়া সাহিত্য-ভঁৰাললৈ বৰঙণি আগবঢ়াই প্ৰতিষ্ঠা লাভ কৰা মহিলাকেইগৰাকীৰ এগৰাকী সুপ্ৰভা গোস্বামী। বিদেশী সাহিত্যৰ মনোৰম ভাঙনিৰ লগতে মৌলিক সাহিত্যৰ সৃষ্টি কৰিও এখেত সুধী-সমাজৰ পৰিচিত হৈছে। 'বাঁহী', 'আৱাহন', 'জয়ন্তী' আদি আলোচনীত এখেতৰ গল্প, প্ৰবন্ধ প্ৰকাশ হৈছে। প্ৰথম প্ৰকাশিত গ্ৰন্থ 'অবিহণা' এটি গল্প-সংগ্ৰহ, আৰু 'কণিকা' এণ্ডাৰচনৰ গল্পৰ অসমীয়া ভাঙনি। এখেত গল্প-সাহিত্যিক শৰৎচন্দ্ৰ গোস্বামীদেৱৰ কন্যা আৰু সাহিত্যসেৱী গকুলচন্দ্ৰ

গোস্বামীদেৱৰ সহধৰ্ম্মিনী।

সৌন্দৰ্য্যময়ী ভট্টাচাৰ্য্য : 'অকণ', 'বৰদৈচিলা', 'গঠন' আদি কাকতত গল্পাদি লিখা এইগৰাকী লিখিকাই 'চাৰিস্মৃতি' [গল্প-সংগ্ৰহ] 'মৌ-জোল' [সাধুকথা], আৰু 'খেতি-য়কৰ জীৱন' [গীতি-নাটিকা] ৰাইজৰ আগলৈ আগবঢ়াই নগাৱঁৰ অন্যান্য সাহিত্যসেৱীসকলৰ লগত সহযোগ দিছে।

সত্যৰেখা বৰুৱা : পুথিৰ আকাৰে কোনো গ্ৰন্থ প্ৰকাশ কৰি সাহিত্যসেৱাৰ চিনাকি দিয়াৰ অৱসৰ পোৱা নাই যদিও, 'ৰামধেনু', 'ৰংঘৰ' আৰু 'জয়শ্ৰী'ত প্ৰকাশ পোৱা গল্পকেইটাৰ পৰা বৰুৱাৰ সাহিত্য-স্পৃহাৰ উমান পাব পাৰি। 'অতীত', 'ৰেচনৰ কাপোৰ' [ৰংঘৰ], 'দেশসেৱিকা' [ৰামধেনু], 'গোপিনীসংবাদ' [জয়শ্ৰী] আদি উল্লেখযোগ্য গল্প।

সূৰ্য্য বৰা : "সুৰ-সন্ধানী" নামৰ গানৰ পুথিৰ ৰচয়িতা বৰাই সাময়িক আলোচনীত মাজে সময়ে কবিতাদি লিখে। অনাতাঁৰৰ যোগেদি ভালেমান গীত প্ৰচাৰিত হৈছে। ঘৰ জাগীত।

সুৰথচন্দ্ৰ বৰা : 'জীৱনচিত্ৰ'ৰ লিখক। ঘৰ শাকমুঠিত।

৺হেমচন্দ্ৰ বৰুৱা : অসমৰ এজন একনিষ্ঠ ৰাজনৈতিক কৰ্ম্মী, সমাজ প্ৰাণ বৰুৱাদেৱে নানান কামৰ মাজতো সাহিত্য চৰ্চ্চাৰ কাৰণে সুৰুঙা উলিয়াই লৈছিল। বিভিন্ন আলোচনীৰ পাতত বৰুৱাদেৱৰ বিভিন্ন বিষয়ক যিবোৰ প্ৰবন্ধাদি প্ৰকাশ পাইছিল, সেইবোৰ অধ্যয়ন কৰিলে বৰুৱা দেৱৰ সাহিত্যনিষ্ঠাৰ সম্যক পৰিচয় পোৱা যায়। ঘাই ঘৰ বহ'ত।

হৰিপ্ৰসন্ন তামুলীফুকন : "শ্ৰীগুৰুৰ চৰণত", "ভাৰত সমাজ পূজা", তেওঁৰ নামত", মহাপুৰুষৰ এক শৰণীয়া ভাগৱত ধৰ্ম, আৰু "স্কাউটিং" নামৰ পাঁচখন পুথিৰ প্ৰণেতা তামুলীফুকন এজন ধৰ্ম-জ্ঞান পিপাসু লিখক। "শ্ৰীগুৰুৰ চৰণত" পুথিখনৰ মূল লিখক শ্ৰীমৎ কৃষ্ণমূৰ্ত্তি আৰু এই পুথিখন প্ৰায় ডেৰকুৰি ভাষালৈ অনূদিত হৈছে। অসমীয়ালৈ অনুবাদ কৰি তামুলী ফুকনদেৱ নিশ্চয় ৰাইজৰ প্ৰশংসাভাজন হৈছে। "তেওঁৰ নামত" এখন আধ্যাত্মিক তত্ত্বৰ পুথি। "স্কাউটিং" এখন পুৰস্কাৰ প্ৰাপ্ত কিতাপ। অসমৰ বিভিন্ন ঠাইত মহাপুৰুষীয়া ধৰ্ম আৰু সংস্কৃতি সম্বন্ধে প্ৰচাৰ কৰোঁতা তামুলীফুকনদেৱৰ জন্ম চাপৰমুখত ১৯০০চনত।

হৰনাথ শৰ্ম্মাবৰদলৈ : আঙুলিৰ মূৰত লেখিব পৰা যি কেইজন সাহিত্যসেৱীয়ে নব্যমনোবিজ্ঞান আৰু

যৌনতত্ত্বৰ ভেটিত চিন্তাসমৃদ্ধ আৰু পুৰঠ প্ৰবন্ধাদিৰ সাহিত্য ভঁৰাল টহকী কৰিছে, ডাঃ বৰদলে সেই সকলৰ অন্যতম আৰু অগ্ৰণী। 'ৰামধেনু', 'আৱাহন', 'পছোৱা' আদি আলোচনীৰ পাতত প্ৰকাশ পোৱা বৰদলৈদেৱৰ 'সুৰা', 'দাম্পত্য জীৱনৰ মনস্তত্ব' (পছোৱা); 'সৃষ্টিৰ আকাঙ্খা' (আৱাহন), 'আদিম মনত এভুমুকি', 'মানসিক বিভ্ৰম', 'চেতনাৰ দৈহিক ভিত্তি', 'যৌনজ প্ৰেম', 'লিবিডোৰ উৎপত্তি আৰু ক্ৰমবিকাশ' [ৰামধেনু] আদি প্ৰবন্ধই লিখকৰ মননশীল মন আৰু অধ্যয়ননিষ্ঠাৰ পৰিচয় দিছে। মনোবিজ্ঞানৰ দুৰূহ দুৰ্ব্বোধ্য তত্ত্ববোৰ সহজ সৰল ভাষাত নিয়াৰিকৈ দাঙি ধৰিব পৰাটো বৰদলৈদেৱৰ লিখনীৰ এটা বৈশিষ্ট্য। 'ৰামধেনু'ৰ নিয়মিয়া লেখক বৰদলৈৰ প্ৰবন্ধৰাজিয়ে অসমীয়া-মনোবিজ্ঞান-সাহিত্যৰ ভেঁটি নিৰ্মাণত সফল বৰঙণি যোগাইছে। ঘৰ চাপৰমুখত। জন্ম চন ১৯১৫।

হলধৰ কাকতিবৰুৱা : "সৰল অসমীয়া বিবাহ বিধি", "সামন্ত হৰণ নাট", "ভেদেশী ভঁৰাল", "ভাৰত গুণ মালা", "গান্ধী জয়ন্তী", "সতী কাহিনী", 'ভোমোলা ভকতি' প্ৰভৃতি কুৰিবিৰো অধিক পুথি ৰচনা আৰু প্ৰচাৰ কৰি সমাজসেৱী কাকতিবৰুৱাদেৱে সাহিত্যসেৱাতো একনিষ্ঠতা দেখুৱাইছে। ৰাজহুৱা আৰু জনহিতকৰ নানা অনুষ্ঠানৰ লগত জড়িত কাকতিবৰুৱাদেৱৰ কেইখামানো ধেমেলীয়া নাটক

এতিয়াও অপ্ৰকাশিত অৱস্থাত। ঘৰ শাকমুঠিত।

হেমকান্ত ভট্টাচাৰ্য্য : ‘আৱাহন’, ‘কল্যাণ’, ‘মাধুৰী’, “সৰস্বতী”, “নাগৰী প্ৰচাৰিনী পত্ৰিকা” আদি অসমীয়া আৰু হিন্দী আলোচনী লৈ প্ৰবন্ধাদি আগবঢ়োৱা ভট্টাচাৰ্য্যদেৱে “ব্ৰহ্মপুত্ৰৰ উৎপত্তি ইতিহাস’ আৰু ‘নবীন অসমীয়া ৰাষ্ট্ৰ-ভাষা শিক্ষা” দুখন পুথি লিখি সাহিত্যসেৱাত বৰঙনি যোগাইছে। ‘ব্ৰহ্মপুৰ উৎপত্তি ইতিহাস’ পুথিখন কণমান হলেও তথ্যবহুল। ‘মাতৃভাষাৰ মহত্ত্ব নীতি, সিদ্ধান্ত কৌমুদী, হিন্দী অসমীয়া শব্দকোষ’ আদি কেইবাখনো পুথিৰ পাণ্ডুলিপি যুগুত কৰি থোৱা অৱস্থাত। ঘৰ বৰপাথৰী সুতাৰ গাৱঁত।

হবিবুৰ ৰহমান : সাহিত্যসেৱাত একানপতীয়া-কৈ লাগিব পৰা নাই যদিও, সাময়িক আলোচনীত মাজে সময়ে প্ৰকাশ পোৱা ৰহমান ডাঙৰীয়াৰ দুই চাৰিটা প্ৰবন্ধই যুগোপযোগী চিন্তাধাৰা আৰু সবল দৃষ্টিভঙ্গীৰ সঙ্কেত দিছে। ‘ওমৰ খৈয়াম আৰু তেওঁৰ চিন্তাধাৰা’ [বিহুলঙনি] ‘লাহলা-মজনুৰ ঐতিহাসিক পটভূমি, [নবোদয়], ‘চুফীবাদ’ কবি হাফেজ, জালালুদ্দিন ৰুমী’ [নগাওঁ কলেজ আলোচনী] আদি প্ৰবন্ধ কেইটা উপাদেয় আৰু উপভোগ্য। পাৰ্চিয়ান সাহিত্য আৰু ইংৰাজী সাহিত্য উভয়তে এম-এ ডিগ্ৰী লৈ বৰ্ত্তমান নগাওঁ

কলেজত অধ্যাপনা কৰি আছে।

হৰেন্দ্ৰ দেৱগোস্বামী : নগাওঁ কলেজ আলোচনীৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা কাকতত 'গণেশ গগৈ' নামৰ দীঘলীয়া কবিতা এটিৰে সাহিত্যজীৱন আৰম্ভ কৰা গোস্বামীয়ে নিজ নাম আৰু ছদ্মনামত 'জয়ন্তী, বিহুলঙনি, নতুন অসমীয়া, অসমবাণী, সাদিনীয়া অসমীয়া, বিশ্ববিদ্যালয় আলোচনী আদিত লঘু আৰু গম্ভীৰ বিষয়ৰ ভালেমান কবিতা, প্ৰবন্ধ প্ৰকাশ কৰিছে। নতুন অসমীয়াত একাদিক্ৰমে 'আখৰৰ কছৰৎ' নামৰ উপযোগী শিশু-কবিতা ওলাইছে। 'অৰূপ-তৃষ্ণা' [কবিতা] 'ৰূপৰ মোহ'[উপন্যাস], বিয়া'ল্লিচৰ পাণ্ডা [গল্প] ভুচুংপন্থ [ধেমেলীয়া কথা], অৰুণিৰ শঙ্কৰদেৱ [জীৱনী] প্ৰকাশিত পুথি। অপ্ৰকাশিত অৱস্থাত আছে বুভুক্ষা, শূন্য-পৰিচয়, অকালযৌৱন আদি কেইবাখনো কিতাপ; অনাতাঁৰৰ যোগেদিও ৰচনাদি প্ৰচাৰিত হৈছে। জন্ম বালিসত্ৰত।

হৰেশ্বৰ গোস্বামী : নগাওঁ কলেজ আলোচনী, বিহুলঙনি আদিত গোস্বামীৰ কেইবাটাও মৌলিক আৰু অনুবাদ গল্প, প্ৰবন্ধ ওলাইছে। "কফন" "গবন আদি, প্ৰেমচন্দৰ দৰে বিশ্ববিখ্যাত কথা-সাহিত্যিকৰ গল্প, উপন্যাস অসমীয়ালৈ অনুবাদ কৰি গোস্বামীয়ে প্ৰশংসনীয় কাম কৰিছে।

হেমকান্ত ভূঞা : 'আৱাহন' আৰু 'গঠন' কাকতৰ যোগেদি চুটি-গল্প আগবঢ়াই পঢ়ুৱৈসমাজৰ মাজত পৰিচিত হোৱা উদীয়মান সাহিত্যসেৱী ভূঞাৰ 'কক্ষচ্যুত' আৰু 'বালিচন্দা'ই বাইজৰ আগত ভুমুক মাৰিছে। 'কক্ষ্যচুত'ৰ বিষয়-বস্তুৰ পৰিসৰ সীমিত হলেও সীমিত পৰিসৰৰ মাজতে সমাজৰ আন্ধাৰ ফাল এটিৰ প্ৰতি ফুটি ওলোৱা লিখকৰ সহানুভূতিসূচক দৃষ্টিভঙ্গী প্ৰশংসনীয়। 'বালিচন্দা'ৰ বুকুৰ দহোটা চুটিগল্পৰ ছটামান ইতপূৰ্ব্বেই 'আৱাহন'ত প্ৰকাশ হৈ গৈছে। আটাইকেইটা গল্পতেই লিখকৰ সমাজসচেতন মন এটাৰ বোল লাগিছে। বাস্তৱ দৃষ্টি-ভঙ্গী, সূক্ষ্ম জীৱন-বোধ আৰু মানৱীয় সহানুভূতিৰে গল্পকেইটা উজ্জ্বল। 'পথ আৰু উপ-পথ' (সামাজিক উপন্যাস) 'পূৰ্ব্বাচল' (জনজাতীয় উপন্যাস) 'পৰিসমাপ্তি' (নাটিকা) হাতে-লিখা অৱস্থাত। বৰ্ত্তমান অসম চৰকাৰৰ নগাওঁ জিলা পুথি-ভঁৰালৰ চাকৰিয়াল। ঘৰ ৰহাত। জন্মচন ১৯৩২।

হেমচন্দ্ৰ ৰাজকুমাৰ : 'বিহুৱতী'ৰ লিখক। ঘৰ ৰহাত। জন্মচন ১৯০৭।

এই সাহিত্যসেৱীসকলৰ লগতে নগাৱঁৰ আৰু ভালেমান সাহিত্যানুৰাগীয়ে হেগা-চোৰোকাকৈ

আলোচনী, বাতৰিকাকতত প্ৰবন্ধাদি লিখি, কাকতাদিৰ সম্পাদনা কৰি আৰু অন্যান্য প্ৰকাৰে সাহিত্যনিষ্ঠা দেখুৱাইছে। সেইসকলৰ ভিতৰত ৺গুণাভিৰাম বৈশ্য, গোপাল চৰণ আতা, উপাৰ্জ্জন শইকীয়া, শিৱদেব গোস্বামী, হলধৰ ভূঞা, ডম্বৰুধৰ বৰুৱা, দধিকান্ত বৰুৱা, কৃষ্ণকান্ত বৰুৱা, দেবকান্ত মহন্ত, ললিতচন্দ্ৰ শইকীয়া, লক্ষ্মীপ্ৰসাদ গোস্বামী, বসুদেৱ মহন্ত, জালিৰাম শইকীয়া, দ্বিজেন্দ্ৰ মোহন গোস্বামী, ৺শান্তিৰাম হাজৰিকা, ৰূপেন মহন্ত, ফণী বৰা, গোলকচন্দ্ৰ গোস্বামী, খিলকান্ত শৰ্মা, ৰুদ্ৰ বৰুৱা, পদ্ম হাজৰিকা, ভুবন হাজৰিকা, খগেন বৰা, পূণ্যেশ্বৰ বৰদলৈ, ৰোহিত বেজবৰুৱা, কৃষ্ণমূৰ্ত্তি হাজৰিকা, বিবেকানন্দ ভট্টাচাৰ্য্য, নৰেন চৌধুৰী, হীৰেন শইকীয়া, গোলাপচন্দ্ৰ বৰা, পালিত বৰা, টঙ্কেশ্বৰ বৈৰাগী, হেম শৰ্মা, অতুলচন্দ্ৰ গোস্বামী, পদ্ম ফুকন, হীৰেন ভট্ট, ধৰ্মসিং ডেকা, গুণেন্দ্ৰকুমাৰ নাথ, গোপী কাকতি, ৰবীন্দ্ৰ চন্দ্ৰ বৰা, কুশল শইকীয়া, আনন্দ কলিতা, প্ৰমোদ দেউৰী, অতুল বৰা, কবীন বৰা, আনন্দ বৰা, ৰুদ্ৰপ্ৰসাদ কাকতি, ধীৰেন দাস, যামিনী শৰ্মা, কুতুবুদ্দিন আহমদ, লক্ষেশ্বৰী ভূঞা, হেমপ্ৰভা হাজৰিকা, সুধা বৰুৱা, সুবৰ্ণ বৰা, মায়া দেবী, ৰেণু বৰুৱা, বীণা বৰুৱা, স্বৰ্ণ বৰা, নানু বৰা, নলিনী দেবী, মিছ জাপানী (মদিৰা বেগম) আদিৰ নাম উল্লেখযোগ্য।

LAI HALL & LIBRARY
10 JUL 1959

সংশোধনী—

ততাতৈয়াকৈ, নিচেই কমসময়ৰ ভিতৰতে উলিয়াবলগীয়া হোৱাত আমাৰ অজ্ঞাতে 'সতীৰ্থ'ত ছটিমান ভুল হৈ গৈছে। পঢ়ুৱৈসমাজৰ ওচৰত তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা হল।

অশুদ্ধ	শুদ্ধ	পৃষ্ঠা:
দুৰ্যোগপূৰ্ণ	দুৰ্যোগপূৰ্ণ…	২
জোটনি	জোঁটনি…	৯
নাৰ	নাৱৰ …	১০
বাহনী	বাহনি …	১১
আকাংখা	আকাঙ্ক্ষা…	১৬
বি, এল	একালতি …	১৭
ভূমুকি	ভুমুকি …	৪০
এখনে	এখনো …	৪৩
বেনুধৰ	বেণুধৰ …	৪৪
উত্তীৰ্ণ	উত্তীৰ্ণ …	৪৮.
কাৰনে	কাৰণে …	৪৮
অবিহনা	অবিহণা …	৪৮
ভূমুকী	ভুমুকি …	৪৮
উপক্ৰমনিকা	উপক্ৰমণিকা …	৪৮
ভাবনা	ভাৱনা …	৫২
সচেনত	সচেতন …	৫৫
পুৰালে	পুৰালৈ …	৫৬
মৰান	মৰাণ …	৫৬
বাস্তবিকাকতত	বাস্তবিকাকতৰ …	৫৭
পদূলীত	পদূলিত …	৫৮
ৰচন সংগ্ৰহ	ৰচনা সংগ্ৰহ	৫৮

প্ৰেতাত্মাৰ	প্ৰেতত্বৰ ...	৬১
৺ৰুদ্ৰৰাম	৺ৰুদ্ৰৰাম ...	৬২
৺ৰুদ্ৰকান্ত	৺ৰুদ্ৰকান্ত ...	৬৩
চেনতা	চেতনা ...	৬৪
লিপিতত্ব	লিপিতত্ত্ব ...	৬৫
গল্প লিখাৰূপে	গল্প লিখকৰূপে ..	৬৬
উপন্যাসিক	ঔপন্যাসিক ...	৬৬
সম্প্ৰদায়িকতা	সাম্প্ৰদায়িকতা ...	৬৬
নিষ্টাবান	নিষ্ঠাবান ...	৬৭
পুৰানিগুদামত	পুৰণিগুদামত ...	৬৭
চৰয়িতা	ৰচয়িতা ...	৬৮
মূল	মূল্য .	৬৯
মহত্বপূৰ্ণ	মহত্বপূৰ্ণ ...	৬৯
বাচকখনীয়া	বাচকবনীয়া ...	৬৯
অমৰ স্বাস্থ্য	আমাৰ স্বাস্থ্য ..	৭০
জেৰাৰ	জোৰাৰ ...	৭১
বসগ্ৰহী	ৰসগ্ৰাহী ...	৭২
গোস্বামদেৰৰ	গোস্বামীদেৱৰ ...	৭৪
শৰনীয়া	শৰণীয়া ...	৭৯
দুৰুহ	দুৰূহ ...	৮০
নিৰ্ম্মান	নিৰ্ম্মাণ ...	৮০
অকনিৰ	অকণিৰ ...	৮২
গোলকচন্দ্ৰ	গোলোকচন্দ্ৰ ...	৮৩

...I AI HALL & LIBRARY
JUL 1959